# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): CHANDRA DHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1935-36 (1857-58 Sak) | Edition: |
| Size: 22 cms. - 224 pages | Genre: Magazine |
| Volumes: 6th - 4 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been contining | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা

শাওণ—আহিন, ১৮৫৭—৫৮ শক

প্ৰথম বছৰ | মুঠ সংখ্যা—২৭ | প্ৰথম সংখ্যা


## সম্পাদকৰ শৰাই

### আত্ম-কথা

নানা বাধা-বিঘিনি আৰু অপায়-অমঙ্গল এৰাই আহি "পত্ৰিকা"ই আজি ষষ্ঠ বছৰৰ দুৱাৰদলিত ভৰি দিহে আৰু এই পৱিত্ৰ ক্ষণৰ শুভলগ্নত সকলোকে সভক্তিৰে প্ৰণতি জনাইছে।

এই পুনৰ্জীৱনৰ বাবে সপৰিষদ অসম গৱৰ্ণৰ মাইকেল কীন্ বাহাদুৰৰ ওচৰত 'পত্ৰিকা' চিৰঋণী। ইয়াৰ বাহিৰেও অসম সাহিত্য-সভাৰ পৃষ্ঠপোষক হৈ গৱৰ্ণৰ বাহাদুৰে আমাক বিশেষভাৱে উৎসাহিত কৰিছে। যদিও তেখেত বৰ্ত্তমান শাসন-ভাৰৰ পৰা অস্থায়ী স্বৰূপে জিৰণি লৈ আঁতৰি আছেগৈ, অচিৰে তেখেতে সেই ভাৰ লবলৈ উলটি আহি আমাৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা গ্ৰহণ কৰিব বুলি আশা কৰিছোঁ।

কবিতা ( সাহিত্য ), বণিতা আৰু লতা, বিনা আশ্ৰয়ে জীব নোৱাৰে ; ই চিৰন্তন সত্য। স্বদেশী কোচ ৰজাৰ আমোলত অসমীয়া সাহিত্যই যি সমাদৰ পাইছিল, তাৰ চিন অনুপম অসমীয়া বৈষ্ণৱ সাহিত্য। আধুনিক অসমীয়া সাহিত্যও তেনে আশ্ৰয়ৰ পৰা বঞ্চিত হ'ব বুলি ভবা যে অযুগুত, গৰ্ণৰৰ বাহাদুৰৰ এনে সহানুভূতিমূলক অৰ্থ-সাহায্যই তাৰ প্ৰমাণ।

যোৱা জগতব্যাপী আৰ্থিক অনাটনৰ আগত গৱৰ্ণমেণ্টৰ পৰা যি তিনি হাজাৰ টকাৰ দান পোৱা হৈছিল, তেনে এটি বছেৰেকীয়া দানৰ ওপৰত আশা কৰি অসম সাহিত্য-সভাই ভালেখিনি গঠনমূলক কাম কৰিব পাৰিব বুলি ভাবিছিল, কিন্তু হঠাৎ সেই দান অনিৰ্দ্দিষ্টভাৱে স্থগিত হোৱাত সাহিত্য-সভা বিমোৰত পৰিল। সম্প্ৰতি গৱৰ্ণমেণ্টে এই কাকত চলাবৰ কাৰণে যি ছশ টকা দান দিছে, সি অকল এই কামৰ বাবেই দেখাতে নাটনি বুজাইছে যদিও, অহা বছৰৰ পৰা অন্ততঃ আগৰ তিনি হাজাৰ দানকে পাব বুলি আন্তৰিক শলাগেৰে এই দান সভাই গ্ৰহণ কৰিছে।

কিন্তু অকল গৱৰ্ণমেণ্টেই আমাক সকলো কৰি দিব বুলি হাত সাৱটি বহি থকাও সমীচীন নহয় বুলি সকলোৱে কব যদিও, কামত প্ৰায় সেয়ে হৈছে। যোৱা পাঁচ বছৰেই "পত্ৰিকা" চলিল, সন্মিলনে বাছি দিয়া যোগ্যতম লোকেই কাকত সম্পাদন কৰিছিল ; কিন্তু যি ৰাইজে নখ জোকাৰিলে নৈ বয়, সেই ৰাইজৰ ফালৰ পৰা এই কাকতৰ পুঁজিত কি পৰিল, কোনে ক'ব ? যোৱা চাৰি বছৰ প্ৰকাশ স্থগিত হৈ থকা পত্ৰিকাই তাৰ সমিধান নহয় জানো ? অথচ ই এটা সদৌ অসমীয়াৰে ৰাজহুৱা সম্পত্তি !

ৰজাঘৰীয়া সামান্য সাহায্যৰ আলম লৈ আৰু ৰাইজৰ নিজ বাউসীৰ বলৰ ওপৰত সকলোখিনি ভৰষা আৰু আস্থা ৰাখি, আকৌ সময়ৰ সোঁতত ক্ষুদ্ৰ "পত্ৰিকা"ই পাৰি দিছে, আৰু ইয়াৰ জীৱনৰ গতিকে অসমীয়া জাতীয় জীৱনৰ গতিৰ চিন বুলি ধৰা হৈছে। "পত্ৰিকাই" তথা সাহিত্য-সভাই নিজ সফলতা লাভ কৰি আমাৰ জাতীয় উন্নতিৰ বাট যাতে নিৰ্দ্দেশ কৰে, সেয়ে প্ৰতি দেশহিতৈষী লোকৰ চিন্তা হব বুলি আশা কৰিছোঁ।

শিল্প আৰু সাহিত্যই জাতীয় সভ্যতাৰ আত্ম স্বৰূপ। বুৰঞ্জীৰ কাহিনী বা জাতীয় জীৱনৰ সোঁত সদায় সলনি হৱই লাগিছে ; সভ্যতাৰ মৰিশালিৰ বন গজিছে, তাৰ ইতিহাস কবলৈ যদি কিবা থাকে সি শিল্প আৰু সাহিত্যহে। এহেজাৰ বছৰৰ আগৰ অসমীয়া জাতিৰ অন্তৰ আৰু বাহিৰৰ বুৰঞ্জী আজি আমাক কৈছে সেই সাহিত্যই ; আৰু এহেজাৰ বছৰৰ পিছলৈ আজি অসমীয়াৰ তেনে ইতিহাস কবলৈ যদি কিবা থাকে, তেন্তে থাকিব সেই সাহিত্যইহে। সাহিত্যই আমাৰ বৰ্ত্তমানৰো সঞ্জীৱনী। তেনে সাহিত্যৰ উন্নতিৰ হকে পতা অসমীয়াৰ একমাত্ৰ অনুষ্ঠান অসম সাহিত্য-সভাৰ সভ্য আৰু তাৰ মুখপত্ৰ এই "পত্ৰিকাৰ" গ্ৰাহক আৰু লেখক হোৱাটো প্ৰকৃততে এক উচ্চতম সন্মানৰ বিষয় বুলি প্ৰতি অসমীয়াই কেতিয়া অনুভৱ কৰিব ? সেই দিন আমাৰ কিমান দূৰত !

## সম্ৰাটৰ ৰূপালী জয়ন্তী

যোৱা ৬ আৰু ৭ মে তাৰিখে বেলি মাৰ-নোযোৱা বৃটিচ সাম্ৰাজ্যত মহামান্য ইংলণ্ডেশ্বৰ আৰু ভাৰত সম্ৰাট পঞ্চম জৰ্জ্জ আৰু মহাৰাণী মেৰীৰ ২৫ বছৰীয়া ৰাজত্বৰ ৰজত-জয়ন্তী উৎসব ( Silver Jubilee ) মহা পয়োভৰেৰে সম্পাদিত হল। সেই মাহেন্দ্ৰ ক্ষণৰ মঙ্গলময় সোঁৱৰণিত অসম সাহিত্য সভায়ো সম্ৰাট-সম্ৰাজ্ঞীৰ প্ৰতি ৰাজ-ভক্তি আৰু আন্তৰিক শুভ ইচ্ছা জনাইছে আৰু ৰজা-ৰাণীৰ দীৰ্ঘায়ু কামনা কৰিছে। এই জনা ৰজাৰ ৰাজ-ত্বতে ভাৰত-শাসন সম্পৰ্কে দুবাৰ পাৰ্লেমেণ্টত শাসন-সংস্কাৰ আইন প্ৰবৰ্ত্তিত হৈছে। ভাৰতীয় প্ৰজা সকলৰ সম্পৰ্কে সম্ৰাটৰ মৰম ৰাজ-ৰাণীত প্ৰকাশ পাইছে ; সদৌ ভাৰতবাসী সেই বাবে সম্ৰাটৰ প্ৰতি কৃতজ্ঞ হৈ থাকিব।

## অসম বিশ্ববিদ্যালয়

যোৱা ২২ মে বুধবাৰে কলিকতাৰ অসমীয়া ছাত্ৰৰ উন্নতিকামী সঙ্ঘৰ নেতৃত্বত সমগ্ৰ অসমত "অসম বিশ্ববিদ্যালয় দিন" অতি সমাৰোহেৰে পালন কৰা হল। এই প্ৰসঙ্গত উক্ত সঙ্ঘৰ কৰ্ম্মীসকলৰ উদ্যমৰ আমি আন্তৰিক শলাগ লৈছোঁ। অসমৰ শিক্ষা বিষয়ৰ গুৰি-ধৰোঁতা বি ভু-লওঁতা প্ৰতি জনেই কৈছে আৰু কব, অসমে উন্নতি বাটত লগৰ আন আন প্ৰদেশৰ লগতে



হাত ধৰি চলিবলৈ, আন নালাগে পিছ লবলৈকো, নিজৰ এটা বিশ্ববিদ্যালয় নোহোৱাকৈ থাকিব নোৱাৰে। তেনেহলে অসমক বিশ্ববিদ্যালয় নালাগে বুলি কোনেনো কয় ? কওঁতা ওলাইছে আৰু ওলাব সেইসকল যিসকলৰ কাৰণে অসমৰ শিক্ষা আৰু সাহিত্যৰ উন্নতি চকুৰ কুটা আৰু দাঁতৰ শূল। কিন্তু তেনে লোকসকলৰ বুকুৰ পোৱণিৰ সত্তেও অসমক বিশ্ববিদ্যালয় লাগিব আৰু ঈশ্বৰৰ ইচ্ছাত অসমে তাক লাভ কৰি মাহী আইৰ মৰমৰ হাত সাৰিব।

১৯১৭-১৯ চনৰ কলিকতা বিশ্ববিদ্যালয় কমিচনে লিখিছিল যে ভাষা, সাহিত্য, বুৰঞ্জী, পুৰাতত্ত্ব, নৃতত্ত্ব, ভূতত্ত্ব, ধন-বিজ্ঞান আদিৰ চৰ্চ্চাৰ কাৰণে অসমতকৈ উপযুক্ত ক্ষেত্ৰ নাই ; আৰু আন বিশ্ববিদ্যালয়ৰ নিৰ্দ্দেশমতে চলি এই ঠাইৰ লোকে জাতীয় আৱশ্যকতা অনুযায়ী সেইবোৰ বিষয়ৰ শিক্ষাও লাভ কৰিব নোৱাৰে। সেই কমিচনে দিয়া বিৱৰণ মতেই কব পাৰি, কটন কলেজটি সৰু হলেও সিয়ে ভাল দৰে পৰিচালিত হৈ অসমৰ এটি স্বকীয়া বিশ্ববিদ্যালয়ৰ কেন্দ্ৰ সহজে হব পাৰে। শিক্ষা বিষয়ৰ উপৰিও এটি নিজা বিশ্ব-বিদ্যালয় নোহোৱা কাৰণেই সাহিত্যৰো উন্নতিত ভালেখিনি বিঘিনি। অসম পুৰাতত্ত্ব বিভাগৰ দ্বিতীয় পুস্তিকাত লিখা আছে যে নিজা বিশ্ববিদ্যালয় থকা প্ৰদেশবোৰে নিজ প্ৰদেশৰ পুৰণি তথ্যৰ অনুসন্ধান কাম বিশ্ববিদ্যালয়ৰ যত্নতে হৈ থকা পায়। বিশ্ববিদ্যালয়েই সকলো বিষয়ৰ গৱেষণাপূৰ্ণ পুথিবোৰ সদায় প্ৰকাশ কৰে। কোনো বিষয়ক সাধাৰণ বা-বাতৰি জানিবলৈ পণ্ডিতমণ্ডলীৰ পৰস্পৰ আলোচনাৰ পৰা সহায় আৰু অনুসন্ধান কামত আগ বাঢ়িবলৈ উৎসাহ পোৱা হয় ; কিন্তু নিজ বিশ্ববিদ্যালয় নোহোৱা অসমৰ নিচিনা প্ৰদেশত প্ৰতি অনু-সন্ধান-পিপাসু লোকে নিজৰ গাঁঠিৰ ধন ভাঙি বিনা যশ, বিনা পদোন্নতি আৰু বিনা উৎসাহ-উদগনিত তেনেবোৰ কাম কৰিব লগা হয় আৰু খেতিৰ শস্য দূৰতে থাকে নিজ হাতেৰে হাবি ভাঙোতেই জীৱনৰ আধাখিনি যায়। এনে অৱস্থাতো অসমত বিশ্ব-বিদ্যালয় এটাৰ আৱশ্যক বুলি কব লাগেনে ?

বিশ্ববিদ্যালয় দিব পৰা সকলে কব, তাৰ বাবে ধন নাই ; কিন্তু ১৯৩১-৩৩ চনৰ অসমৰ শিক্ষা বিভাগৰ অস্থায়ী ডিৰেক্টৰ বাহাদুৰৰ কথাৰেই কব লাগিব—অসমৰ যদি এটা স্বকীয়া বিশ্ববিদ্যালয় পাবৰ সামৰ্থ্য নাই বোলে, তেন্তে স্বকীয়া বিশ্ববিদ্যালয় নোহোৱাকৈ স্বকীয়া প্ৰদেশ নচলে বুলি লগতে কব লাগিব। গতিকে অসমে যে নিজা এটা বিশ্ববিদ্যালয় সোনকালে পাবই লাগিব, ই-দিন যেন সঁচা। এই বিষয়ে অসম গৱৰ্ণমেণ্টে কটন কলেজৰ অধ্যক্ষ ৰবাৰ্ট চাহাবক আৰম্ভণি কামৰ বাবে নিযুক্ত কৰাত সদৌ অসমে সন্তোষ পাইছিল ; আকৌ ভূতপূৰ্ব্ব ডাইৰেক্টৰ কমিংহাম চাহাবক এই কামৰ বাবে বিলাতৰ পৰা অনাইছে বুলিও জনা গৈছে। কাম যাতে অলপ বেগেৰে আগ বাঢ়ে তালৈ ৰাইজ আৰু কৰ্ত্তৃপক্ষই মন কৰা উচিত।

## ত্ৰয়োদশ সন্মিলনৰ সভাপতিৰ অভিভাষণ

১৮৫৩ শকৰ পুহ মাহত বহা অসম সাহিত্য সন্মিলনৰ শিৱসাগৰ অধিবেশনৰ সভাপতি গোৱাল-পাৰাৰ জমিদাৰ সুসাহিত্যিক শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী ডাঙৰীয়াৰ সুদীৰ্ঘ অভিভাষণখনি পুথিৰ আকাৰে প্ৰকাশিত হৈ গৈছে। পূৰ্ব্ববৰ্ত্তী সন্মিলনৰ সভাপতিসকলৰ অভিভাষণ কোনো এখনিতকৈ যে

এইখনি হীন নাছিল, এই কথা আমি ডাঠি কব পৰা হৈছোঁ। ভাষাৰ গঢ়-গতি, সাহিত্যৰ প্ৰগতি, সভাৰ কাৰ্য্যপদ্ধতি, অসম আৰু অসমীয়া ভাষাৰ অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত আদি সভাপতিৰ অভিভাষণত আলচ কৰিব লগীয়া কোনো কথাই এৰা পৰা নাই। মুঠতে অভিভাষণখনিয়ে আৱশ্যকীয় সাময়িক সকলো বিষয়তে সুন্দৰ পোহৰ পেলাইছে আৰু তাৰ ছত্ৰে ছত্ৰে চৌধুৰীদেৱৰ ৰসজ্ঞান আৰু স্বজাতি-প্ৰেম সুন্দৰকৈ বিৰিডি ওলাইছে।

অসমৰ পুৰাতত্ত্ব আলোচনাত কোনো কথা চোবোৱাকে চোবোৱা হোৱা নাই, আগেয়ে জনা কথাবোৰো নতুন আৰু তৃপ্তিদায়ক কৰি উল্লেখ কৰা হৈছে। অনুসন্ধানৰ বিষয়ে তেখেতে লিখিছে— "...এই কাম বহু অৰ্থ সাপেক্ষ। এতেকে অনুসন্ধানৰ কামত সহায় লাগে আৰু তাক বিশ্ববিদ্যালয়ৰ পৰা বহুখিনি কৰা সম্ভৱ। ...নিজ দেশৰ স্বকীয়া ইউনিভাৰ্ছিটিৰ ইও এটা কাৰণ ..."এই কথা সম্পূৰ্ণ সঁচা। বিশ্বসাহিত্য, জাতীয় সাহিত্য, সাহিত্যিকৰ কৰ্ত্তব্য আদি বিষয়ে তেখেতে ভালেখিনি কথা সম্পূৰ্ণ আধুনিক আৰু উন্নতভাৱে আলোচনা কৰিছে। "...সাহিত্যিকসকল হব লাগিব সম্পূৰ্ণ নিলিপ্ত। তেওঁলোকে মানুহক হুঁচুৱাব, কন্দুৱাব, নচুৱাব, নিজে এজন নিৰপেক্ষ দৰ্শক মাথোন হৈ থাকিব" ...এই উক্তি অতি সুক্ষ্মদৰ্শিতা আৰু গভীৰ অভিজ্ঞতাৰ পৰিচায়ক। পুৰণি পুথি প্ৰকাশ কৰোঁতে ... "যাতে কোনো অংশ মূল পুথিৰ পৰা বাদ নপৰে আৰু বিকৃত নহয়; 'প্ৰহ্লাদ'ৰ ঠাইত 'প্ৰজ্লাদ' কৰিব গলে তাৰ মূল্য বহুত কমিব" আদি সতৰ্ক বাণী আমাৰ প্ৰয়োজনীয়, কিয়নো সঁচাকৈয়ে literary truth বোলা বস্তুটোৰ প্ৰতি আস্থা অকল অসমীয়াৰ নহয়, ভাৰতীয়ৰে টান তাকৰ। অসমীয়া ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰ বিষয়ে তেখেতে দিয়া সঙ্কেতখিনি মন কৰিব লগীয়া। উচ্চাৰণ আৰু বৰ্ণবিন্যাস সম্পৰ্কে নানা কথাৰ মাজত লিখিছে .."ইংৰাজী ch, chh, s, sh এই চাৰিওটাৰ বাবে চ বা ছ ব্যৱহাৰ কৰিবলৈ অসুবিধা হোৱাত আজিকালি কোনো কোনো লিখকে বাধ্য হৈ 's' ৰ ঠাইত ছ আৰু 'sh' ৰ ঠাইত শ্ৱ বা শ্ব লিখিছে।" আমাৰ বৰ্ত্তমান সংখ্যাত প্ৰকাশিত চতুৰ্দ্দশ সন্মিলনৰ সভাপতিৰ অভিভাষণখনিতো এই ব্যৱহাৰ দেখা যায়। গুৱালপাৰ, ৰংপুৰ, কোচবিহাৰ আদিৰ ভাষা সম্বন্ধেও চৌধুৰীদেৱৰ আলোচনাখিনি সকলোৱে এবাৰ ভালকৈ পঢ়ি চাব লগীয়া।

## চতুৰ্দ্দশ সন্মিলনৰ সভাপতিৰ অভিভাষণ

১৮৫৫ শকৰ ১২।১৩ পুহত বহা উত্তৰ লক্ষীমপুৰৰ ১৪ শ সাহিত্য সন্মিলনৰ সভাপতি, আধুনিক অসমীয়া সাহিত্যৰ প্ৰাতঃস্মৰণীয় আৰু স্বনামধন্য পুৰুষ ৰায় বাহাদুৰ ৺গুণাভিৰাম বৰুৱা ডাঙৰীয়াৰ সুপুত্ৰ, আৰ্ল ল কলেজৰ সুযোগ্য অধ্যক্ষ আৰু সুসাহিত্যিক শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা বাৰ্-এট্-ল ডাঙৰীয়াৰ অভিভাষণ এই সংখ্যাত প্ৰকাশিত হৈছে। সৰল, অমায়িক, প্ৰিয়ম্বাদী, সৰ্ব্বৰহী শ্ৰদ্ধেয় বৰুৱাদেৱৰ সকলো গুণ অভিভাষণখনিত এনে সুন্দৰভাৱে বৰ্ত্তমান যে পঢ়িলেই সেই সৌম্য সুদৰ্শন বৰুৱা দেৱৰ ওচৰত বহি তেখেতৰ কথাকে শুনি



থকা যেন লাগে। উদাহৰণ স্বৰূপে সভাপতিৰ পদত নিজৰ অনুপযুক্ততা-বোধটো উপলব্ধি কৰাবলৈ 'সত্যে সত্যে সত্যে' বোলা, পোহাৰী এজনীক কথা সোধোতে "আইদেও" সম্বোধন কৰা আদি এনে এটা কথা দেখুৱাব পাৰি, কিন্তু অকল ইয়াকে কওঁ কিয়? অভিভাষণখনিয়েই 'জে, বৰুৱা' বুলি কলেও বঢ়াই কোৱা নহয়। অন্ততঃ অসমীয়াত এনে ৰচনা-ৰীতি (style) অইনৰ হব নোৱাৰে। 'Style is the man". কথাষাৰ অতি সঁচা।

উনৈশ শতিকাৰ অসমীয়া সাহিত্য-আকাশ যি দুটি জোন-বেলিয়ে পোহৰাই আছিল, তেওঁলোক ৺হেমচন্দ্ৰ আৰু ৺গুণাভিৰাম। আন কাৰণত নহয়, নিজ স্বভাৱৰ তীব্ৰতা আৰু প্ৰখৰতাৰ কাৰণে হেমচন্দ্ৰক বেলি, আৰু মৃদুতা আৰু স্নিগ্ধতাৰ বাবে গুণাভিৰামক জোন বুলিছোঁ। সেই পিতাৰ পুত্ৰ জ্ঞানদাভিৰাম স্বভাৱতে সহানুভূতিশীল আৰু accomodating. এজন মদখোৱা মানুহৰ উপমা দিওঁতেও "ক্ষমা কৰিব, পৃথিৱীত ভাল-বেয়া লৈয়ে মানুহ" ইত্যাদি apology, আমাৰ লোকৰ গাত দোষ পেলোৱা জাতীয় স্বভাৱৰ কথাত পঢ়াশলীয়া ছাত্ৰৰ উপমা দিওঁতে "আমিও বয়সিয়াল মানুহ বিলাকেও সুবিধা পালে এনে কথা কওঁহক হবলা" ইয়াৰ "কওঁহক হবলা" কথাষাৰ কেনে mild chastisement! সেইদৰে "মোৰ অসম" কথাষাৰো মাজে মাজে কওঁতে শুনিবলৈ কেনে মিঠা, মোহলগা, আৰু সৰল স্বদেশ-হিতৈষণা ভৰা! পিতৃৰ দৰে পুত্ৰও নতুন লেখকৰ প্ৰতি সদায় সদয়। "সময়ে অসময়ে নতুন লেখকৰ লেখাক ভৰিৰে গছকা আলোচনা কৰি নিৰুৎসাহ কৰিব নেলাগে। ...অৱশ্যে মই পৈণত লেখকসকলৰ কথা ইয়াত কোৱা নাই।"..."...ন ন লেখকৰ নাম যেতিয়া মই দেখোঁ তেতিয়া মোৰ যে কি আনন্দ হয় মই কৈ কি লেখি ব্যক্ত কৰিব নোৱাৰোঁ। ভগৱানেহে জানে।"

এই অভিভাষণখনিৰ বিশেষত্ব এয়ে যে সভাপতিয়ে আলোচনা কৰা বা কৰিব লগা সকলো বিষয় ইয়াত সম্পূৰ্ণ ঘৰুৱা ভাৱে (popularly) আলচ কৰা হৈছে, academic বা pedantic পাণ্ডিত্যৰ ইয়াত নাম-গোন্ধো নাই। এনে অভিভাষণ যে আমাৰ বিশেষ লাগতিয়াল এই কথা সকলোৱে বুজিব। আমাৰ বৰ্ত্তমান সাহিত্যৰ প্ৰসঙ্গত লিখিছে— "এতিয়া যি লেখা ওলায় ওলাই থাকক। সময়ত যিবোৰ ভাল সেইবোৰ স্থায়ী হব।" এই বিষয়ে অৱশ্যে এটা বিপৰীত মতো আছে। দেশৰ উন্নতিকৰ আন সকলো কাম, ব্যৱসায়-বাণিজ্য এৰি যোগ্যতা বা সামৰ্থ্য নথকাকৈ হোৱায়-নোহোৱায় আন সকলোৱেই, নহলেও বহু সংখ্যক লোক, যদি সাহিত্যিক হবলৈ যায়, তেনেহলে জাতীয় অৰ্থ, সময় আৰু শক্তিৰ অপব্যয় ঘটি উন্নতিৰ বাটত আমি হয়তো পিছুহে পৰাৰ সম্ভৱ! যি হওক, সম্প্ৰতি ই আমাৰ আলোচ্য বিষয় নহয়। অভিভাষণখনি মুঠতে সময়োপযোগী, উপাদেয়, আৰু উপভোগ্য হৈছে, ধনিষ্ঠামানো সন্দেহ নাই।

## পঞ্চদশ সন্মিলনৰ সভাপতিৰ অভিভাষণ

১৮৫৬ শকৰ পুহ মাহত বহা অসম সাহিত্য সন্মিলনৰ মঙ্গলদৈ অধিবেশনৰ সভাপতি সুকবি, সাহিত্যিক আৰু প্ৰত্নতাত্ত্বিক, ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াৰ অভিভাষণখনি পুথিৰ আকাৰে প্ৰকাশিত হৈছে। আগৰৱালা দেৱৰ অনুপম ৰচনাৰ সোৱাদ আৰু অনুসন্ধানত আগ্ৰহৰ

ভু নোপোৱা অসমীয়া নাই, গতিকে অভিভাষণ খনিত সেইবিলাক গুণৰ কথা ন কৈ উল্লেখ কৰাই সৰহৰ ভাগ।

ভাবপ্ৰৱণতা আৰু উদ্ধৃতিৰ ভাগ অলপ অধিক হলেও আৰু বুৰঞ্জী আৰু পুৰাতত্ত্বৰ পুনৰাবৃত্তিৰ ফালে অলপ সৰহকৈ ঢাল লব খুজিলেও, মৌলিকতা স্বৰূপত অভিভাষণখনিৰ যথেষ্ট মোল আছে। কাৰ্য্যপদ্ধতিৰ নিৰ্দ্দেশ-প্ৰসঙ্গত "অসম-কোষ" নামৰ পুথি প্ৰণয়নৰ প্ৰস্তাৱ অতি সময়োপযোগী হৈছে; এনে কাম কামৰূপ অনুসন্ধান সমিতি কিয়, সাহিত্য সভাৰ পৰাই সভাপতি দেৱৰ নিচিনা যোগ্য লোকেই অনায়াসে হাতত লব পাৰে। আমাৰ প্ৰত্যেক আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণতে স্থানীয় ইতিবৃত্ত সুন্দৰ আৰু যথেষ্টভাৱে বৰ্ণোৱা থাকে। সেই অভিভাষণ বোৰৰ পৰাও তাৰ বাবে বহুত আহিলা পোৱা হয়। মিউজিয়ম্, পুথিভঁৰাল আৰু ট্ৰেভেলিং পবলিক লাইব্ৰেৰীৰ প্ৰস্তাৱ আন আন সভাপতিৰ অভিভাষণৰ দৰে ইয়াতো আছে, কিন্তু এই বিষয়ে অসমীয়া ৰাইজে কেনিও কুকং-কাৰাং কৰাৰ কথা আমি নাজানো। ইয়াৰ বাহিৰেও অভিভাষণখনিত জানিব লগীয়া আৰু ভাবিব লগীয়া ভালেখিনি কথা আছে। আগৰৱালাদেৱৰ অসম-প্ৰাণতা, অসমীয়া ভাষাৰ নামত জীৱন-উছৰ্গা, অসমীয়া মাত্ৰৰে আদৰ্শৰ কথা। আমি আশা কৰিছো, জীৱনৰ বাকী ছোৱা কালো তেখেতে তেখেতৰ হেঁপাহৰ অসম আৰু অসমীয়া সাহিত্যৰ উন্নতি কল্পে কটাই দেশৰ আশা পূৰ্ণ কৰিব।

## আদৰণী সমিতি আৰু বুৰঞ্জী আৰু সঙ্গীত শাখাৰ সভাপতিৰ অভিভাষণ

শিৱসাগৰ আদৰণী সমিতিৰ সভাপতি শ্ৰীযুত ভুবনচন্দ্ৰ গগৈ দেৱৰ অভিভাষণ এতিয়ালৈকে আমাৰ হাতত পৰা নাই। লক্ষীমপুৰৰ শ্ৰীযুত সৰ্ব্বেশ্বৰ বৰুৱা বি-এল্, এম্-এল্-চিৰ সুচিন্তিত আৰু সুলিখিত অভিভাষণ এই সংখ্যাতে প্ৰকাশিত হৈছে। মঙ্গলদৈৰ শ্ৰীযুত তপেশ্বৰ শৰ্ম্মাদেৱৰ অনুসন্ধানপূৰ্ণ সুন্দৰ অভিভাষখণনি পুথিৰ আকাৰে ছপা হৈ ওলাইছে। "অসম কোষ" নামে এখনি গ্ৰন্থৰ বাবে এই স্থানীয় ইতিবৃত্তবোৰ যে অমূল্য বস্তু হব, তাক কবৰ সকাম নাই। ১৩ শ সন্মিলনৰ বুৰঞ্জী-শাখাৰ সভাপতি প্ৰত্নতত্ত্ববিদ্ শ্ৰীযুত সোণাৰাম চৌধুৰীদেৱৰ গৱেষণাপূৰ্ণ সুদীৰ্ঘ অভিভাষণ পুথিৰ আকাৰে সাহিত্য সভাই প্ৰকাশ কৰিছে। এই অভিভাষণ যে চৌধুৰী দেৱৰ বহুদিনীয়া চিন্তা-গৱেষণাৰ ফল আৰু ই যে অসমৰ পুৰাতত্ত্ব আৰু বুৰঞ্জীৰ ভালেখিনি আন্ধাৰ চুকত পোহৰ পেলাইছে, তাত সন্দেহ নাই। লক্ষীমপুৰ বুৰঞ্জীশাখাৰ সভাপতি শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকীদেৱৰ অভিভাষণো আমি এতিয়ালৈকে পোৱা নাই। মঙ্গলদৈ সন্মিলনৰ সঙ্গীত-সজ্জৰ সভাপতি শ্ৰীযুত পদ্মধৰ চলিহা এম,এ,বি,এল, দেৱৰ অভিভাষণখনি প্ৰকাশিত হৈ গৈছে; অভিভাষণখনি অতি সুৱলা আৰু সময়োপযোগী হৈছিল।

## সাহিত্য সভাৰ অভিনন্দন পত্ৰ

অসম সাহিত্য-সভাই ক্ৰমে শিৱসাগৰ আৰু লক্ষীমপুৰ সন্মিলনত শ্ৰদ্ধেয় শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা আৰু শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱাক দিয়া দুখনি অভিনন্দন-পত্ৰ আৰু তাৰ প্ৰত্যুত্তৰ ইয়াৰ ভিতৰতে কাকতে-পত্ৰয় প্ৰকাশিত হৈছে। দুইখনি প্ৰত্যুত্তৰেই দুইজন সাহিত্যিকৰ নিজ নিজ



স্বভাৱসিদ্ধ ৰচনা-ৰীতিৰ বিতোপন আৰ্হি। যোগ্য সাহিত্যৰথী দুজনৰ প্ৰতি সাহিত্য সভাৰ অভিনন্দন অতি সুসঙ্গত হৈছিল; আৰু অভিনন্দন-পত্ৰ প্ৰদানৰ সম্পৰ্কে অভিনৱ প্ৰথা আৰু উপকৰণে কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ কৃতিত্ব প্ৰকাশ কৰিছিল।

## অসমীয়া বাতৰি-কাকত

"তিন দিনীয়া অসমীয়াৰ" পিছ লৈ "দুদিনীয়া অসম" ওলাল। তাৰ পিছতে এদিনীয়া বা দৈনিক "বাতৰি" ওলাব বুলি জাননী দেখা গ'ল; কিন্তু তাৰ আগতে "নগৰৰ কথা" বুলি যোৰহাটতে এখন দৈনিক কাকত ওলাল। শেহত বহু-প্ৰত্যাশিত দৈনিক বাতৰিয়ে গত ১২ আগষ্টৰ পৰা দেখা দিছে আৰু আমি প্ৰতিষ্ঠাতাৰ প্ৰতি আমাৰ শলাগ জনাইছো; অকল যোৰহাটৰ পৰাই এই দুখন দৈনিক আৰু এখন দুদিনীয়া কাকত দুই-এমাহৰ অগা-পিছা হৈ ওলাল। ইয়াৰ বাহিৰেও ওলাল, গুৱাহাটীৰ "ডেকা অসম"। আমি কেউখন কাকতৰ দীৰ্ঘজীৱন কামনা কৰিছো আৰু কেউখনেই স্বদেশৰ, আৰু স্বজাতিৰ উন্নতি সাধনব্ৰত সাৰোগত কৰি নিজৰ অস্তিত্ব আৰু প্ৰতিষ্ঠা সাৰ্থক কৰিব বুলি আশা কৰিছোঁ।

## সাহিত্য-বাতৰি

যোৱা ৭ চেপ্তেম্বৰ শনিবাৰে কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ উদ্যোগত চন্দ্ৰকান্ত সাহিত্য মন্দিৰত ৺কমলাদেবী আৰু তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত ৰাধানাথ গোস্বামী দেৱৰ দুখনি পট থাপনা কৰা হয়। সেই উদেশ্যে স্থানীয় অনেক গণ্য মান্য লোক গোট খাইছিল।

নগাঁৱৰ ৺চন্দ্ৰধৰ বৰুৱাৰ নাম সদৌ অসমীয়া সাহিত্যত সিমান জনাজাত নহয়, কিন্তু সাহিত্যৰ অৰ্থে বহুত বছৰৰ আগতে কৰা তেখেতৰ দানৰ পৰা ভালেখিনি অসমীয়া পুথি প্ৰকাশিত হৈছে।

সম্প্ৰতি অসম-উপত্যকা পাঠ্য-পুথি সমিতিৰ সুযোগ্য সভাপতি শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে অসমীয়া সাহিত্যৰ বৰ্ত্তমান যুগৰ (১৮৩০-১৯৩০ খ্ৰীঃ) এখনি কাব্যসংগ্ৰহ আৰু এখনি সাহিত্য-বুৰঞ্জীৰ বাবে সেই টকাৰ পৰা ক্ৰমে দুটি বঁটা ঘোষণা কৰিছিল। তাৰে প্ৰথমটিৰ বাবে বঁটা পোৱা পুথি শ্ৰীযুত ডিম্বেশ্বৰ নেওগৰ "কাব্যপ্ৰতিভা" প্ৰকাশিত হৈছে; আৰু সাহিত্য-বুৰঞ্জীৰ বঁটাৰ ফলাফল এতিয়াও ওলোৱা নাই। বিষয় স্বৰূপে দুইটি ঘোষণাই অতি সুবিবেচিত, লাগতিয়াল আৰু সময়োপযোগী সন্দেহ নাই।

সুসাহিত্যিক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ জ্যেষ্ঠা কন্যা ৺প্ৰতিভা দেৱীৰ নামে যি এটি লেকচাৰৰ দিহা কৰি অসমৰ শিক্ষাবিভাগৰ ডাইৰেক্টৰ চাহাবে জাননী দিছে, সিও অতি সুবিবেচিত হৈছে, তাৰ বাবে গোস্বামী ডাঙৰীয়া আমাৰ কৃতজ্ঞতাৰ পাত্ৰ—তাক কোৱা বাহুল্য মাথোন।

"অসমীয়া ভাষা তাৰ গঠন আৰু শ্ৰীবৃদ্ধি" বিষয়ক এখনি মৌলিক গবেষণাৰ পুথি লিখি কটন কলেজৰ ইংৰাজী অধ্যাপক শ্ৰীযুত বাণীকান্ত কাকতী এম, এ দেৱে অসমীয়া স্বৰূপে জয়ে জয়ে কলিকতা বিশ্ববিদ্যালয়ৰ ডক্টৰেট্ ( Ph. D. ) উপাধি লাভ কৰাত আমি বিশেষ আনন্দ পাইছোঁ আৰু কাকতী দেৱক তাৰ বাবে প্ৰীতিপূৰ্ণ সম্বৰ্দ্ধনা জনাইছো। আশা কৰোঁ তেখেতৰ এই পুথি সোনকালে প্ৰকাশিত হব।

সমগ্ৰ ভাৰতৰ বুৰঞ্জী-সম্মিলনত কটন কলেজৰ অন্যতম ইংৰাজী-অধ্যাপক আৰু অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ প্ৰভিঞ্চিয়েল্ ডাইৰেক্টৰ্ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম্ এ, কাব্যবিনোদ দেৱে যোগ দি, অসমৰ বুৰঞ্জীলৈ আৰু তেখেতৰ বিভাগলৈ ভাৰতীয় বুৰঞ্জীবিদ পণ্ডিতসকলৰ সহানুভূতি আকৰ্ষণ কৰিব পৰা বাবে ভূঞাদেৱক আমাৰ আন্তৰিক শলাগ জনাইছোঁ। এই বিভাগত তেখেতৰ কৃতিত্বৰ কথা দেশ-বিদেশৰ সকলো পণ্ডিতে বিশেষভাৱে বখানিছে।

কলিকতা বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব্ব ভাইচ্‌-চেন্সেলাৰ চাৰ দেৱপ্ৰসাদ সৰ্ব্বাধিকাৰী চি আই-ই অলপতে ৭৫ বছৰ বয়সত স্বৰ্গী হল। আমাৰ উন্নতিৰ আকাঙ্ক্ষাত এখেতৰ সদায় আন্তৰিক সহানুভূতি আছিল। স্বৰ্গীয় আত্মাৰ সদ্গতি অৰ্থে আমি ঈশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাওঁ। আন আন কামৰ উপৰিও বঙলা সাহিত্যত এখেতে কেবাখনিও পুথি লিখি থৈ গৈছে। এটি উজ্জ্বল ৰত্নৰ অভাৱত বঙলা দেশৰ সঁচাকৈয়ে মহৎ হানি হ'ল।

## বনমালী দেৱ আৰু দামোদৰ দেৱ চৰিত

অসম সাহিত্য সভাৰ নৰদেৱ ট্ৰষ্ট্ ফণ্ডৰ পৰা প্ৰকাশিত এই পুথি দুখনি ছপা হৈ যোৱা আজি ভালেমান বছৰ হ'ল; এতিয়া সেই দুখন পুথিৰ বিষয়ে আসোঁৱাহ ধৰি নগাঁও শঙ্কৰ-সঙ্ঘ আৰু তেনে দুই এটি অনুষ্ঠানে কিছুমান আপত্তি উলিয়াইছে, আৰু বাতৰি-কাকতত সেই সম্পৰ্কে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱা আদি জনদিয়েক প্ৰবীন লেখকে লিখনী ধৰাও দেখা গৈছে। এই বিষয়ৰ অনুসন্ধানৰ বাবে সভাৰ পৰা এটি সমিতি গঠিত হৈছে। সেই সমিতি কি সিদ্ধান্তলৈ আহে পিছে-পৰেহে জনা যাব। গতিকে তাৰ আগলৈকে সেই বিষয়ে আমি কোনো মন্তব্য দিয়া সমীচীন নহব। সাহিত্য-সভাৰ বিশেষ অনুৰোধ সত্ত্বেও উক্ত সঙ্ঘ আদিয়ে তেওঁলোকৰ আপত্তিবোৰ নিৰ্দ্দিষ্ট কৰি দেখুৱাই দিয়া নাই, গতিকে স্বভাৱতে সভা অলপ বিমোৰত পৰিছে। কোনো এজনৰ চকুত যিটো আসোঁৱাহ জনক বা অসত্যমূলক যেন লাগিব, আন এজনৰ চকুত তেনে নালাগিবও পাৰে; সম্প্ৰদায়-সংক্ৰান্ত কথাবোৰৰ স্বভাৱেই এনে। এতিয়াও সকলোৱে সহযোগী হৈ চালি-জাৰি চাই আচল সত্য উদ্ধাৰ কৰিব লাগে—এয়ে আমাৰ বাঞ্ছা।

## অসমীয়া বৰ্ণ-বিন্যাসৰ এফেৰি আসোঁৱাহ

এই সংখ্যাতে দুজন সাহিত্যিকৰ দুখান অভিভাষণত "ডাঙৰ" "ডাঙ্গৰ" "বঙলা" "বঙ্গলা" এই নিচিনা শব্দবোৰ দুই দৰেই ছাপা কৰিবলৈ বাধ্য হৈছোঁ। ত্ৰয়োদশ সম্মিলনৰ সভাপতিৰ অভিভাষণত উল্লেখ কৰা মতে আৰু চতুৰ্দ্দশ সম্মিলনৰ সভাপতিয়ে লিখা দৰে ইংৰাজী sh ৰ ঠাইত শ্ব, শ্য, বা (শেৰত হলে) : শ ছপোৱা হৈছে—যেনে আইৰিঃশ ; আৰু বিশেষকৈ "বাঁহী" কাকতত কুৰি বছৰৰো ওপৰ কাল এই প্ৰথা চলিছে; যদিও অনেকে তালৈ মন নকৰিব পাৰে, আৰু তেনে ঠাইত চ বা ছ (কাপৰ আগত যি আছে?) দি লেঠা সাৰিছে। সেই দৰে "পিচ," "পিছ," "বেচি," "বেছি," এই বোৰৰো লেঠা নিছিগিল। কেতিয়া ছিগিব, কেনেকৈ ছিগিব আৰু কোনে ছিঙিব—কোনোবাই কব পাৰিবনে?

# অসম সাহিত্য সভাৰ চতুৰ্দ্দশ সম্মিলনৰ আদৰণী সমিতিৰ সভাপতিৰ অভিভাষণ

শ্ৰীযুক্ত সৰ্ব্বেশ্বৰ বৰুৱা, বি-এল, এম-এল-চি

স্বাগতম্

স্বস্তি ন ইন্দ্ৰো বৃদ্ধশ্ৰবাঃ
স্বস্তি নঃ পূষা বিশ্ববেদাঃ।
স্বস্তি ন স্তাৰ্ক্ষো অৰিষ্টনেমিঃ
স্বস্তি নো বৃহস্পতি দধাতু॥

মাতৃভাষাৰ সেৱক-সেৱিকাসকল আৰু দৰ্শকমণ্ডলী,

উত্তৰ লক্ষীমপুৰীয়া ৰাইজৰ হৈ আৰু বিশেষকৈ তেওঁলোকৰ ভিতৰতে গঠিত অভ্যৰ্থনা সমিতিৰ হৈ মই আপোনাসকলক নতশিৰে ওলগ জনাইছোঁ। আমাৰ এই দুৰ্গম আওহতীয়া ঠাইলৈ অতখিনি পথশ্ৰম আৰু কষ্টস্বীকাৰ কৰি আহোঁতে আপোনাসকলৰ যি দুখ-ভাগৰ লাগিছে তাক আঁতৰাবৰ জোখাৰে অভ্যৰ্থনাৰ বা সেৱা শুশ্ৰূষাৰ মধুপৰ্ক এভাগিৰ যোগাৰো আমাৰ নাই। আমি অতি নিছলা, অতি নিঃসম্বল, অতি পিচপৰা। অসমৰ উন্নত আৰু সমৃদ্ধ চহৰবিলাকৰ পৰা অহা লক্ষ্মী-সৰস্বতীৰ পুত্ৰ হেন আপোনাসৱক আহ্বান কৰি আনি উপযুক্তভাৱে আলপৈচান ধৰিবৰ শক্তি আৰু যোগ্যতা আমাৰ ক'ত? আগবঢ়াবলৈ আছে আমাৰ মাথোন এটি আশাশুধীয়া আন্তৰিক আহ্বান আৰু একাষাৰ নিভাঁজ সৰল সম্ভাষণ। তাৰ উপৰি আছে আপোনাসকলৰ বহল হৃদয়ৰ উদাৰতা আৰু মহানুভৱতাৰ ওপৰত আস্থা। ইয়াকে চাই আপোনাসকলে আমাৰ শত সহস্ৰ ত্ৰুটিকো মাৰ্জ্জনা কৰি নিজ গুণে এই নিঃকিন আহ্বানকে গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰিব, এই ভৰসাকে সম্বল লৈহে এই শুভকাৰ্য্যত আগবাঢ়িছোঁ।

আমাৰ ৰাইজে যেতিয়া ১৯৩০ চনৰ আৰম্ভতে অসম সাহিত্য সম্মিলন লক্ষীমপুৰলৈ নিমন্ত্ৰণ কৰিবলৈ সঙ্কল্প বান্ধে, তেতিয়াৰ অৱস্থা আজিতকৈ বহুত বেলেগ আছিল। তেতিয়া আজিৰ এই আৰ্থিক অনাটনৰ ভীষণ মৰুভূমিহে নালাগে তাৰ দূৰ-দূৰণিৰ ৰিণিকি-ৰিণিকি দৃশ্যও আমাৰ দৃষ্টি-পটত পৰা নাছিল। কিন্তু কি হব! বোলে "দৰিদ্ৰ লঙ্কালৈ যায়, সাগৰ শুকায়, মাণিক লুকায়।" আমি সঙ্কল্প বন্ধাৰ পিচৰ পৰাই দুখীয়া ৰাইজৰ অৱস্থা দিনক দিনে পৰি আহিল। দেশৰ টকা-কড়ি কেনিবা হৰিল। আমি কোন কুটা? আমাতকৈ অনেকখিনি চহকী, টনকিয়াল আৰু আগবঢ়া শিৱসাগৰেও নিৰ্দ্ধাৰিত ১৯৩০ চনৰ বৰদিনত সম্মিলন পাতিব নোৱাৰি এবছৰ সময় বঢ়াই লব লগা হল। দেশৰ আৰ্থিক দুৰৱস্থা ইবছৰতকৈ সিবছৰ বাঢ়ি যোৱা হেতুকে উত্তৰ লক্ষীমপুৰে সম্মিলন পাতিব লগীয়া ১৯৩২ চনত ৰাইজৰ দুৰ্গতি দেখি আমাৰ সম্মিলন পাতিবলৈ সাহ নুপজিল। আমি শিৱসাগৰতকৈয়ো

ডাঙৰ অথন্তৰত পৰাৰ দৰে বিমোৰ হৈ অৱস্থাৰ পৰিবৰ্ত্তন প্ৰত্যাশা কৰি এবছৰ সময় খুজি লওঁ। কিন্তু ভাগ্যৰ চকৰি আৰু নুঘূৰিল। তথাপি এনেয়ে ছখীয়া, তাতে সাময়িক অৰ্থাভাৱে ককাল ভঙা অৱস্থাৰেই লক্ষীমপুৰীয়া ৰাইজে খুজি লোৱা দ্বিতীয় বছৰটোৰ ভিতৰতে বিস্তৰ প্ৰয়ত্নেৰে আজি সম্মিলনৰ এই যৎসামান্য আভাস পাতি আপোনা-সকলক যে গোটাব পাৰিছে সেয়ে তেওঁলোকৰ পৰম সৌভাগ্য। এনেখিনি দৈবিক আৰু এৰাব নোৱাৰা কাৰণত সম্মিলন পতাত যি পলম ঘটিল তাৰ বাবে কৃতাঞ্জলি হৈ সাহিত্য সভাৰ সমজুৱা আৰু প্ৰতিনিধিবৰ্গৰ ওচৰত আমি ক্ষমা মাগিছোঁ।

আমাৰ লক্ষীমপুৰীয়া ৰাইজৰ আজি পৰম সৌভাগ্য আৰু আনন্দৰ দিন। লক্ষীমপুৰত প্ৰথমে আজি-য়েই এখন উল্লেখযোগ্য প্ৰাদেশিক সম্মিলন বহিছে। আজি এই আওহতীয়া আৰু উপেক্ষিত লক্ষীম-পুৰত মাতৃৰ কৃতী সন্তানসকল আৰু অসমীয়া সাহিত্য-সেৱী সুধীসকল গোট খাই মাতৃভাষাৰ সেৱাৰ যজ্ঞ পাতিছে। সেই যজ্ঞৰ হোতা স্বৰূপে অসমীয়া সাহিত্যৰ ঋষি স্বৰ্গীয় গুণাভিৰামৰ অমায়িক সুপুত্ৰ জ্ঞানদাভিৰামক অসমীয়া সাহিত্যানুৰাগীসকলে বৰণ কৰিছে। তাৰ লগে লগে আজি পুৱা লক্ষীমপুৰৰ গৌৰৱ-মণি অসম ভূমিৰ এজন সুসন্তান সাহিত্যৰথী পদ্মনাথক অসম সাহিত্য সভাই মহোৎ-সৱ সহকাৰে অভিনন্দন-পত্ৰ দি সন্মানিত কৰিলে। ই লক্ষীমপুৰৰ ইতিহাসত নিশ্চয় এক অভিনৱ গৌৰৱ আৰু হৰিষৰ দিন। আজি আমি বহুত দিনৰ মূৰত শুৱনী সোৱণশিৰি নৈৰ দাতিৰ মনোৰম দৃশ্যত পূৰ্ণিমাৰ পোহৰ পেলাই চেনেহী "মিৰি-জীয়ৰী"ক জনম-দিওঁতা ৰজনীকান্তক তেওঁৰ ঔপন্যাসিক প্ৰতিভাৰ প্ৰাণ-প্ৰতিষ্ঠাৰ তীৰ্থ-ক্ষেত্ৰত আকৌ লগ পাইছোঁ। বেণুৰ মিহি সুৰৰ দৰে সুৰদি কবিতাৰে অসমীয়া জাতিৰ জাগৰণৰ নিমিত্তে আজীৱন যত্ন কৰোঁতা বেণুধৰ, অসম সাহিত্য সভাৰ ঘাই ধৰ্ম্মী ৰাধাকান্ত, অসম মহিলা সমিতিৰ শুৰি-ধৰোঁতা নাৰায়ণী সন্দিকৈ আৰু ৰত্নকুমাৰী ৰাজখোৱা আছি আমাৰ মাজত। অসমীয়া সাহিত্য-ক্ষেত্ৰত নাম জ্বলা নাট্যকবি চন্দ্ৰধৰ আৰু গল্প-সাহিত্য লিখক মহীচন্দ্ৰক আৰু উদ্দিয়মান কবি পদ্মধৰ আৰু ডিম্বেশ্বৰক হাততে পাই আজি আমি বিমল আনন্দ অনুভৱ কৰিছোঁ। স্বদেশপ্ৰিয় কুলধৰ, বাগ্মীবৰ "উজনিৰ ফুকন" আৰু প্ৰত্নতত্ত্ববিদ কটকীদেৱে আমাৰ আৰু তিনটি সুকীয়া সুকীয়া যজ্ঞৰ পুৰোহিত স্বৰূপে আহি আমাৰ এই মহোৎসৱৰ আনন্দ বঢ়াইছেহি। এওঁলোকৰ উপৰি আজি বুৰঞ্জীবিদ বেণুধৰ আৰু শিশু সাহিত্য-ৰচক মহাদেৱ, এই সুলিখক শৰ্ম্মা-যুগল আৰু বাংচালী গীত-ৰচোঁতা মিত্ৰদেৱ মহন্তকে আদি কৰি আনো বহুত আমাৰ হেঁপাহৰ বন্ধু-বান্ধৱ আহি আমাক আনন্দ দিছেহি। এনে দিনত যে লক্ষীমপুৰীয়া ৰাইজ এই অভাৱ অনাটনৰ মাজতো আনন্দত উৎফুল্লিত হব, তাৰ কবৰ সকাম নাই।

এতিয়া আপোনালোকক চলিত প্ৰথা অনুযায়ী লক্ষীমপুৰৰ আঁতি-গুৰি আৰু বিৱৰণ সম্পৰ্কে দুই-চাৰিআষাৰ কথা শুনাবৰ সকাম আছিল। কিন্তু এই অভাজনৰ বিদ্যা-বুদ্ধিৰ নাটনিত আপোনা-সকলৰ সেই আশা পূৰ হবৰ আশা নাই। তথাপি জনা-নজনাকৈ নিজে যিখিনি শুনিছোঁ দেখিছোঁ আৰু বুজিছোঁ তাকে চমুকৈ কওঁ। ভুল-ভ্ৰান্তি হলেও আপোনাসকলৰ অসীম ক্ষমাৰ পাত্ৰ হবৰ ভাৰসা আছেই।

কোনোবা কাহানি এদিন এই ঠায়ে ঐশ্বৰ্য্য-বিভূতিৰ পৰাকাষ্ঠা লাভ কৰি "লক্ষীমপুৰ" অৰ্থাৎ "সমৃদ্ধিৰ চহৰ" নাম পাইছিল। কিন্তু এতিয়া সেই দিন অতীতৰ অটল পাহৰণিৰ গৰ্ভত! কালৰ কৰাল গতিত ইয়াৰ সেই অতুল সৌভাগ্যৰ আজি চিন-চাবো নাইকিয়াত পৰিছে। আপোনাসকলক আজি দ্বিতল, ত্ৰিতল অট্টালিকাত থৈ আলহী সোধা দূৰৰ কথা, এটি দেখনিয়াৰ ঘৰ বা এখনি চকুত লগা উদ্যান দেখুৱাই আপোনাসকলৰ মনোৰঞ্জন কৰিবৰ সুচলো আমাৰ নাই। কিন্তু অতীতৰ লক্ষীমপুৰ যে আজিৰ নিচিনা দীন-হীন অৱস্থাত নাছিল তাৰ প্ৰমাণ দুই এক প্ৰাচীন কীৰ্ত্তিৰ ভগ্নাৱ-শেষে আজিও ঘোষণা কৰিছে। প্ৰকৃত বুৰঞ্জীমূলক কালৰ আগৰ দিনৰ হাৰমতী কুঁৱৰীৰ নগৰৰ ধ্বংসা-ৱশেষৰ চিন হাৰমতী বাগিচাৰ ওচৰত আজিও দেখিবলৈ পোৱা হয়। হাৰমতী কুঁৱৰীৰ লগত প্ৰতাপপুৰৰ ৰজাৰ প্ৰণয়-কাহিনী আৰু সেই প্ৰণয়ৰ ফলত জন্ম হোৱা বিখ্যাত আৰিমত্ত ৰজাৰ দিগ্বিজয় যাত্ৰাত অচিনাকি পুত্ৰৰ হাতত পিতাকৰ মৃত্যুৰ ৰোমাঞ্চকৰ আখ্যান ইয়াৰ বুঢ়ালোকৰ মুখত অলপ দিনৰ আগলৈকে শুনা গৈছিল। এই হাৰমতী নগৰতে প্ৰতাপপুৰীয়া ৰজাৰ লগত হাৰমতী কুঁৱৰীৰ মিলন হৈছিল আৰু এয়ে আমাৰ প্ৰাগৈতিহাসিক ৰজা আৰিমত্তৰ জন্মস্থান। কোনোবা অসমীয়া টেনিছনৰ কাপৰ মুখেদি *Idyles of the King* অৰ নিচিনা আপুৰুগীয়া গ্ৰন্থৰাজি হৈ ওলাবলৈ এই হাৰমতী চহৰত সংঘটিত আখ্যান কেইটিয়ে বাট চাই আছে।

হাৰমতী নগৰৰ পশ্চিমে এদিন কি দেৱ দিনৰ বাটত ৰবপানী নৈৰ কাষত এটা ইটা আৰু শিলেৰে বন্ধা কোঠ আছে বুলি শুনা যায়। এই কোঠৰ শিলৰ বেৰ এতিয়াও ঠিয় দি আছে। আন এটা শিলৰ কাৰুকাৰ্য্যময় পুৰণি কীৰ্ত্তিৰ চিন দেখা যায় ছিছি মৌজাৰ উত্তৰে ৰাজগড়ৰ সিপাৰে ঘগৰা নৈৰ কাষত। মানুহে তাক মালিনী গোঁসানীৰ থান বুলি এতিয়াও তাত থকা দশভূজা দুৰ্গা-মূৰ্ত্তিৰ ওচৰত পূজা-পাতল দিয়েগৈ।* মূৰ্ত্তিখন শিলত কটা, ২॥ হাত মান ওখ হব। ওচৰতে প্ৰায় ৩॥ হাত ওখ এটি শিলৰ শিৱলিঙ্গ আছে। পুৰণি শিলৰ মন্দিৰৰ ভগা স্তম্ভ আদিৰ ধ্বংসাৱশেষ তাত পৰি আছে। ইয়াৰ বাহিৰে পুৰণি কালত ইয়াত আৰু অনেক নগৰ, মঠ-মন্দিৰ দেৱালয় আদি থকা বুলি অনুমান হয়। কিন্তু উত্তৰ পাৰৰ এই অংশ নৈয়ে ভঙা ঠাই, মাটিও নিচেই কোমল আৰু বালিচহীয়া, নৈবিলাকো সৰহ। গতিকে পুৰণি কীৰ্ত্তিৰ চিনবিলাক অতি সহজে নৈয়ে খহাই পুতি পেলোৱা সহজ। কেৱল পৰ্ব্বতৰ কাষৰ তেজপুৰ, হাৰমতী, মালিনীৰ থান আদি ঠাইতহে পুৰণি স্মৃতি-চিনবিলাক কিছুকাললৈ তিষ্ঠিব পাৰিছে। এইবিলাকৰ লগত উল্লেখ কৰিব লগীয়া পুৰণি কীৰ্ত্তিৰ আন এটা চিন ৰাজগড় আলি। এই প্ৰকাণ্ড সুদীৰ্ঘ আলি পোনতে কেতিয়া কোন ৰজাই তৈয়াৰ কৰিছিল তাৰ সঠিক তথ্য আজিলৈকে ওলোৱা নাই। কোনো-কোনোৱে কয় এই আলি ত্ৰেতাযুগতে শ্ৰীৰামচন্দ্ৰৰ ৰাজত্বত বন্ধোৱা আৰু এই বাটেদিয়েই দ্বাৰকাৰ শ্ৰীকৃষ্ণই সদিয়াৰ কুণ্ডিল নগৰৰ ৰুক্মিণী দেৱীক ৰথত তুলি হৰি নিছিল। সি যি নহওক, এইটো কথা ঠিক যে এই আলিটো আহোম ৰাজত্বত স্বৰ্গদেও

*ছিছি মৌজাৰ ওপৰে মালিনী থান। ঘগৰা নৈৰ পাৰত Inner line পাৰ হৈ যাব লাগে। এটা প্ৰাচীন শিলৰ ঘৰৰ ভগ্নাৱশেষৰে সৈতে প্ৰায় ৩॥ হাত ওখ শিৱলিঙ্গৰ সৈতে সিংহবাহিনী দশভূজা দুৰ্গামূৰ্ত্তি। এই ঠাইৰ পিছত আহি ছিছি নৈ হৈছে। ছিছি কলঘৰৰ পৰা কমেও ২৪।২৫ মাইল উজনিত।

স্বৰ্গনাৰায়ণৰ দিনত মোমাই তামুলি বৰবৰুৱাই অঁকা, ডফলা আদিৰ উপদ্ৰৱৰ পৰা দেশ ৰক্ষা কৰিবৰ কাৰণে উত্তৰ কাষেদি দ গড়খাৱৈ দি ওখ ডাঙৰকৈ এটা গড়স্বৰূপে পুনৰ্নিৰ্ম্মাণ কৰি ৰাজগড় নাম দিছিল। ৰজাৰ দিনত এই গড়ৰ ওপৰত ঠায়ে ঠায়ে বৰটোপ পতা আছিল বুলি গেইট চাহাবৰ বুৰঞ্জীত উল্লেখ আছে। উত্তৰ লক্ষীমপুৰ মহকুমাৰ উত্তৰ সীমাত প্ৰায় সকলো ঠাইতে এই গড়টো দেখা যায়। কোনো কোনো ঠাইত ই এতিয়াও ৩০।৪০ ফুট ওখ হৈ আছে। আহোম ৰাজত্বৰ কালত আন এটা যুগমীয়া কীৰ্ত্তিৰ চিন মাঘনোৱাৰ ফুলবাৰী দেৱালয়ত সজা গগনভেদী পকী দৌলে এই ঠাইৰ প্ৰাচীনত্ব ঘোষণা কৰিব লাগিছে। এই দৌল পুৰণি পিছলা নৈৰ কাষত মাঘনোৱা বিলৰ পাৰত অৱস্থিত। ইয়াত পূৰ্ব্বে এতিয়া কলাবাৰীত থকা বৰ কালিকা গোঁসানীৰ মূৰ্ত্তি আছিল আৰু আগৰ দিনত এই ঠাই দেৱী পূজাৰ নিমিত্তে প্ৰসিদ্ধ আছিল। যোগিনী তন্ত্ৰতো এই পিছলা নৈৰ উল্লেখ আছে।† অসমৰ বিভিন্ন ঠাইত প্ৰচলিত আইনামবিলাক যে যাইকৈ এই ঠাইতে ৰচিত হৈছিল, তাক সেইবিলাকত পিছলা নৈ আৰু ফুলবাৰী নগৰ আৰু দেওঘৰৰ উল্লেখৰ পৰাই বুজা যায়। মাঘনোৱাৰ পূবে দিক্ৰং নৈ আৰু তাৰ পাৰতো পুৰণিকালত দিক্কৰবাসিনী বা চণ্ডীৰ দেৱালয় আছিল বুলি কালিকাপুৰাণত লিখা আছে। এতিয়া এই দেৱালয়ৰ চিন দেখা নাযায় যদিও আগৰ কালত যে তাত মঠ-মন্দিৰ আছিল তাত সন্দেহ নাই। ইয়াৰ বাহিৰে বৰদলনীৰ ওচৰত হাবিৰ মাজত ঘুঘুৰা দৌল নামে আৰু এটি ইটাৰ পকা দৌল আছে।§ দিং আহোম ৰাজত্বৰ দিনত এজনা কুঁৱৰীয়ে সজোৱা বুলি শুনা যায়। ওচৰতে কুঁৱৰী বিল বুলি এখন বিলো আছে। ওপৰত উল্লুকিওৱা দৰে কালিকা-পুৰাণ আৰু যোগিনীতন্ত্ৰ আদি প্ৰাচীন গ্ৰন্থত এই ঠাইৰ পিছলা, দিক্ৰং, সোমদিৰী (স্বৰ্ণদী) আৰু সোৱণশিৰি (সুৱৰ্ণশ্ৰী) আদি নৈৰ নামোল্লেখেও এই ঠাইক প্ৰাচীন পুণ্যক্ষেত্ৰ বুলি প্ৰমাণ কৰিছে। কোঁচ ৰাজত্বৰ সময়ত মহাৰাজ নৰণাৰায়ণে নাৰায়ণপুৰলৈকে ৰাজ্য বিস্তাৰ কৰি ভায়েক গোঁহাইকমলাৰ হতুৱা বন্ধোৱা আলিৰ অৱশিষ্ট কোনো কোনো ঠাইত এতিয়াও দেখা যায়। তাৰ উপৰিও নাহৰ পুখুৰী, জেঠী পুখুৰী, বহচলা পুখুৰী, ৰাধা পুখুৰী, কন্দলী পুখুৰী, বৰপুখুৰী আদি অসংখ্য পুৰণি পুখুৰী; নাহৰণী থান, বাহুলা আতাৰ থান, সত্ৰাহি থান, বাসুদেৱ থান, (১) ভাটোকুচি থান, আদি অনেক পৱিত্ৰ ঠাই,

†"পিচ্ছিলা বা দক্ষিণতো গৌতমসং মহাফলা"
পিচ্ছিলায়াং ত্ৰিবিক্ৰম"—যোগিনী তন্ত্ৰ
"পিছলাৰে ঘাটে আয়ে স্নান কৰে
• • •
পিছলাৰে ঘাটে আয়ে পানী তোলে
• • •
পিছলাৰে পানী আনাইলে ভৱানী
ফুলবাৰী দেওঘৰৰ বাটে এ"
• • •
"বৰ আই পাচিছে সৰু আই আহিছে
ফুলবাৰী নগৰৰ পৰা এ"। ইত্যাদি

§ ধেমাজী মৌজাত বৰদলনীৰ পৰা ২ মাইল মান দূৰত এটি সৰু পকী দ'ল আছে। তাক ঘুঘুৰা দ'ল বোলে। বিগ্ৰহ এতিয়া নাই, ওচৰত কুঁৱৰী বিল নামে বিল এখন আছে। এই মৌজাতে মণিপুৰীয়া গোঁসানীৰ থান নামে আৰু এখন থান আছে।

(১) বাসুদেৱ থান:—৮দেৱ লক্ষ্মীসিংহৰ দিনত মহাপুৰুষ শঙ্কৰদেৱৰ পৰিনাতি চতুৰ্ভুজদেৱৰ নাতি বনমালী দেৱৰ সমাধি স্থান।

বাসুদেৱৰ মূৰ্ত্তি কৰকালৰ পৰা ওলাই থকা যেন ৩। হাত মান ওখ হৈ আছে।



পঞ্চানন, বৈঠাৰতী, মুঢ়া-ভগা, হাহি, নীল, মণিপুৰী আদি অনেক প্ৰাচীন দেৱালয় এই মহকুমাত পুৰণি কালৰে পৰা আছে। ইয়াৰে নাৰায়ণপুৰত অসমৰ এগৰাকি প্ৰধান ধৰ্ম্মপ্ৰৱৰ্ত্তক হৰিদেৱৰ আবিৰ্ভাৱ আৰু নাহৰণী থানত মোৱামৰীয়া পন্থৰ প্ৰতিষ্ঠাতা অনিৰুদ্ধ দেৱৰ আৰু বহুলা থানত মহাপুৰুষীয়া বহুলা আতাৰ তিৰোভাৱ হয়। নাৰায়ণপুৰৰে আউনীবৰী নামে ঠাইত আউনিআটীৰ কেশৱদেৱ নামে অধিকাৰৰ দিনত আউনিআটী সত্ৰ পাতিছিল; তাৰ চিন-চাব এতিয়াও দেখা যায়। ইয়াত মাহৰা, ঘাৰমৰা, সত্ৰাহী আদি কেইবাখনো পুৰণি সত্ৰ এতিয়াও আছে।

বিখ্যাত বাৰভূঞাসকলৰ শান্তপুৰ কৈদে ইয়াত ৰাজত্ব কৰোঁতেই মহাপুৰুষ শঙ্কৰদেৱৰ বুঢ়ীমাক লক্ষ্মীৰাণীৰ নামানুসাৰে এই চহৰৰ নাম লক্ষীমপুৰ দিয়া হৈছিল বুলিও এটা কিংবদন্তী আছে। এই মহকুমাৰ দিক্ৰং আৰু পিছলা নৈৰ দাতিতে এদিন কোঁচ আৰু আহোম ৰাজশক্তিৰ সামৰিক শক্তিৰ পৰীক্ষা হৈছিল। ইয়াতে আহোম সেনাৰ হাতত কোঁচ সৈন্য কোঁঠৰ ভিতৰত অৱৰুদ্ধ হৈ থাকোঁতে ঘোৰাৰ মাংস খাই প্ৰাণ ধাৰণ কৰিবলগীয়া হৈছিল, আৰু ইয়াতে এজন আহোম সেনাপতি এদিন তয়ামৰা ৰণত ঘাটি অসমীয়া নেপোলীয়ন চিলাৰায়ৰ হাতত বন্দী হৈ গৈছিল। এই ঠাইৰে ডগৰাকী আহোম কুঁৱৰী স্বৰ্গদেও চুখামফাৰ পাটমাদৈ হৈ নাহৰ কোঁৱৰক তুলি নাহৰ পুখুৰী আৰু জেঠী পুখুৰী খনাই চিন ৰাখিছিল। আহোম ৰাজদৰবাৰৰ বিচক্ষণ কটকীসকলৰ ভিতৰত এই অঞ্চলৰ নাৰায়ণপুৰৰ থাকৰি মহাদেৱ ঘৰীয়া একাদহ আৰু বানফঙীয়া ৰত্ন কন্দলীৰ নাম পোৱা যায়। একাদহৰ দলনী এতিয়াও ধলপুৰ মৌজাত আছে। পুৰণি বানফাং মৌজাৰ বিহপুৰীয়াৰ ওচৰত এতিয়াও কন্দলী পুখুৰী নামে এটা ডাঙৰ পুখুৰী আছে। এই লক্ষীমপুৰৰ ওচৰৰে তামোলবাৰীৰ কলিতা ফুকনে কেচামাটি পৰ্ব্বতত কোঠ সাজি স্বৰ্গদেও লক্ষ্মীসিংহৰ ৰাজত্ব কালত বিদ্ৰোহ আচৰিছিল, আৰু ইয়াৰে বাচকটা নামে ঠাইত কোঠ দি পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ডাঙৰীয়াই বিদ্ৰোহী বৰ সেনাপতিক যুদ্ধত বধ কৰেহি। এই লক্ষীম-পুৰৰ ওচৰতে মানৰ দিনত হাওবৰা নামে এজন বীৰ অসমীয়াৰ নেতৃত্বত এই অঞ্চলৰ এদল সাহিয়াল ডেকা গোটখাই ধ্বংসকাৰী মান সেনাক উত্তৰ পাৰে ঘটুৱাই ৰাইজৰ ধন-প্ৰাণ ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। এই মহকুমাৰ ডিক্ৰং, সোমদিৰী আৰু সোৱণশিৰি নৈত সোণ কমোৱা হৈছিল। ইয়াৰ উপৰি চামপৰা, ধল, ঘাগৰ, পাভ, ঔৱা, কাছিকটা, পিছলা আদি নৈৰ উল্লেখ বুৰঞ্জী আৰু চৰিত পুথিতো পোৱা যায়।

ৰজাঘৰীয়া বুৰঞ্জীৰ উপৰি সাহিত্যৰ বুৰঞ্জীতো লক্ষীমপুৰৰ যথোচিত ঠাই আছে। পুৰণি অসমীয়া সাহিত্যৰ এক অপৰিহাৰ্য্য অঙ্গ আইনামবিলাকৰ অনেকখিনিৰ যে এই মহকুমাৰ পিছলা নৈৰ পাৰতে জন্মস্থান তাক ওপৰত উল্লুকিওৱা হৈছে। মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান বাণ্ডুকা নাৰায়ণপুৰৰ ওচৰতে বুলি কোনো কোনো পণ্ডিতে অনুমান কৰে। সেয়ে হলে সেইজনা মহাপুৰুষৰ অসমীয়া সাহিত্যলৈ অতুলনীয় দানৰ গৌৰৱ লক্ষীমপুৰীয়া ৰাইজেও অনুভৱ কৰিব পাৰে। এইটো দাবি এতিয়াও আমি সম্পূৰ্ণৰূপে ৰজাব পৰা হোৱা নাই যদিও আহোমকুলতিলক মহাৰাজ ৰুদ্ৰ-সিংহ স্বৰ্গদেওৰ সভাৰ ৰাজকবি ৰুচিনাথ মিশ্ৰ কন্দলী যে এই মহকুমাৰ নাৰায়ণপুৰৰ মানুহ তাক তেওঁ চণ্ডীৰ ভণিতাত নিজে বৰ্ণাই গৈছে। শঙ্কৰী যুগৰ আন লক্ষীমপুৰীয়া কবিসকলৰ নাম-ধাম

আৰু প্ৰকাশ পোৱা নাই যদিও মাধৱদেৱ, হৰিদেৱ আৰু ৰুচিনাথ কন্দলীৰ জন্মস্থান যে সেই যুগত সাহিত্যচৰ্চ্চাত পিচপৰা ঠাই নাছিল সেইটো ঠাৱৰ।

অসমীয়া সাহিত্যৰ বৰ্ত্তমান পুনৰুত্থানৰ দিনতো তাক বঙলা ভাষাৰ কবলৰ পৰা ৰক্ষা কৰি টনকিয়াল কৰোতাসকলৰ ভিতৰত লক্ষীমপুৰৰ স্বৰ্গীয় পাণীন্দ্ৰনাথ গগৈৰ আৰু ৰায় বাহাদুৰ পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ নাম লেখত ল'বলগীয়া। পাণীন্দ্ৰনাথৰ "জাতীয় প্ৰেম" আৰু "লৰা-শিক্ষা" অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পত্তি আৰু তেখেতে শ্ৰীযুত গোহাঁই বৰুৱা ডাঙৰীয়াৰ লগত সহযোগীভাৱে বাচকবনীয়া প্ৰবন্ধ গোটাই সঙ্কলন কৰা সাহিত্য-সংগ্ৰহ অসমীয়া সাহিত্যৰ সৰ্ব্বপ্ৰথম ওখ থাপৰ পাঠ্য পুথি। ৰায় বাহাদুৰ গোহাঁই বৰুৱা ডাঙৰীয়াৰ আজীৱন সাহিত্য-সাধনাৰ গুণত অসমীয়া সাহিত্যৰ পুথিভঁৰাল কিমানখিনি চহকী হৈছে তাক জনাই উক্তি কৰিবৰ সকাম নাই। অসমীয়া সাহিত্য-ক্ষেত্ৰত তেখেতৰ যি স্থান তাক তেখেতৰ সাহিত্য পেঞ্চনৰ উপৰি আজিৰ অসম সাহিত্য সভাই দিয়া অভিনন্দনেই সুন্দৰৰূপে নিৰ্দ্দেশ কৰিছে। মুঠতে আমাৰ লক্ষীমপুৰে বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্য-ক্ষেত্ৰত স্বৰ্গীয় পাণীন্দ্ৰনাথ গগৈ আৰু ৰায়বাহাদুৰ গোহাঁই বৰুৱা, এই দুগৰাকী সাহিত্য-ৰথীৰ উপৰি আৰু আন কোনো সাহিত্যসেৱী নমাৰ নোৱৰা হলেও লক্ষীমপুৰৰ গৌৰৱ অক্ষুণ্ণ হৈ ৰলহেতেন। কিন্তু তেখেত দুগৰাকীৰ বাহিৰেও বৰ্ত্তমান যুগত যি গৰাকী প্ৰধান সাহিত্যৰথীয়ে মাতৃভাষাৰ মুখ সমুজ্জ্বল কৰি ৰাখিছে সেই শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা ডাঙৰীয়াৰ ল'ৰালি কালৰ এছোৱা এই লক্ষীমপুৰতে অতিবাহিত হোৱা গতিকে তেখেতৰো ভাব, ভাষা আৰু অভিজ্ঞতাৰ বিপুল সম্পদৰ যে ভালকৈয়ে এইছা এই লক্ষীমপুৰে যোগোৱা তাত সন্দেহ নাই। অসমীয়া সাহিত্যৰ এটি অতুল সম্পত্তি নিৰ্ভেজ স্বাভাৱিক চিত্ৰৰ উপাখ্যান "মিৰিজীয়ৰী" লক্ষীমপুৰৰ সমলেৰে লক্ষীমপুৰতে লিখি অসমীয়া নমিচন্দ্ৰ বৰদলৈ ডাঙৰীয়াই তেখেতৰ ঔপন্যাসিক প্ৰতিভাৰ চিনাকি দিয়ে। এইসকল প্ৰধান সাহিত্যিকৰ পিচতো লক্ষীমপুৰীয়া ডেকা সাহিত্যিক জুঠাকৈ থকা নাই। শ্ৰীযুত নীলকণ্ঠ গোহাঁই বৰুৱা সম্পাদিত "কবিতালতা", শ্ৰীযুত কনকনাথ গগৈদেৱৰ নানা সাহিত্যৰচনা, শ্ৰীযুত ৰোহিতাৰ দত্তৰ নানা সাহিত্যপুথি আৰু সৰ্ব্বশেষত আমাৰ সিদিনা চকুলো টোকাই যোৱা মহম্মদ চাৰিৰ ছুচেইনৰ "জননী" নামে আলোচনীৰ উপৰি অসংখ্য কবিতা আৰু গল্প আদি ৰচনা অসমীয়া সাহিত্য-ভঁৰালৰ বোধকৰো একেবাৰে দলিয়াই পেলাব লগীয়া দান নহয় বুলি সকলোৱে স্বীকাৰ কৰিব। আজিকালি যদিও আমাৰ মাজত সাহিত্য-চৰ্চ্চাৰ কিবা জড়তা বা অল্পসতা আহি পৰিছে সিও আজিৰ এই মহাযজ্ঞৰ সুফলত আৰু আপোনা সকলৰ নিচিনা সাহিত্য-ব্ৰতী সাধকসকলৰ সংস্পৰ্শত দূৰ হৈ পুনৰ লক্ষীমপুৰৰ সাহিত্য প্ৰতিভা উদ্দীপিত হৈ উঠিব বুলি আশা কৰোঁ।

আমাৰ সন্মিলনৰ পূৰ্ব্ববৰ্ত্তী অভ্যৰ্থনা সমিতিৰ সভাপতিসকলৰ দ্বাৰা প্ৰদৰ্শিত পন্থা অনুসৰণ কৰিব লাগিলে আমাৰ সাহিত্যৰ বৰ্ত্তমান অৱস্থা আৰু গতি সম্পৰ্কে দুই চাৰি মন্তব্য প্ৰকাশ কৰাও মোৰ কৰ্ত্তব্যৰ ভিতৰত পৰিছে। কিন্তু এই অভাজনৰ তেনে যোগ্যতা সমূলি নাই। তথাপি নিজৰ টিমিক-টামাক জোনাকে যিমানখিনি বুজিব পাৰিছোঁ। তাকে এযাৰ আপোনাসকলৰ ওচৰত নিবেদিব খুজিছোঁ।



আজি জগতৰ চৌদিশে যি এটা নৱ জাগৰণৰ ঢৌ বিৰিঙি উঠিছে, যি এটা নতুন আশা, নতুন উদ্যম আৰু নতুন আগ্ৰহত আজি সকলো দেশতে উখলমাখল লাগিছে, যি অপূৰ্ব্ব প্ৰেৰণাত আজি ইউৰোপ আৰু এচিয়াৰ সভা জাতিবিলাকৰ যুৱক শক্তি অনুপ্ৰাণিত হৈ অদম্য উৎসাহেৰে ৰাজনীতি আৰু সমাজনীতি ক্ষেত্ৰত অঘটন ঘটাব ধৰিছে, সেই নতুন আদৰ্শৰ জিলিকনি ৰিনিকি ৰিনিকি আমাৰ দেশতো পৰিছেহি; কিন্তু উপযুক্ত সাহিত্য-চৰ্চ্চাৰ অভাৱত আমাৰ দেশত তাৰ সমুচিত বিকাশ দেখিবলৈ পোৱা নাই। সাহিত্যৰ জোঁৰ-বাতিৰ অভাৱত আমাৰ জাতীয় জীৱন আন জাতিৰ লগত এই মহান যাত্ৰাত আগবাঢ়িব পৰা নাই। ফৰাচী জাতিৰ নৱজীৱনৰ সূচনা যেনেকৈ ৰুচ' আৰু ভল্টেয়াৰৰ ৰচনাতে প্ৰথমে হয়, ৰুচিয়াৰ বৰ্ত্তমান অভূতপূৰ্ব্ব জাতীয় জীৱনৰ ফেঁহুজালি যেনেকৈ কাউণ্ট টলষ্টয় আদি ৰুচ সাহিত্যিকসকলৰ কাপতে প্ৰথমে প্ৰতিফলিত হৈছিল, সেইদৰে আমাৰো জাতীয় জীৱনৰ উচিত গতি নিৰ্দ্দেশ কৰিবলৈ প্ৰথমে জাতীয় সাহিত্যৰ বিজুলী-বাতিৰ উজ্জ্বল পোহৰ লাগে। কিন্তু আমাৰ সেই বিজুলীবাতি এতিয়াও ভালকৈ জ্বলি উঠা নাই। ইউৰোপ, জাপান আৰু চীন আদি দেশৰ সাহিত্যই নিজ নিজ জাতিক যিদৰে, এই নৱযুগৰ নতুন বাট দেখুৱাই আগ বঢ়াই নিব লাগিছে তাৰ কথাকে নকওঁ, আজি ভাৰতৰ বঙলা, মাৰাঠী আৰু গুজৰাটী সাহিত্যয়ো সেইবিলাক প্ৰদেশৰ নৰ-নাৰীক এই নতুন যুগৰ নতুন আহ্বান অলপ অচৰপ শুনাইছে; কিন্তু অসমত এতিয়াও তাৰ ক্ষীণ স্বৰ কেতিয়াবা কৰবাতহে ৰিণি ৰিণি শুনা যায়। এই দোষ নিশ্চয় অসমীয়া ভাষাৰ নহয়, এই দোষ অসমীয়া ভাষাৰ শব্দ-সম্পদৰ নহয়। ষোড়শ শতিকাৰ ধৰ্ম্ম আৰু সমাজ সংস্কাৰৰ নৱজীৱন আগৌতে অসমীয়া নেতাসকলে এই অসমীয়া ভাষাৰ ভিতৰেদিয়েই অসমীয়া জাতিক সেই মহা আহ্বানৰ সম্পূৰ্ণ উচ্ছ্বাস দান কৰি আগবঢ়াই নিব পাৰিছিল। সেই দিনৰ জাতীয় উন্নতিৰ যাত্ৰাত অসমীয়া ভাৰতৰ আন কোনো জাতিতকৈ পিচ পৰি থকা নাছিল। সেই দেখি আজিৰ যাত্ৰাত যদি অসমীয়া পিচ পৰিছে অসমীয়াৰ সাহিত্য-চৰ্চ্চাৰ অভাৱত হে। বৰ্ত্তমান যুগত অসমীয়া কৃতবিদ্য লোকসকলৰ কেতবিনিয়ে সাহিত্য-চৰ্চ্চালৈ আওহেলা দেখুওৱাৰ এটা কাৰণ শুনা যায়—অসমীয়া পঢ়ুৱৈৰ সংখ্যা নিচেই তাকৰ, অসমীয়া মানুহ সৰহখিনি নিৰক্ষৰ, আৰু আখৰজনাখিনিৰো সৰহভাগ অসমীয়া লিখকৰ গ্ৰন্থাদিৰ প্ৰতি উদাসীন!" অসমীয়া জন সাধাৰণৰ ওপৰত আমাৰ সাহিত্যিকসকলে কৰা এই দোষাৰোপ অনেক পৰিমাণে অযথা যেন অনুমান হয়; কিয়নো অসমীয়াৰ পুৰণি সাহিত্যিকসকলে যেতিয়া ৰামায়ণ, মহাভাৰত, দশম, কীৰ্ত্তন, ঘোষা, ৰত্নাৱলী, স্যমন্তহৰণ, ভীমচৰিত, কাণখোৱা আদি পুথি ৰচনা কৰিছিল, তেতিয়াও বোধকৰোঁ এতিয়াতকৈ সৰহ লিখা-পঢ়া জনা মানুহ নাছিল। তদুপৰি ছাপাখানাৰ অভাৱ, তেতিয়াৰ লিখক আৰু পঢ়ুৱৈসকলৰ পক্ষে এটা ডাঙৰ অন্তৰায় আছিল। কিন্তু সেই কালৰ পুথি ৰচোঁতাসকলৰ ৰচনাই মানুহৰ চিত্ত এইদৰে আকৰ্ষণ কৰিব পাৰিছিল যে লিখা-পঢ়া জনা মানুহে সেইবিলাক ৰচনা হাতে লিখিয়েই জন-সাধাৰণৰ মাজত প্ৰচাৰ কৰিছিল, আৰু নিৰক্ষৰ সকলেও সেই পুথিবিলাকৰ পদ মুখে মুখে আওৰাই গাই ফুৰিছিল। আজিলৈকে এনে একোজন মানুহ পোৱা যায় যি কীৰ্ত্তন, মহাভাৰত আদিৰ একো অধ্যায় নাইবা স্যমন্তহৰণ, ভীমচৰিত্ৰ

একোখন গোটেই পুথিকে মুখস্থ কৰি ৰাখিছে। এতিয়া এনে এটা জাতিৰ যে সাহিত্যত ৰাপ নাই তাক কোনে কব? কিন্তু আজি ছপা যন্ত্ৰৰ সহায়ত সস্তা দামতে হাতে হাতে কিতাপ বিলাই দিব পৰা অৱস্থাতো যদি সেই জাতিৰ মানুহে আমাৰ ৰচনালৈ আওকাণ কৰিছে তেন্তে দোষ কৰবাত হে অসমীয়া ভাষাৰ বা অসমীয়া জন-সাধাৰণৰ গাত নহয়। প্ৰকৃত কথা এইহে যে আগৰ কালৰ সাহিত্যিকসকলে জাতীয় আদৰ্শ গঢ়োতে তাক যিদৰে জাতীয় সাজ-পাৰেৰে অসমীয়া ৰাইজৰ আপোন বস্তু কৰি তালৈ ৰাইজৰ প্ৰাণবিক ধাউতি আকৰ্ষণ কৰিব পাৰিছিল, আজি আমি তেনে কৰিব পৰা নাই আজিৰ সাহিত্যিকসকলে ৰাইজৰ আগত এটা নিৰ্দ্দিষ্ট জাতীয় আদৰ্শ ফট্‌ফটীয়াকৈ দাঙি ধৰিব পাৰিছে বুলি সন্দেহ কৰোঁ, কিন্তু আদৰ্শ এটা ধৰিলেও সি যে অসমীয়া ৰাইজৰ ওচৰত আচহুৱা বিজতৰীয়া বস্তু হৈ আছে সি ঠাৱৰ। কথাতে আজিৰ অসমীয়া সাহিত্যই আমাৰ জাতীয় হৃদয়ৰ মৰ্ম্মস্থান স্পৰ্শ কৰিব পৰা নাই। ই অসমীয়া জাতিৰ অন্তৰৰ গূঢ়তম্ তন্ত্ৰীত আঙুলি বুলাবলৈ পোৱা নাই। হয়তো জনসাধাৰণৰ প্ৰকৃত মনোবিজ্ঞান আমি বুজিব পৰা নাই, নাইবা তাক বুজিবৰ চেষ্টা কৰাটো অনাৱশ্যকীয় কথা বুলি বিবেচনা কৰি আহিছোঁ। নহলেবা তেওঁলোকৰ ভাব, ভাষা আৰু ৰুচি আমি বুজিলেও তাক আমি ইমান ঘিণ কৰোঁ যে তাৰ ওচৰ চাপিবলৈকে আমৰ লাজ লাগে। কথাতে আমাৰ অৱস্থা এনেকুৱা হৈছে যে যাক বাট দেখুৱাবৰ কাৰণে হাতত আমি জোঁৰ লৈছোঁ তেওঁলোকে লৰি গৈয়ো লগ ধৰিব নোৱাৰা দূৰত আমি জোঁৰটাৰ আনিছোঁ আৰু তেওঁলোকে আন্ধাৰত বাট হেৰুৱাই খপজপাই ফুৰিছে। আমাৰ হাতৰ জোঁৰটাৰ কাৰবাৰ বাট দেখুৱাবলৈ আমি লৈছোঁ, তাকো তেওঁলোকে বুজিব পৰা নাই। আমাৰ মাৰ্জ্জিত ৰুচিৰ 'দৌৰ'টো অলপ ঢিলাই দি জনসাধাৰণৰ অলপ ওচৰ চাপি জোঁৰটাৰ ধৰি যাব নোৱাৰিলে যদি অসমীয়া ৰাইজে আমাৰ লগ নধৰে তেন্তে সেইটো সিবিলাকৰ দোষ নহয়, ৰাইজৰ লগ এৰি একে লৰেই সুৰুচিৰ টিঙত উঠিব খোজোঁতাসকলৰ হে। সেই বুলি যে জন-সাধাৰণৰ প্ৰীতিকৰ হওক বুলি একেবাৰে গৰ্হিত ৰুচিৰ কিতাপ-পত্ৰ লিখিবলৈ কোৱা হৈছে সিও নহয়। মাথোন ইয়াকেহে কব খুজিছোঁ যে সাধাৰণ ৰাইজে বুজিব পৰা ভাষা, হৃদয়ঙ্গম কৰিব পৰা ভাব, আৰু সোৱাদ পোৱা ধৰণেৰে কিতাপ-পত্ৰ লিখি সিবিলাকক অলপ ওচৰ চাপি আগবঢ়াই নিব লাগে। সিবিলাকৰ পিচ পৰিহে নেলাগে সিবিলাকৰ তেনেই মাজত সোমায়ো জোঁৰটাৰ ধৰিবলৈ মই কোৱা নাই। আমাৰ সাহিত্যত আৰু এটা ৰোগ সোমাইছে, তাৰ নাম "কৃত্ৰিমালি"। তাত আজিকালি স্বাভাবিক উৎস বিৰল হৈ পৰিছে, আনৰ ভাৱ নিজৰ মুখেৰে প্ৰকাশ কৰিবলৈ গলে বা তৰ্জ্জমা কৰিলে সি যেনে কঠুৱা হয় আমাৰ বৰ্ত্তমান সাহিত্যও তেনে কঠুৱা হৈ পৰিছে। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা আৰু শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াৰ ৰচনা আৰু শ্ৰীযুত তৰুণৰাম ফুকন ডাঙৰীয়াৰ বক্তৃতাত প্ৰায় মাথোন এই দোষ বেচিকৈ দেখা নাযায়। আন প্ৰায়বিলাক লিখাকৰ ৰচনা পঢ়িলে এনে লাগে যেন তেওঁলোকে ইংৰাজী বা বঙলা ভাষাতে ভাবি তাক তেওঁলোকৰ অসমীয়ালৈ তৰ্জ্জমা কৰিহে লিখিছে। আমাৰ বৰ্ত্তমান সাহিত্যৰ এই বিজতৰীয়া ভাবটো নাট আৰু উপন্যাসত বেচিকৈ



সোমাইছে। তাৰ বাবেও সেইবোৰ আমাৰ ৰাইজৰ চিত্তাকৰ্ষক হব পৰা নাই বুলি অনুমান হয়। অনেকে অসমীয়া খণ্ডবাক্য বা *idiom* এৰি বিজতৰীয়া বঙলা বা ইংৰাজী *idiom* অৰ অনুবাদ কৰি থোৱাও দেখা গৈছে। লব্ধপ্ৰতিষ্ঠ সাহিত্যিকে তাত আমাৰ একো হানি-বিঘিনি নাই বুলি "তাৰ পৰা আমাৰ একো নাহে নেযায়" বোলা শুনিলে কোন আচৰিত আৰু দুখিত নহব? "আপুনি আহি কাৰ ঘৰত নামিছে" বা "সোমাইছে" বুলি "আপুনি কাৰ ঘৰত উঠিছে" বুলি কোৱাও শুনা যায়। সেই দৰেই শব্দ-বাচনিত পূৰ্ব্বকালৰ অসমীয়া ৰুচি বঙ্গালীৰ পৰা যদিও স্বকীয়া আছিল, যেনে অসমীয়াই কয় 'বৰ্ষণ' বা 'বৰষুণ' বঙ্গালীয়ে বোলে বৃষ্টি; অসমীয়াই কয় 'স্ৰজন' বা 'চৰ্জ্জন' বঙ্গালীয়ে বোলে 'সৃজন বা 'সৃষ্টি'; বঙ্গালীয়ে বহুবচনত প্ৰায়ে 'গণ' প্ৰত্যয় কৰিলেও আগৰ অসমীয়াই 'সৱ', 'চয়' আদিহে বেছি ব্যৱহাৰ কৰিছিল। কিন্তু আজিকালি শব্দ-বাচনিত তেনে ৰুচিৰ পাৰ্থক্য অসমীয়া লিখাকৰে ৰখা দেখা নাযায়। বৰং আজিকালি কিছুমান শব্দ বঙ্গলুৱা ৰুচিৰে সংস্কৃতৰ পৰা অবাধে গ্ৰহণ কৰা দেখা গৈছে। পুৰণি সাহিত্যৰ লগত বৰ্ত্তমান সাহিত্যৰ সম্পৰ্কটো একেবাৰে এৰি দিয়াও যে আমাৰ জাতীয় বিশিষ্টতাৰ পক্ষে অহিতজনক তাত সন্দেহ নাই।

যেনেকৈয়ে হওক, এবাৰ জাতিৰ লগত সাহিত্যৰ সম্বন্ধৰ সূতাগছ কোনো ৰকমে ছিগি যেতিয়া দুয়ো পৰস্পৰ আচহুৱা হৈ পৰে তেতিয়া দুইকো ওচৰ চপাই সূতাগছ বান্ধি আকৌ চিনাকি কৰি দিয়া যুগুত। তাৰ কাৰণে আমি আমাৰ জন-সাধাৰণৰ নিমিত্তে কিতাপ-পত্ৰ লিখাৰ উপৰিও তেওঁলোকৰ তাত ৰাপ জন্মাবলৈ এটা বিশেষ চেষ্টা কৰিব লাগিব। আমাৰ ৰাইজকে বৰ্ত্তমান যুগৰ সাহিত্য পঢ়িবলৈ আৰু পঢ়াই শুনিবলৈ সুযোগ সুবিধা কৰি দিয়াটো আমাৰ বৰ্ত্তমান কৰ্ত্তব্যৰ ভিতৰত পৰিছে। এই উদ্দেশ্য সাধিত হব লাগিলে প্ৰতি গাঁৱে-নগৰে বৰ্ত্তমান যুগৰ কিতাপ আলোচনী আৰু বাতৰিকাকত পঢ়িবৰ কাৰণে একোটি পুথি-ভঁৰাল পাতি দিব লাগিব। আৰু তালৈ আমাৰ জনসাধাৰণক আজৰি চাই যেনে তেনে প্ৰকাৰে আকৰ্ষণ কৰি আনিবৰ উপায় কৰিব লাগে। সেয়ে হলে আমাৰ জাতি আৰু সাহিত্যৰ ভিতৰত আচহুৱা ভাবটো আঁতৰি আকৌ চিনাকি হব আৰু লিখাকসকলৰো হতাশ বুকুত আশাৰ সঞ্চাৰ হব।

তাৰ লগে লগে অসমীয়া মহিলাসকলৰো সাহিত্য-চৰ্চ্চাত অনুৰাগ জন্মাবলৈ বিশেষ চেষ্টা কৰা বাঞ্ছনীয়। মহিলাসকলৰ মাজত জীৱনৰ ওখ আদৰ্শ প্ৰচাৰ নহলে কোনো জাতিয়েই ডাঙৰ হব নোৱাৰে। আৰু সাহিত্যই ওখ আদৰ্শ প্ৰচাৰৰ প্ৰকৃষ্ট উপায়। সেই গুণে সাহিত্যৰ ফালে মহিলাসকলৰ মনোযোগ বিশেষকৈ আকৰ্ষণ কৰিব লগীয়া হৈছে।

সুধীসকল, আপোনাসকলৰ আগত এনেবোৰ কথা কোৱা শুকক বেদ পঢ়োৱাৰ নিচিনাহে হৈছে। গতিকে এতিয়া আপোনাসকলক আজিৰ এই মহাযজ্ঞৰ কাৰ্য্য আৰম্ভ কৰিবলৈ নিৰ্ব্বাচিত সুযোগ্য পুৰোহিতক ভাৰ দিবৰ কাৰণে সুযোগ দি মোৰ অসাৰ কথা সামৰিব খোজোঁ। আপোনাসকলে যেন নিজ সাধনাৰ গুণেৰে আজিৰ এই আয়োজন এই অনুষ্ঠান, এই মহাযাগ সাফল্য মণ্ডিত কৰে। আপোনাসকলৰ চিন্তা, আলোচনা সমবেত চেষ্টা আৰু সহযোগিতাৰ ফলত এই সম্মিলনৰ ফল মধময় হওক।

মধুবাতা ঋতায়তে মধুক্ষৰন্তি সিন্ধবঃ মাধ্বীৰ্নঃ সন্ত্বোষধীঃ।

মধুনক্তমুতোষসো মধুমৎ পাৰ্থিবং ৰজঃ। মধু দ্যৌৰস্তু নঃ পিতা।

মধুমান্নো বনস্পতিৰ্মধুমা নস্তনঃসূৰ্য্যঃ। মাধ্বীৰ্গাবো ভবন্তুনঃ। ১৩ অঃ ২৭।২৮।২৯

বতাহত মউ ব'ক নৈয়ে মৌ জৰি য'ক
ধান্যাদি ওবধিসবো হক মধুময়;
মধুময় প্ৰতি নিশা সুমধুৰ প্ৰতি উষা
ৰাতি দিন মউ যেন হ'ক সুখময়।
পৃথিৱীৰ ধূলিকণা হয় যেন মউ সনা,
আকাশ মধুৰ হ'ক পিতাৰ সমান
গাভীসৱ মধুমতী মধুফলা বনস্পতি
হওক আমাৰ প্ৰতি সূৰ্য্য মধুমান।

তথাস্তু।

১২ পুহ, ১৮৫৫ শক; ইং ২৭ ডিছেম্বৰ, ১৯৩৩

—(::)—

# অসম সাহিত্য সভাৰ চতুৰ্দ্দশ সম্মিলনৰ সভাপতিৰ অভিভাষণ

শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা, বাৰ্-এট্-ল,
প্ৰিন্সিপেল, আৰ্ল্, ল কলেজ, গুৱাহাটী।

ওঁ পিতা নোঽসি পিতা নো বোধি নমস্তেঽস্তু মা মা হিংসীঃ।

বিশ্বানি দেব সবিতুৰ্দ্দুৰিতানি পৰাসুব যদ্ভদ্ৰং তন্ন আসুব।

নমঃ শম্ভবায় চ ময়োভবায় চ। নমঃ শঙ্কৰায় চ ময়স্কৰায়চ নমঃ শিবায় চ শিৱতৰায় চ।

করুণাময় প্ৰভু, তোমাৰ অনন্ত শক্তিৰ কণামাত্ৰ দান কৰি আমাৰ এই কাম সুসমাধা কৰিবলৈ আমাক বল দিয়া। তুমি আমাক কৃপা কৰা, এই আমাৰ মহৎ কামত তোমাৰ অলপমান কৃপাবাৰি বৰ্ষণ কৰা, দয়াময়! প্ৰভু, তোমাৰ আশীৰ্ব্বাদ নেপালে আমাৰ কোনো কামেই সিদ্ধ নহয়। তোমাৰ অনন্ত অসীম ভঁড়ালৰ পৰা আমাক একণ মাথোন আশীৰ্ব্বাদ দি এই কাম যে তোমাৰ নিজৰ তাৰ চিনাকী দিয়া।

আদৰণী সভাৰ মাননীয় সভাপতি ডাঙৰীয়া, আই আৰু আইদেউসকল আৰু আন আন প্ৰিয় বন্ধুসকল!

যোৰহাটৰ সভাৰ পৰা নিমন্ত্ৰণ পত্ৰ পাই আপোনাসকলৰ অনুমতি অনুসাৰে এই সভালৈ আহি এই আসনত বহিছোঁহি। যোৰহাটৰ সভাই ভালকৈ জানে মোৰ মনৰ ভাব কি। তেওঁলোকক এবাৰ নহয় কেবাবাৰো কৈছিলোঁ যে মই এই আসনৰ যোগ্য নহওঁ। তেওঁলোকে নুশুনিলে। আপোনাসকলৰ নিমন্ত্ৰণ মৰমৰ নিমন্ত্ৰণ। এনে নিমন্ত্ৰণ ৰক্ষা নকৰি নোৱাৰিলোঁ। ৰক্ষা নকৰা হ'লে ই অতি অশুৱনী হ'লহেঁতেন, সেইদেখি মোৰ শত ত্ৰুটি আছে জানিও আপোনাসকলৰ সেৱক ৰূপে আহি আপোনাসকলৰ আগত উপস্থিত হলোঁহি। আপোনাসকলে ভাবিব পাৰে যে মই "মামুলী গৎ" গাই নিজৰ ত্ৰুটিৰ কথা কৈছোঁ। সত্যে সত্যে সত্যে জানিব মোৰ অন্তৰৰ কথাহে মই কৈছোঁ। আমাৰ সাহিত্য সভাৰ গধুৰ বাব আপোনাসকলে মোক দিছে, সেই বাবৰ যেন মই যোগ্য পূজাৰি হওঁ। ৰাইজক ধন্যবাদ দি এই আসন গ্ৰহণ কৰিলোঁ।

আমাৰ এই সভাৰ নাম আসাম সাহিত্য সভা। আজিকালি আসাম বুলিলে আমি মণিপুৰেৰে সৈতে ব্ৰহ্মপুত্ৰ ভৈয়ামৰ জিলাবোৰ, সুৰমা ভৈয়ামৰ আৰু ওচৰ-চুবুৰীয়া পৰ্ব্বতীয়া জিলাবোৰ বুজোঁ। কিন্তু আপোনাসকলে জানে, ময়ো জানোঁ যে আসাম আমি যাক বোলো সেই ৰাজ্য ইমান ঠেক নাছিল। বহল আছিল, বৰ বহল আছিল। এই কথা ফেৰি কলিকতাৰ পৰা দাৰ্জিলিঙলৈ গ'লে চকুত নপৰে, কিন্তু গুৱাহাটী কি এই ফালৰ কোনো এখন ঠাইৰ পৰা গ'লে চকুত পৰে আৰু চকুৱে মনক কয় "চোৱাঁ, আমাৰ আসাম কিমান বহল।" ১৯২৯ খৃষ্টাব্দত এবাৰ ইয়াৰ পৰা দাৰ্জিলিঙলৈ যাওঁ। পাৰ্ব্বতীপুৰৰ পৰা শিলিগুড়িলৈকে গাওঁবোৰ, ঘৰবোৰ, বাৰীবোৰ সেই আমাৰ অসমীয়া বাঁহ, কল, তামোলেৰে ভৰা। মানুহবোৰৰ সকলো অসমীয়াৰ দৰেই দেখিলোঁ। বঙ্গদেশৰ আন আন ঠাইৰ ঘৰবোৰৰ চাল, বিশেষকৈ পশ্চিম বঙ্গৰ হাতীপিঠীয়া। সেই কালৰ দেখিলোঁ আমাৰ অসমীয়া ঘৰ হুবহু। দেখি ভাবিলোঁ যে মোৰ আসামৰ বিস্তৃতি ইমান দূৰলৈকে আছিল। মনত আনন্দ পালোঁ। শিলিগুৰি আৰু জলপাইগুড়ি আগৈয়ে পোৱা ঠাই। এই "গুড়ি" কথা ফেৰিয়েই বহুত বছৰ আগৰে পৰা মোৰ মনৰ ভাবক এই পন্থী কৰিছিল। তেতিয়া এই গুড়ি কথাষাৰে আমাৰ ডিমৰুগুড়ি, ভেলেউগুড়ি, জামুগুড়ি ইত্যাদিৰ কথা মনত পেলাই দিছিল। ১৯২৯ খৃষ্টাব্দত এই কথাফেৰি আৰু ডাঠকৈ মনত পোত খালে। এতিয়া মই হাঁফি কৰ পাৰো যে আমাৰ আসামৰ বিস্তৃতি সেই ফাললৈকো আছিল। আপোনাসকলে একেবাৰেই নিভাঁজ ৰংপুৰীয়া, কোচবিহৰীয়া মাতৰ সৈতে আমাৰ মাত অলপ গমি চাই মিলালেই দেখিব যে এই মাতবোৰৰ কি সুন্দৰ সাদৃশ্য। তেওঁলোকৰ উচ্চাৰণৰ ফালেও মন কৰি চাব। ৰংপুৰ কোচবিহাৰো আমাৰ আছিল। এজন ৰংপুৰৰ জমিদাৰক পৰহি শোধাত ক'লে "এৰা, আছিল তো" কৰতোয়া নৈ মোৰ ঘৰৰ পৰা পাঁচ মাইলমান আঁতৰত।"

এইখিনি লেখাৰ পাচতেই পিতৃদেৱতাৰ "আসাম বুৰঞ্জী" খনি আনি চালোঁ। তাত এনেদৰে লেখা আছে (১৮৮৪ খৃষ্টাব্দৰ গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীৰ ছয় পাত চাওক) "দ্বিতীয় অধ্যায়। অসম দেশৰ "অসম" নাম আধুনিক। পূৰ্ব্বে ই নাম নাছিল। আৰু এতিয়া যি সীমা ধাৰ্য্য হইছে সিও পূৰ্ব্বে নাছিল। মহাভাৰত, কালিকাপুৰাণ, ভাগৱত, যোগিনীতন্ত্ৰ প্ৰভৃতিত এই দেশৰ নাম উল্লেখ আছে। কিন্তু তাত "অসম" এই নাম নাই। পুৰাণ প্ৰভৃতি চালে এইটোহে জানি যে পূৰ্ব্বকালৰ কামৰূপ, শোণিতপুৰ, হিড়ম্ব, মণিপুৰ আৰু কৌণ্ডিল্য এই কেই দেশৰ অধিকাংশই এতিয়া অসম নামে প্ৰসিদ্ধ হইছে। গুৱাহাটীক পুৰাণত প্ৰাগ্‌জ্যোতিষপুৰ বোলে।" (আকৌ সেই কিতাপৰ ৮ পাত চাওক) "ওপৰত যি দেশ ভাগৰ কথা কলোঁ সেই ভাগ বিলাক যি সময়ত মহাভাৰত আৰু ভাগৱত ৰচনা কৰা হয় সেই সময়ৰহে। পাছে পুৰাণ আৰু তন্ত্ৰৰ সময়ত হলে এই দেশৰ অধিকাংশই কামৰূপৰ

মাজত পৰিছিল। কৰতোয়া নদী বঙ্গালদেশৰ ৰঙ্গপুৰ জিলাত আৰু দিক্কৰবাসিনী বা দিকৰাই নদী উজনীত আছে। এই নামৰ পৰা এটি উপলব্ধি হয় যে শোণিতপুৰ, হিড়ম্ব, কৌণ্ডিল্য প্ৰভৃতি দেশ ক্ৰমে শক্তি-ভ্ৰষ্ট হোৱাত কামৰূপৰ ৰজাই আপোন দেশ সেই সেই সীমালৈ বিস্তৃতি কৰিলে। একেবাৰে এইৰূপে ৰাজ্য বঢ়াব পাৰিছিল এনে নহয়। ইয়াত সেই সেই দেশে সৈতে অনেক ৰণ-বিগ্ৰহ হইছিল। কামৰূপৰ সেই সীমাৰ ভিতৰত ৰংপুৰ কোঁচবিহাৰ আৰু জলপাইগুড়ি পৰে। ইফালে ময়মনসিংহ জিলাৰ কিছুমান আৰু শ্ৰীহট্টৰো কিছুমান পৰে। বস্তুতঃ ময়মনসিংহ আৰু শ্ৰীহট্টৰ কোনো কোনো অংশ যে কামৰূপৰ অধীন আছিল এইটো শীঘ্ৰে বিশ্বাস কৰিব নোৱাৰি। ব্ৰহ্মপুত্ৰৰ উত্তৰ কূলত হলে ৰঙ্গপুৰ, কোঁচবিহাৰ আৰু জলপাইগুড়ি সম্পূৰ্ণৰূপে কামৰূপৰ অধীন।'' আপোনাসকলে এই সকলো বিষয়েই জানে। এইবিলাক কথা আপোনালোকৰ আগত কোৱাটোৱেই ধৃষ্টতা বুলি ভাবো। কিন্তু যেতিয়া ভাবো মোৰ আসাম কিমান বৃহৎ আছিল তেতিয়া মোৰ মন উন্নত হয়, বুকু স্ফীত হয় আৰু মোৰ ইচ্ছা হয়, যেতিয়া সেইফালে যাওঁ, কবলৈ যে এই দেশো মোৰ নিজৰ আসাম। ১৯৩১ খৃষ্টাব্দৰ পূজাৰ বন্ধত কেদিনমানৰ নিমিত্তে কলিকতালৈ গৈছিলো। ৰেলত দেখা হ'ল ৰংপুৰৰ জমিদাৰ শ্ৰীযুত এন্ এম ৰায় চৌধুৰীৰ সৈতে আৰু আন আন মানুহৰ ভিতৰত দেখা হ'ল ৰংপুৰৰ ট্ৰেইনিং স্কুলৰ অধ্যক্ষৰ সৈতে। তেওঁলোক যেতিয়া ৰংপুৰত নামিল। ময়ো সেই ষ্টেশ্যনত নামি তেওঁলোকক কলো, আগেয়ে ৰংপুৰো আসামৰ আছিল। এতিয়া মই এই ষ্টেশ্যনত নামি অলপ ফুৰোঁ।" মোৰ বৰ আনন্দ হ'ল।

আসাম, অসম যে বৃহৎ এই কথা এনেকৈ দীঘলাই-বহলাই নকলেও হয়। কিন্তু দিন-কাল আজিকালি এনে বিষদুষ্ট আৰু বিসদৃশ দেখোঁ যে অসময়ে, সময়ে, সুযোগ সুবিধা পালেই এই কথা আটাইৰে কোৱা ভাল। বুকু মন ওখ কৰি কোৱা ভাল! মই অসমীয়া, যেনেকৈ আগেয়ে ৰোমান সাম্ৰাজ্যৰ মানুহে কৈছিল, ওখ হৈ থিয়দি বুকু স্ফীত কৰি কৈছিল, Ego Romanus sum, মই ৰোমান্। চাওক, কেনে সুন্দৰ শুনি। এতিয়াও ইংৰাজবিলাকে যেনেকৈ কয় "I am an English man" আৰু কিবা বস্তু বেয়া লাগিলে "This is not English" তেনেকৈ আমাৰো নিজৰ বিষয়ে আমাৰ ভাষাত আমি কব পাৰোঁ "I am an Indian". "I am an Assamese".

এতিয়া চাওঁ ৰবিন্সনে কি কয়—যেনেকৈ বঙ্গদেশত Carey, Marshman, Ward এ বঙ্গলা ভাষা আগুৱালে, তেনেকৈ আমেৰিকান মিশ্যনেৰী বিলাকে আমাৰ ভাষা আগুৱালে। মোৰ যিমান দূৰ জনা আছে তেওঁলোকেই প্ৰথমে মোৰ আসামলৈ মুদ্ৰাযন্ত্ৰ আনে। তেওঁলোকেই প্ৰথমে বাতৰিকাকত "অৰুণোদয়" ছপায়। কোনজন মনীষিৰ মস্তিষ্কৰ পৰা এই "অৰুণোদয়" নাম ওলাইছিল কব নোৱাৰোঁ, মই নেজানো। কিন্তু তেওঁ যে এজন চিন্তাশীল দূৰ-দৰ্শী মানুহ এই বিষয়ে কোনো সন্দেহ নাই। Ex Oriente lux পূবৰ পৰাই পোহৰ হয়। এই পূবৰ পোহৰেই লাহে লাহে গৈ আন ঠাইত পোহৰ দিয়ে। সি বাৰু যি হওক, এই আমাৰ মন, নহয়, চিত্ত, আৰাম কাৰী অসমীয়া অৰুণোদয় দেখি যিসকল মাৰ্কিনী বন্ধুৱে "অৰুণোদয়" কাকতৰ সৃষ্টি কৰিলে তেওঁলোকক এইখিনিতে অন্তৰৰ ধন্যবাদ দিওঁ। এই 'অৰুণোদয়" কাকতে বহুতো অসমীয়া লেখক সৃষ্টি কৰিলে। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি লেখকে **এই** অৰুণোদয়তে প্ৰথমে লেখে। আৰু আমাৰ প্ৰাচীন সাহিত্যিক দেশপ্ৰেমিক শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য ডাঙ্গৰীয়াইয়ো এই অৰুণোদয়তে প্ৰথমে কলম চলাবলৈ আৰম্ভ কৰে। ভগবানৰ ইচ্ছাত এতিয়ালৈকে তেওঁ সেই কলমকে চলাই আছে। এই ৰবিন্সনো সেই মাৰ্কিন জাতীয়। বহলাই নকৈ কওঁ যে তেওঁৰো সেই একে মত। যেনেকৈ মানুহ দুখীয়া হ'লে আগৰ ঐশ্বৰ্য্যৰ আশাৰ গৌৰৱৰ কাহিনী কয়, ময়ো সেইদৰে আগৰ সম্পদৰ কথা এইখিনিতে কৈ ল'লোঁ।

অতীতৰ কাহিনী শুনা আমাৰ ভাল। আগৰ দিন কি আছিল আৰু এতিয়াৰ দিন কি হৈছে জানিবৰ মন যায়। অতীতৰ সৈতে বৰ্ত্তমানৰ সম্পৰ্ক, বৰ্ত্তমানৰ সৈতে ভবিষ্যতৰ সম্পৰ্ক, অতীত আৰু এই বৰ্ত্তমানৰ সৈতে সম্পৰ্ক আছে।

কিন্তু আগৰ দৌলত, আগৰ ধন যেতিয়া নাই তেতিয়া এই দৌলত, ধনকে ঈশ্বৰৰ দান বুলি ভাবি আমি কাম কৰোঁচোন। সুৰমা উপত্যকা এৰি দিওঁ। তেওঁলোকে কয় তেওঁলোকৰ ভাষাৰে সৈতে আমাৰ একো সম্পৰ্ক নাই; যদিও আপোনাসকলৰ আগৰ এজন সভাপতি শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙ্গৰীয়াই তেওঁৰ বহুতো কিতাপৰ ভিতৰৰ এখন কিতাপত সুন্দৰৰূপে দেখুৱাই দিছে ছিলটীয়া ভাষাৰে সৈতে আমাৰ ভাষাৰ কি সম্বন্ধ। শ্ৰীহট্ট দেশে আমাক নেলাগে বুলি কয় যেতিয়া আমি তেতিয়া আমাৰ এই ভৈয়ামৰ ছখন জিলাৰ অৱস্থা চাওঁচোন। আমি এই কেইখন জিলাৰ কথা একাগ্ৰচিত্তে ভাবি এই ছখন জিলাৰে সৰ্ব্বতোভাৱে উন্নতি কৰোঁচোন বাৰু।

গুৱালপাৰ জিলা আমাৰ নিজা। কিন্তু সেই জিলাৰ কোনো কোনো মানুহে অসমীয়া ভাষা নকয়। বঙ্গলাহে কয়। ই বৰ দুখৰ কথা। সাহিত্য-সভাৰ প্ৰথম কাম হৈছে এই ছখন জিলাক পূৰা অসমীয়া কৰা—অৰ্থাৎ এই বিংশতি শতাব্দীত যেনেকৈ এখন দেশক 'অসমীয়া' কি 'বঙ্গালী' কি 'মাৰাঠী' 'গুজৰাটী' 'পঞ্জাবী' বুলি কব পাৰি। অলপ বহলাই কবলৈ গ'লে কওঁ, আসামত অসমীয়াৰ প্ৰাধান্য হব লাগে, বঙ্গদেশত বঙ্গলা আৰু বঙ্গালীৰ প্ৰাধান্য হব লাগে, উড়িষ্যাত উড়িয়াৰ হব লাগে; ভাষাৰো, মানুহৰো। মই সকলো ঠাইতে আন আন কথাৰ মাজত এটি কথালৈ বিশেষভাৱে আঙুলিয়াওঁ। সেইটি হৈছে এই, আমি অতীতৰ কথাকে ভাবি যেন বহি নেথাকোঁ। অতীতৰ আদৰ্শেৰে যেন বৰ্ত্তমানৰ অৱস্থা চাই ভবিষ্যত গঠন কৰিবলৈ চেষ্টা কৰোঁ। সকলো বিজ্ঞ মানুহে ভবিষ্যতৰ ফালে চাই কাম কৰে। আমিও কৰোঁ।

সাহিত্য-সভাৰ প্ৰথম কাম হৈছে গুৱালপাৰ ধুবুৰীৰ ফালে চকু ৰখা। গুৱালপাৰ ধুবুৰীক সম্পূৰ্ণৰূপে অসমীয়া কৰা। আমাৰ গুৱালপাৰ ধুবুৰীৰ মানুহ শকত-আৱত অসমীয়া মানুহ। কিন্তু তেওঁলোকৰ কোনো-কোনোৱে ভাবে আৰু কয় যে তেওঁলোক আমাৰ নহয়,—অসমীয়া নহয়। কি শোকলগা কথা! তেওঁলোকক আমাৰ নিজৰ বুকুলৈ অনাৰ কাম আমাৰ এই সাহিত্য-সভাৰেই। মই পাচত ক'ম কিমান মানুহে জিলায় প্ৰতি মোৰ অসমীয়া কয়। আজিকালিৰ সীমামতে গোলোকগঞ্জেই আসাম আৰু বঙ্গদেশৰ সীমা। এতিয়া আমাৰ গোলোকগঞ্জৰ পৰাই আসাম ভাবি আমাৰ কাম কৰিব লাগিব।

আমাৰ কাম চমু হৈছে, সেইদেখি আমাৰ আনন্দ কৰা ভাল। বুকাৰ ৱাশ্বিংটনে কৈছিল —"মোৰ জাতিক নতুন জাতি কয় ( যদিও

বিৰাট আফ্ৰিকান জাতিক মই আপোনাসকলৰ সেৱকে নতুন জাতি নিজে কব নোখোজো।)" বুকাৰ ৱাশ্বিংটন মহাপুৰুষে তেওঁৰ নিজৰ জাতিক উদ্গনি দিবৰ নিমিত্তে এই কথা কৈছিল। আমি জানো যে এই আফ্ৰিকাৰ নিমিত্তেই, ক্লিওপেট্ৰাৰ নিমিত্তেই, ৰোম ৰাজ্যৰ ধ্বংসৰ সূচনা হয়। অৱশ্যে আফ্ৰিকা বিৰাট বিপুল। উত্তৰ আফ্ৰিকাৰ সৈতে মধ্যম আফ্ৰিকা কি দক্ষিণ আফ্ৰিকাৰ কোনো সম্পৰ্ক নাই বুলি মানুহে কব পাৰে। কিন্তু আফ্ৰিকাক তেওঁলোকে একে জাতি বুলি ভাবিছিল। সেই আফ্ৰিকাই বুকাৰ ৱাশ্বিংটনৰ আফ্ৰিকা। ৰোমীয় ভাষাৰে কবলৈ গলে তেওঁলোকে কৈছিল তেতিয়া "*Ex Africa sempen novum*", সকলো সময়তে আফ্ৰিকাৰ পৰা আমি নতুন কথা পাওঁ। কিন্তু সেই বৃহৎ জাতিৰো নেতাই উনবিংশ বিংশতি শতাব্দীত কৈছিল—"জগতে কয় আমাৰ জাতি নতুন। এই আধুনিক সভ্যতাৰ মতে আফ্ৰিকান নতুন। কিন্তু নতুন নে পুৰণি আপোনালোকে ভাবি চাব।" সেইদেখি বুকাৰ ৱাশ্বিংটনে কৈছিল "মই আনন্দ কৰোঁ যে মই এই নতুন জাতিক গঠন কৰিবলৈ সুযোগ পাইছোঁ। চাওকচোন বাৰু, কেনে মহৎ ভাব, কেনে সুন্দৰ ভাব! সেই মহাত্মা এই ভাবৰ দ্বাৰাই অনুপ্ৰাণিত হৈ টাস্কেজী বিশ্ববিদ্যালয় সৃষ্টি কৰি জগতক সচাসচিকৈ দেখুৱালে, যে পুৰণাকো নতুন কৰিব পাৰি। সেই দেখি বন্ধুসকল! মই কওঁ যে আমি সেই মহাপুৰুষৰ আৰ্হিৰে আমাৰ এই আজিকালিৰ দুখীয়াৰ দুখী অৱস্থাৰ মতে আমাৰ এই এতিয়াৰ নিজা ছখন জিলাক আমাৰ অতি নিজৰ কৰোঁহঁক।

এই গুৱালপাৰাত এই গ'ল্প পিয়লত ৮৮২,৭৪৫ মানুহ আছে বুলি জানিছোঁ। তাৰে ভিতৰত, মোৰ ভুল হব পাৰে, ৮৩,১৬৫ মতা মানুহে অসমীয়া কয় আৰু ৭৮০১৪ তিকতা মানুহে অসমীয়া কয়। চাওকচোন বাৰু ৰাইজৰ সংখ্যালৈ চাই কেইজনে অসমীয়া কয়? কিয় ইমান তাকৰ সংখ্যা? আমাৰ কাম হৈছে এতিয়া এই গুৱালপাৰা জিলাৰ ফালে চকু ৰখা। যদিহে আমি চকু নেৰাখোঁ গুৱালপাৰা আমাৰ যে আমাৰ নিজা এই বিষয়ে সময়ে-অসময়ে আমাৰ নিজ ভাষাৰ আনভাষাত বিশেষকৈ ইংৰাজী ভাষাত যেন আমাৰ শীৰ্ষস্থানীয় লোকসকলে মানুহক বুজাবলৈ য[illegible] কৰে। নিজৰ দুৱাৰ যদি আমি মুকলি কৰিবলৈ জপাবলৈ নিজেই নিশিকোঁ, কোনে আমাক শিকাব? কিয় ইমান কম মানুহে তাত অসমীয়া কয়?

ভাল বেজে কোনো এটি বেমাৰৰ চিকিৎসা কৰিবলৈ গ'লে বেমাৰীক বহুত কথা সোধে। কোনো কোনো ডাক্তৰ-কবিৰাজে এনে কথাও সোধে "আপোনাৰ কোনো পূৰ্ব্বপুৰুষৰ এনে এনে (বেয়া বেয়া বেমাৰৰ নামকৈ) ৰোগ আছিলনে?" সেই কথা শুনিলে বেমাৰীৰ আৰু বিশেষকৈ বেমাৰীৰ নিজা শকত-আৱত মানুহসকলে ডাক্তৰৰ ফালে অৰ্থসূচক ভাবে চায়, এই ভাব ক্ষমণীয়। খং উঠে, কিন্তু খঙৰ কোনো কাৰণ নাই। ডাক্তৰ কবিৰাজে কাৰণ নিবিচাৰিলে কেনেকৈ বেমাৰ ভাল হব। আমাৰো কাৰণ বিচাৰি উলিয়াব লাগিব। সাহিত্য সভাৰ সভ্য আৰু সহায়ক সকলে কিয় গুৱালপাৰাৰ কোনো কোনো মানুহে বঙ্গলা ভাষা আৰু বঙ্গালী বুলি কয় ইয়াৰ কাৰণ চেষ্টা কৰিলেই উলিয়াব পাৰে।

এই জিলাত ৫০২৮৫ মতাই আৰু ৪৭৫৯ তিকতাই লেখা-পঢ়া জানে। এই লেখা-পঢ়া জনা মানুহৰ সংখ্যা বঢ়াব লাগে। এই সংখ্যা বঢ়িলেই গুৱালপাৰাত অসমীয়া মাত মতা মানুহৰ সংখ্যা



বাঢ়িব। মই কোনো কোনো গুৱালপাৰীৰ মানুহক দেখিছোঁ, তেওঁলোকে বঙ্গলা কয়, কিয়নো তেওঁলোকে গুৱালপাৰা জিলাৰ ভাষাহে জানে. কামৰূপ কিম্বা উজনিৰ ভাষা কব নোৱাৰে সেই দেখি লাজ কৰি, বঙ্গলা জনাৰ গতিকে বঙ্গলা কয়। নিজৰ জিলাৰ ভাষা কবলৈকো লাজ কৰিব নালাগে, স্কট্‌ল্যাণ্ডৰ মানুহে, আয়াৰল্যাণ্ডৰ মানুহে যেতিয়া ইংৰাজি কয় ঠিক ইংৰাজৰ দৰে নকলেও ইংৰাজী কবলৈ এৰে নে? আৰু তেওঁলোকে তেওঁলোকৰ মাতত নিজা 'জোৰ' (accent, এক্সেণ্ট্) আৰু বেছিকৈ দিহে দেখুৱাই যে তেওঁলোক স্কটিশ্, তেওঁলোক আইৰিশ্। গুৱালপাৰাৰ যিসকল মানুহে বঙ্গলা কয় তেওঁলোকে বঙ্গলাও বঙ্গালীৰ দৰে হুবহু নকয় হবলা। তেনেহলে আমাৰ অসমীয়াকে তেওঁলোকে নকয় কিয়? অসমীয়া আৰু নিজৰ। অসমীয়া কৈ স্কটিশ্ আইৰিশ্ সকলৰ দৰে নিজৰ মাতৰ বিশেষত্ব ৰাখি নিজকে নিজে গৌৰৱান্বিত নকৰে কিয়? আমাকো নকৰে কিয়? পূৰ্ব্ববঙ্গৰ মানুহে পূৰ্ব্ববঙ্গৰ মাত ক'তো কেতিয়াও কবলৈ লাজ নকৰে—যদিও তেওঁলোকক বহুতো পশ্চিম বঙ্গৰ মানুহে হাঁহে। তেওঁলোকেও আইৰিশ, স্কটিশ্ বিলাকৰ দৰে বৰকৈ জোৰেৰে নিজৰ দেশৰ মাতেৰে কথা কয়। সেইদেখি গুৱালপাৰাৰ ভাইভনী সকলক হাত যোৰ কৰি নিবেদন কৰিছোঁ তেওঁলোকে আমাৰ সৈতে কথা কওঁতে তেওঁলোকৰ জিলাৰ মিঠা মাত ব্যৱহাৰ কৰিবলৈ যেন লাজ নকৰে। সকলো জিলাৰ মাততে বহুতো মিঠা মিঠা শব্দ আছে। সকলো জিলাৰ মাততে বিশেষত্ব আছে আৰু এই বিষেশত্ব লৈয়েই আমাৰ ভাষা গুৱালপৰীয়া মাতৰ সৈতে আমাৰ ভালকৈ চিনাকী হ'লে সেই জিলাৰ ভাষাই আমাৰ আন আন জিলাৰ ভাষাক চহকী কৰি আমাৰ মাতৃভাষাকো চহকী কৰিব। গুৱালপাৰাৰ বন্ধুসকল, আমাৰে সৈতে বঙ্গলা নকৈ আপোনাসকলে যেন নিজা মাতৃভাষাৰে কথা কয়। এই কথা কোৱাৰ বাবে কিবা ত্ৰুটি হলে মোক ক্ষমা কৰে যেন।

কামৰূপ জিলাৰ ৯,৭৬,৭৪৬ মানুহৰ ভিতৰত ৩৩১৪৪৬ জন মতা আৰু ৩,১৮,০৬৭ তিকতাই অসমীয়াৰে কথা কয়।* কিন্তু কথা হৈছে এই, এই ছখন জিলাৰ ৪৬৬৪৮০০ জন মানুহৰ ভিতৰত

| জিলা | জনসংখ্যা | সাক্ষৰ মতা | সাক্ষৰ তিকতা | নিৰক্ষৰ মতা | নিৰক্ষৰ তিকতা |
|---|---|---|---|---|---|
| গুৱালপাৰ | ৮৮২৭৪৮ | ৫০২৮৫, | ৪৭৫৯ | ৪১৯৯৪৪ | ৪০৭৭১৬ |
| কামৰূপ | ৯৭৬৭৪৬ | ৭৯৮৯৬ | ৬২৬৪ | ৪৩৯১১৩ | ৪৫৭১৩৭ |
| দৰং | ৫৮৪৮১৭ | ২৯২৩৭ | ২৫০২ | ২৮৭৮৬৬ | ২৬৫২১২ |
| নগাঁও | ৫৬২৫৮১ | ৩২৯৭৭ | ৩১৩৩ | ২৬৫৬১২ | ২৬০৮৫৮ |
| শিৱসাগৰ | ৯৩৩৩২৬ | ৬৫৫৭৫ | ৫৭৮৩ | ৪৩০৭১৩ | ৪৩১০৫৫ |
| লক্ষীমপুৰ | ৭২৪৫৮২ | ৪৮৩৯৬ | ৪০১১ | ৩৫০৭১২ | ৩২১৪৬৫ |

মোট জনসংখ্যা ৪৬৬৪৮০০, লে: প: জনা মতা ৩০৬৩৬১, লে: প: জনা তি: ২৬৬৫২

| অসমীয়া কোৱা— | মতা | তিকতা |
|---|---|---|
| গোৱালপাৰ | ৮৩১৬৫ | ৭৮০১৪ |
| কামৰূপ | ৩৩১৪৪৫ | ৩১৮০৬৭ |
| দৰং | ১০২২৯৩ | ৯০৭৯৬ |
| নগাওঁ | ১২১৯৩১ | ১১৫৪৭১৫ |
| শিৱসাগৰ | ২৬৬১৫৮ | ২৩৭৪৩৫ |
| লক্ষীমপুৰ | ১২২৪৯২ | ১০৫৯৬৯ |

৪৬৬৪৮০০ জনৰ ভিতৰত ১৯৭৩২৫৯ জনে অসমীয়া কয়।

(শ্ৰীযুত মুক্তাধৰ শৰ্ম্মাৰ সৌজন্যত)

১৯৭৩২৫০ জনে অসমীয়া কয়। অৰ্থাৎ এই ছখন "পুৰা" অসমীয়া (মইতো পুৰা অসমীয়া আন আন জিলাকো কওঁ, কিন্তু সেইবিলাক জিলা আমাৰ পৰা আঁতৰি যাব খুজিছে, কি কৈছে, সেইদেখি তেওঁলোকৰ বিষয়ে এই খিনিত কোৱা নাই) জিলাৰ মোট জনসংখ্যাৰ ভিতৰত আধাতকৈও কম মানুহে অসমীয়া কয়। সেইদেখিহে মিষ্টাৰ মালেনে অসমীয়া জাতিৰ ভবিষ্যতৰ কথা তেওঁৰ পিয়ল বিৱৰণীত অতি দুখ কৰি লেখিছে।

এই অনাসমীয়া মানুহসকলৰ সৈতে আমি প্ৰতিযোগিতাত যদি হাৰোঁ তেনেহলে আমাৰ ধ্বংস নিশ্চয়। যাতে আমি জিকোঁ সেই বিষয়ে ধীৰভাৱে চিন্তা কৰিব লাগে। আমাৰ ব্যৱসায়-বাণিজ্য নিজৰ হাতত নাই। আজিকালি, আজিকালি কিয় বহুত বহুত বহুত আগৰ দিনৰ পৰাই যি কোনো জাতিয়েই জগতত ডাঙৰ হৈছে, ব্যৱসায়-বাণিজ্যৰ দ্বাৰাই হৈছে। জগতৰ ইতিহাস মই আপোনাসকলক নকওঁ। আপোনাসকলে জগতৰ ইতিহাস পঢ়িব খুজিলে ক'ত সেই তথ্য পাব নিজেই জানে। মই নকলেও হব। মই কৈছোঁ এই কথা যে কোনো জাতিয়েই বিনা ব্যৱসায়-বাণিজ্যে ডাঙৰ হোৱা নাই। আৰু আন আন কাৰণ থাকিলেও ব্যৱসায়-বাণিজ্যেই এটি প্ৰধান উপাদান।

সি বাৰু যি হওক। আমাৰ ব্যৱসায়-বাণিজ্য নাই। কিয় নাই? এই কথা লৈ ছজন মোৰ দেশৰ ডাঙৰ মানুহৰ সৈতে মোৰ মতৰ অমিল হৈছিল। সেই বিষয়ে ইয়াত বহলাই নকওঁ। কিয়নো তেওঁলোক দুজনৰ সৈতে সকলো ভাবৰে কথা কৈ কৈ, এদিন নহয় দুদিন নহয় কেবাদিনো, মই এই কথা জানিলোঁ যে আমাৰ ভাল নহয় এই নিমিত্তে যে আমি এলেহুৱা। মই এই কথা কোৱাত তেওঁলোকৰ ভাল নেলাগিল। মই "ভোটত" ঘাটিলোঁ। তেওঁলোকে আমাৰ ঘৰুৱা তৰ্কতো নকলে যে আমি এলেহুৱা, সেইগুণে আমাৰ উন্নতি নহয়। ১৮৮৯ খৃষ্টাব্দত বোধকৰোঁ "জোনাকী" ওলায়। (যেনে "অৰুণোদয়"ৰ নাম দিওঁতাসকলক শ্বাবাশ, বাহাবা দিছোঁ, এই 'জোনাকী' নাম দিওঁতাসকলকো হাত চাপৰিয়াই, বাহাবা, শ্বাবাশ্ দিওঁ)। তেওঁলোকে "অৰুণোদয়"ৰ পাছত "আসাম বিলাসিনী", "আসাম নিউচ", "আসামবন্ধু", "মৌ" "আসাম", (শ্ৰীবিষ্ণু, "আসাম" পাছত ওলায় ১৮৯৪-৯৫ খৃঃত) "আসামতৰা", "ল'ৰাবন্ধু" ইত্যাদি পাইও ভাবিলে যে এতিয়া আমাৰ আৰু এখন কাকত দৰকাৰ। সেই দেখি বোধকৰোঁ 'জোনাকী' তেওঁলোকে উলিয়ায়। "জোনাকী" নামটি মিঠা। মই তেতিয়া অতি সৰু আছিলোঁ। কিন্তু মোৰ ৰিণিকি ৰিণিকি মনত পৰে (কোনে লেখিছে মনত নাই, সেই খণ্ড "জোনাকী" মোৰ ওচৰত নাই। কাৰোবাৰ ওচৰত "জোনাকী" সম্পূৰ্ণভাৱে আছেনে? বোধ কৰোঁ দুজন এজনৰ বাহিৰে কাৰো ওচৰত নাই) যে তাত এটি কবিতা আছিল,—"উঠা অসমীয়া……এলাহ এৰি"—কি এনে কোনো কথাৰে এটি কবিতা। আমি জানো আমাৰ ক'ত দোষ, কিন্তু ঘৰুৱা মতে তৰ্ক কৰিলে এনে দোষবোৰ যদি এজনে আনজনৰ নেদেখুৱাওঁহক্ আমি অধঃপাতলৈ যাম ই নিশ্চিত। সকলো সময়তে আমাক "বাহাবা" নেলাগে। "বাহাবাৰ" প্ৰশংসাৰ সময় আছে। কিন্তু যেতিয়া আমি নিজৰ ঘৰত, নিজৰ আত্মীয় কুটুমৰ বুকুৰ মাজত আকৌ সেইখিনি সময়তো যদি এজনে আনজনৰ দোষ নেদেখুৱায়, যদি দোষ থাকে, তেনেহলে সেইজন শত্ৰুহে, মিত্ৰ নহয়। "জোনাকী"য়ে তেনে কবিতা প্ৰকাশ কৰি ভাল কৰিছিল।

কিন্তু যদি আমি নিজৰ দোষকে গাই থাকোঁ সিও বেয়া। সকলো কথাৰে সময় আছে।



এজন মানুহক যদি সকলো সময়তে আমি বেয়া, বেয়া, বুলি কওঁ, তেওঁ ভাল হলেও বেয়া হ'ব। বেয়া মানুহকো তুমি ভাল, তুমি ভাল, তুমি ভাল, এনেকৈ কৈ থাকিলে সময়ত সেই মানুহটো ভাল হব। মনোবিজ্ঞানে এনে কথা কয়। আপোনালোকৰ অনুমতি লৈ এটি কি দুটি গল্প এইখিনিতে কওঁ, কথাৰ কি শক্তি, কথাই কেনেকৈ মনক সবল কৰে আৰু দুৰ্ব্বল কৰে। অৱশ্যে মই আকৌ কওঁ, আমাৰ নিজা ঘৰত, আমাৰ বন্ধু-বান্ধৱৰ ভিতৰত, আমাৰ দুৰ্ব্বলতাক সবল কেনেকৈ কৰা যায় সেই বিষয়ে আলোচনা কৰাৰ কথা বেলেগ।

নীতিকথা, কি হিতোপদেশ, কি ঈছপ্স্ ফেবোলৰ কথা নকওঁ। আন কথা কওঁ। এবাৰ এজন মানুহক প্ৰাণদণ্ডৰ শাস্তি হোৱা বুলি কোৱা হ'ল। সেই বেচাৰিক কোৱা নহ'ল কেনেকৈ সেই তেওঁৰ ঈশ্বৰ-দত্ত প্ৰাণ লোৱা হব। পাছত বপুৰীক কোৱা হ'ল যে তোমাৰ চকু বান্ধি দিয়া হব, আৰু তোমাৰ গাৰ পৰা তেজ টোপা-টোপে লোৱা হ'ব। সেই মানুহটিৰ চকু বন্ধা হল। এটা সৰু বেজিৰে খোঁচ দি, আৰু অলপ কুহুমীয়া তপত পানী তাৰ ওপৰত পেলাই এজনে সেই দুৰ্ভগীয়া মানুহটিক ক'লে, "এতিয়া তোমাৰ তেজ টোপাটোপে ওলাব। এই তোমাৰ তেজ ওলাব লাগিছে, ওলাইছে, ওলাইছে, তুমি লাহে লাহে এতিয়া মৰিবা।" সেই মানুহটি মৰিল। তেজো নোলাল, একো তেনে খোঁচাও নহল। সেই মানুহটি মৰিল। মনৰ এনে অৱস্থা। কবিয়ে কৈছে নহয়,—"*Mind is its own place, it can make a hell of heaven and a heaven of hell*". কি সুন্দৰ কথা! মনৰ কি বল! আৰু এটা সচা কথা কওঁ। এদিন এজন মানুহে (এই উপমা দিয়াৰ বাবে, ক্ষমা কৰিব, পৃথিবীত ভাল-বেয়া লৈয়ে মানুহ, সকলো মানুহেই একে বিধৰ, একে ভাবৰ হব নোৱাৰে) অলপ মদ খাইছিল। খাই এঠাইত ভাত খাবলৈ গৈছিল। সেই মানুহজনে যেনেকৈ আন আন দিন ব্যৱহাৰ কৰে তেনেকৈয়ে ব্যৱহাৰ কৰিছিল। সমাগত ব্যক্তিৰ ভিতৰত এজন মানুহে তেওঁৰ কাণৰ কাষত বহি কবলৈ ধৰিলে "*You are a bit on*", "*You are a bit on, I see, I see.*" এই কথা শুনোতে শুনোতে সেই মানুহজনে যদিও একো মতলীয়া মাত্ৰা খোৱা নাছিল, মতলীয়া হৈ গ'ল। আন আন মানুহতকৈও (যি সকলে খাইছিল) মতলীয়া হৈ গ'ল, যদিও ইমান উত্তেজনাৰ একো কাৰণ নাছিল। সেই বাৰে বাৰে "*You are a bit on, I see, I see*"য়েই তাৰ কাৰণ।

সেইদেখি সময়ে-অসময়ে আমি এলেহুৱা, আমি লেৰেলা, চেবেলা, এনে কথা কোৱা ভাল নহয়। তেনেহলে আমি সেই মানুহটিৰ দৰে মৰিম, আৰু সেই মতলীয়াৰ দৰে আমি মতলীয়া হ'ম। সেই মানুহটিৰো মৰাৰ কাৰণ নাছিল, সেই মতলীয়াৰো মতলীয়া হোৱাৰ কাৰণ নাছিল। নিজৰ দোষ থাকিলে প্ৰিয় বন্ধু এজনে যদি সেই দোষ দেখুৱাই নিদিয়ে, সেই বন্ধু, আকৌ কওঁ, মিত্ৰ নহয়, শত্ৰুহে। আমাক অনুকূল চিন্তা লাগে, অনুকূল চিন্তাই আমাক মানুহ কৰিব। প্ৰতিকূল চিন্তাই নকৰে, বিপৰীতহে কৰিব।

মানুহৰ এটি স্বভাৱ আছে এই, যে নিজে যেতিয়া কোনো কামত অকৃতকাৰ্য্য হয়, তেতিয়া নিজৰ অকামিলা স্বভাৱক দোষ নিদি আনক দোষ দিয়ে। আপোনাসকলেও স্কুলত পঢ়িছে, ময়ো পঢ়িছোঁ। স্কুলীয়া দোষ এটি আছে যে মাষ্টৰে যদি এটি লৰাৰ কিবা দোষ ধৰে, সেই লৰাটিয়ে তেতিয়াই

ঘপৰাই কয়, "স্যাৰ, মোৰ একো দোষ নাই, সৌ ল'ৰাটোৱে হাঁহিছে দেখি মই হাঁহিলোঁ", অথবা "সৌ ল'ৰাটোৱে মোক এই কাম কৰিবলৈ শিকাই দিছে।" আমিও বয়সিয়াল মানুহবিলাকেও সুবিধা পালে এনে কথা কওঁহক হবলা।

আমি "বিদেশী"ক, তথাকথিত বিদেশীক, নিজৰ দোষ নেদেখি দোষ দিওঁ। আমি বিদেশীৰ সমকক্ষ নহওঁ কিয়? আন আন ভাৰতীয়ৰ পৰা আমি কি কি কথাত নো বেলেগ? মোৰ প্ৰথম উত্তৰ হৈছে আমি এলেহুৱা। আমি এলাহ এৰোঁ, আনৰ দৰে, এতিয়াই আনৰ দৰে ডাঙৰ হ'ম। অৱশ্যে আপোনা-সকলে এই কথা কব পাৰে যে অলপ আগেয়েই এওঁ দেখোন ক'লে যে আমাৰ দোষবোৰ বাহিৰত কোৱা ভাল নহয়। কিন্তু মই আসাম সাহিত্য সভাক "বাহিৰা" বুলি নেভাবোঁ। আসামৰ কথা ক'লে এই সাহিত্য সভা বাহিৰ নহয়। এই সাহিত্য সভা ঘৰহে। এই সাহিত্য সভাই অসম আইৰ ঘৰৰ দুৱাৰত বন্তি জ্বলাই আছে। আমি এতিয়া সেই ঘৰৰ দুৱাৰদলি পাৰ হৈ আহিছোঁ ইয়াত আমাৰ ঘৰুৱা কথা নকম নে?

যেনেকৈ জাৰকালি কুঁৱলীৰ মাজে মাজে সূৰ্য্যদেৱে ক্ষণিকৰ নিমিত্তেও নিজৰ প্ৰভাৱ বিস্তাৰ কৰে, তেনেকৈয়ে মই দেখি বৰ আনন্দ পাইছোঁ যে এলাহ-কুঁৱলীৰ ভিতৰৰ পৰাও অসমীয়াৰ কৰ্ম্মক্ষমতাৰ আভাস পাওঁ। আভাস কিয়, সশৰীৰে দেখোঁ। কি আনন্দ! এতিয়া দেখিছোঁ যে অসমীয়াই এঙামুৰি দিছে।

কিন্তু বিদেশীক কিয় দোষ দিওঁ? আমিও মানুহ, তেওঁলোকো মানুহ। তেওঁলোকে যি কাম কৰিব পাৰে আমিও কৰিব পাৰোঁ। তাকে আমি নকৰোঁ কিয়? কথা হৈছে, এই আমাক আত্ম-হবলৈ শিকিব পাৰোঁ, শক্তি পাওঁ, এই ইচ্ছা লাগে; এই ইচ্ছাৰ বশবৰ্ত্তী হৈ কাম কৰিব লাগে। কিন্তু আত্মনিৰ্ভৰশীলতাৰ উৎপত্তি যেন সৎসাহসত হয়, দুঃসাহসত নহয়। আমাৰ কামৰ সূচনাত, কামৰ ভিতৰত, কামৰ সম্পন্নত, এনে কথা যেন কোনো মানুহে নকয়—"*Yes, Fools rush in where angels fear to tread.*" এই আমি যাক বিদেশী কওঁ, তেওঁলোকৰ সৈতে প্ৰতিযোগিতা কৰা অতি উচ্চ। বিদেশীক দোষ নিদি আমিও তেওঁলোকৰ সৈতে মিত্ৰভাৱে অৰিয়াঅৰি নকৰোঁ কিয়?

আমি ই নেপাওঁ, সি নেপাওঁ, আমি হাতীৰ মহল নেপাওঁ, আমি মাছৰ মহল কিয় নেপাওঁ, এনেবোৰ কথা ভাবি মিছাকৈয়ে সময় নষ্ট কৰা ভাল নেপাওঁ। এই মাছৰ মহলৰ কথা লেখোঁতে লেখোঁতেই এটি কথা মনত হল, নেলেখি নোৱাৰিলোঁ, নকৈও নোৱাৰিলোঁ। মই এদিন উজান বজাৰলৈ ই-সি কিনিবলৈ পূৰ্ব্বাহ্ণ ৮৷-৯ বজাত যোৱাত দেখিলোঁ। যে পোহাৰীবিলাক এনেয়ে বহি আছে। মই এজনী পোহাৰীক সুধিলোঁ "আইদেও, এতিয়া লৈকে মাছ নাই কিয়?" ৰিহা-মেখেলা পিন্ধা অসমীয়া ভিকতাৰ অসমীয়াত্ব ৰখাৰ প্ৰতিনিধি জনাই ক'লে "দেউতা, বঙ্গালহঁতে মাছ মাৰি দিলেহে মাছ পাম।" কি শোকৰ কথা, কি শোকৰ কথা! মই সুধিব পাৰোঁনে কিয় এই উত্তৰ পালোঁ। ৰাজ-নীতিজ্ঞ জ্ঞানীসকলে তৰ্কৰ আলিবাটেদি বহুত দূৰলৈ লৈ যাব। কিন্তু আমি সাধাৰণভাৱে সুধিব পাৰোঁনে, কিয় আমাৰ এই দশা হল! আনক দোষ দিলে কাম নহব।

আমাৰ বাণিজ্য আমাৰ হাতত নাই। কোনো ব্যৱসায় হাতত নাই। অৰ্থাৎ কৰলগীয়া, লেখলগীয়া, লেখিবলগীয়া এনে কোনো ব্যৱসায় হাতত



আছে। কিন্তু অসমীয়া চাহ বাগিচাৰ গৰাকীবিলাক বিদেশী মালিকৰ আগত কিমান কম ভাবিছেনে? আমি বাণিজ্যত যদিও প্ৰথম শ্ৰেণীত "পাছ্" নহওঁ, যদিও এই সুকোমল, সুশ্যামল, বনাবৃত পৰ্ব্বতমণ্ডিত, নদ-নদী-শোভিত, বৃক্ষলতালঙ্কৃত প্ৰকৃতিৰ প্ৰিয় নিকেতন আসামত বাণিজ্যৰ বহুতো উপাদান আছে, আমি কিন্তু "পাছ্" নহওঁ। সেই উপাদানসকলক আমি অৱহেলা কৰোঁ, বিদেশী, যাক আমি বিদেশী কওঁ, সেই বিদেশী আহি সেইবিলাক বস্তুক কৰ্ম্মৰ ক্ষমতা দি সজাগ কৰে, বাণিজ্যক্ষম কৰি ধন সোনাত ভৰায়, আমি চাই থাকোঁ, একো নকৰোঁ, কিন্তু কওঁ— "কি ক'ম, দেউতা, বঙ্গালে আহি সকলো লুটি ললে।" আনে ভাত বাঢ়ি দিলেহে আমি ভাত খাম। বৰ দুখৰ কথা! আপোনাসকলে ভাবিব পাৰে যে গুৱাহাটীৰ পৰা এই মানুহটো আহি, সি গুৱা-হাটীৰো নহয়, নগাঁৱৰো নহয়, ক'ৰো নহয়—,এই মানুহটো সাহিত্য-সভালৈ আহি এইবোৰ কি কথা কৈছেহি? মই নিৰুপায় হৈহে মোৰ দেশৰ এনে অৱস্থাৰ এটি অসম্পূৰ্ণ চিত্ৰ তুলি ধৰিলোঁ। যদি আমি আন আন ভাৰতীয়ৰ সৈতে অৰিয়াঅৰিত প্ৰতি কথাতে হাৰোঁ তেনেহলে আমাৰ উন্নতিৰ বাট নাই। কিন্তু মই কওঁ, আমি নেহাৰোঁ। আমাৰ অনুকূল চিন্তা নাই দেখিহে আমি আগ বাঢ়িব পৰা নাই। আন আন মানুহো মানুহ, আমিও মানুহ, তেওঁলোকে যি কৰিব পাৰে আমিও তাকে কৰিব পাৰোঁ। ই নিশ্চয়। মনত এনে ভাব লৈ আগুৱালে আমাৰ জয় অৱশ্যম্ভাবী।

আমাৰ বাণিজ্য নাই, ব্যৱসায় নাই, আমাৰ একোকে নাই! একোকে নাই নকওঁ, আমাৰ আছে, আমাৰ আছে এটি বস্তু সেই বস্তুটি হৈছে আমি যাক আধুনিকভাৱে সাহিত্য বুলি কওঁ। এই আধুনিক ভাবৰ সাহিত্যকে আমি "তাজা" টন-কিয়াল ৰাখোঁচোন বাৰু। নে তাকো আমি ৰাখিব নোৱাৰোঁ? নিশ্চয়, নিশ্চয়, ৰাখিব পাৰিম। আমি আটায়ে যেতিয়া জগতত আন সকলো মানুহৰ সৈতে সন্মান পাম তেতিয়াহে জানিম যে আমাৰ সাহিত্যৰ চৰ্চ্চা হৈছে, আমাৰ উন্নতি হৈছে।

ময়ো আগেয়ে কৈছিলোঁ, এতিয়াও বহুতে কয় যে আমাৰ পঢ়োঁতা-সমাজ সৃষ্টি কৰা উচিত। পাতত ভাত নাই—, পেটত ভোক, অথচ আমি কওঁ—খা, খা, কি খাবি খা! আমাৰ কিতাপ নাই, অথচ আমি কওঁ, কিতাপ পঢ়! বন্ধুসকল, এই "কিতাপ নাই" এই কথা আধুনিক ভাবেৰে এতিয়াৰ ৰুচি অনুসাৰে কৈছোঁ। এজন মানুহে যদি কোনো হোটেললৈ খাবলৈ যায়, সেই মানুহজনে যদি নিৰামিষীয়া খায়, তেওঁক পোলাও, কোৰ্ম্মা, কাবাব, কাট্লেট, ৰোষ্ট ইত্যাদি আমিষাহাৰ দিয়ে, তেওঁ খাব নে, বা খায়ে সুখ পাব? তেওঁক লাগে খাৰ, লোণ, জালুকীয়া, টেঙা, শাক-পাচলি, তেওঁ কেনেকৈ সেই "হোটেলীয়া মেনু" গ্ৰাস কৰিব। আৰু এজন "হোটেলীয়া মেনু" গ্ৰাস কৰিব পৰা মানুহক যদি একেৰাহে নিৰামিষীয়া আহাৰ দিয়া হয়, তেওঁ কেনে সুখ পাব? আমাৰ নাই কিতাপ, আমি কওঁ—পঢ়, পঢ়, পঢ়! কি পঢ়িম? আসামৰ কিতাপ বিলোৱা পুথি-ভঁৰাল এখনৰ কিতাপৰ তালিকা পঢ়ি চালে দুখ লাগে। আমাৰ কিতাপৰ সংখ্যা কিমান কম!

বন্ধুসকল, ত্ৰিশ্ চল্লিশ্ বছৰৰ আগেয়ে বঙ্গদেশীয় ভাষাও আমাৰ দৰেই আছিল। এতিয়া চাওক বঙ্গদেশীয় ভাষাৰ কি প্ৰভাৱ! কি প্ৰতাপ! কুৰি বছৰমান আগেয়ে লেখত ল'বলগীয়া কেইজন বঙ্গলা ভাষাৰ সাহিত্যিক আছিল আপোনাসকলে সুন্দৰভাৱে জানে। কিন্তু চাওক, সাহিত্য-চৰ্চ্চা কৰি কৰি এতিয়া বঙ্গলা সাহিত্যই

ভাৰতৰ শীৰ্ষস্থান অধিকাৰ কৰিছে বুলিলে হয়। আমি এই বিষয়ত বঙ্গদেশৰ অনুকৰণ যদি কৰোঁ আমাৰ মঙ্গল হব। আমাৰ অসমীয়াই নো নোবেল প্ৰাইজ নাপাব কিয়? আকাঙ্ক্ষা থাকিলে এই ওখ পুৰস্কাৰ আমাৰো হব। পঢ়িবৰ কিতাপ থাকিলেই পঢ়োঁতা-ৰাইজ ওলাব। কিতাপে পঢ়োঁতা-ৰাইজ সৃষ্টি কৰে। মানুহক কিতাপ লেখিবলৈ উদ্গনি দিব লাগে। আমাৰ ভাষাৰ এতিয়াৰ অৱস্থাত লেখকক উৎসাহ দিব লাগে। সময়ে-অসময়ে নতুন লেখকৰ লেখাক ভৰিৰে-গছকা আলোচনা কৰি নিৰুৎসাহ কৰিব নেলাগে। এতিয়া যি লেখা ওলায় ওলাই থাকক। সময়ত যিবোৰ ভাল সেইবোৰ স্থায়ী হ'ব। যিবোৰ বেয়া নিজেই মাৰ যাব। এনে কৰিলেহে পঢ়োঁতা ৰাইজ ওলাব। অৱশ্যে মই পৈণত লেখকসকলৰ কথা ইয়াত কোৱা নাই। মই নতুনকৈ ওলোৱা লেখক-লেখিকাসকলক ভৰিৰে-গছকা সমালোচনাৰ কালেহে বিশেষকৈ আঙুলিয়াইছোঁ। বন্ধুভাৱে সমালোচনা কৰা অৱশ্যে বেলেগ কথা। সেইবুলি মই এনে কথাও কোৱা নাই যে যথা অভিৰুচি-কুৰুচিৰে ভৰা কিতাপ ছপা হব লাগে। আজিকালি য়ুৰোপীয় সাহিত্যত বাস্তৱ-জীৱন প্ৰকাশক কুৰুচিপূৰ্ণ মতা-তিৰোতা সম্বন্ধীয় গ্ৰন্থ ওলাইছে আৰু তাৰে অনুকৰণ কৰি বঙ্গলা ভাষাতো তেনে গ্ৰন্থ ওলাইছে. আমাৰ সাহিত্যত তেনে গ্ৰন্থ ওলালে আমাৰ মনে মনে থকা ভাল নহয়। তেনে লেখকক উৎসাহ দিবলৈ মই কোৱা নাই। কথা হৈছে এই, আমি কোনো কিতাপ ঘৰৰ ল'ৰা-ছোৱালী, বাই-ভনী, ককাই-ভাই, আই-বোপাইৰ আগত পঢ়িব পাৰোঁনে নোৱাৰোঁ?

আমাৰ বিবিলাক মাহেকীয়া, সাপ্তিনীয়া, পষেকীয়া কাকত-পত্ৰ-পত্ৰিকা আছে সেইবিলাক কাকতৰ গৰাকীসকলে নতুন লেখকক উৎসাহ দিব লাগে। বৰ সুখৰ কথা যে "আৱাহন", "বাঁহী", "অৰুণ", "আমাৰ দেশ" ইত্যাদি পত্ৰিকাই আমাৰ সাহিত্যক জীয়াই আৰু জিলিকাই ৰাখিছে। এই-বিলাক কাকতত ন ন লেখকৰ নাম যেতিয়া মই দেখোঁ তেতিয়া মোৰ যে কি আনন্দ হয় মই কৈ কি লেখি ব্যক্ত কৰিব নোৱাৰোঁ। ভগৱানেহে জানে। এই ন ন লেখকসকলেই আমাৰ সাহিত্যৰ ভবিষ্যত ভৰসা। এতিয়া "পখিলা" বুলি আৰু এখন কাকত ওলাইছে। যিমান এনে পত্ৰিকা ওলায় তিমানেই সাহিত্যৰ উন্নতিৰ বাট আগুৱায়। অৱশ্যে কাকত লওঁতাসকলে জোলোঙ্গা কি হাত-পেৰাৰ পৰা ধন উলিয়াওঁতে দুখ পাব পাৰে। মই এই কাকতৰ গৰাকীসকলক ধন্যবাদ দিওঁ। আৰু ঈশ্বৰৰ ওচৰত খাটোঁ। যেন এই কাকতবিলাকে বহুদিনলৈকে—অনন্ত কাললৈকে—আমাৰ সাহিত্যৰ উন্নতি সাধন কৰি থাকে। কাকতৰ কথা কওঁতে কওঁতে "Times of Assam"ৰ কথা যদি নকওঁ তেনেহলে আমি বৰ অকৃতজ্ঞ হ'ম। "অৰুণোদয়"ৰ পাছতে এই কাকতখনি ইমান দীঘল সময়লৈকে আমাৰ সম্পত্তি হৈ আছে। ই পৰমানন্দৰ কথা। আজি স্বৰ্গীয় ৰাধানাথ চাংকাকতীৰ নাম লৈ আমি সকলোৱে এই কথা ভাবোঁ যেন সেই পুৰুষৰ আদৰ্শ এতিয়াৰ আৰু ভবিষ্যতৰ পত্ৰিকাৰ গৰাকীসকলে অনুসৰণ আৰু অনুকৰণ কৰে। যদিও এই কাকতখনি ইংৰাজীত, কিন্তু এই কাকত-খনিয়ে মোৰ আসামক আৰু আপোনাসকলৰ আসামক ইংলণ্ডীয় ভাষা কোৱা আন আন ঠাইত আসামৰ কথা আগবঢ়াই আছে। সেইগুণে স্বৰ্গীয় ৰাধানাথ চাংকাকতী ডাঙ্গৰীয়াৰ উদ্দেশে অন্তৰৰ পৰা শ্ৰদ্ধা জনাওঁ। আশাকৰোঁ এই কাকত খনিয়ে বহুত "জুবিলী" কৰিব পাৰিব। আৰু



দুখন কাকত আছে—"অসমীয়া" আৰু "বাতৰি"। "অসমীয়া"ই এযুগতকৈও সৰহ দিন আমাৰ সাহিত্যৰ সেৱা কৰি আছে। এই "অসমীয়া"ৰ দ্বাৰাই আমাৰ বহুত উপকাৰ হৈছে। এই অসমীয়া যে ইমান দিন জীয়াই আছে, ই কবিবৰ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙ্গৰীয়াৰ কৰ্ম্মক্ষমতাৰ গুণেহে। এতিয়াৰ সম্পাদক শ্ৰীযুত পদ্মধৰ চলিহায়ো এই দুবছৰমান এই কামত সহায় কৰিছে। "বাতৰি" ক্ৰোৰপতি ৰায় বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙ্গৰীয়াৰ প্ৰিয় বস্তু। এই কাকতৰ কামত এতিয়া শ্ৰীযুত নীলমণি ফুকনো লাগিছেহি। সুখৰ কথা। এই "বাতৰিয়ে"ও আমাৰ সাহিত্যক টনকিয়াল কৰি ৰখাৰ বাবে গৰাকীসকলক, যেনেকৈ আন আন কাকতৰ গৰাকীসকলক ধন্যবাদ দিছোঁ, তেনেকৈ ধন্যবাদ দিওঁ। এনেবিলাক কাকতেই সাহিত্য জাগৰণ কৰে আৰু জীয়াই ৰাখে। সেই দেখি এই কাকতবিলাক অমূল্য ধন। আৰু এখন কাকত "আসাম-বন্তি"। এই কাকতখনে সাহিত্য সেৱা কৰি সাহিত্য-মন্দিৰত বন্তি দি আছে। এই বন্তিয়ে আশাকৰোঁ বহুত দিনলৈকে পোহৰ দি থাকিব। কাকতৰ গৰাকীসকলক মই অতি নত হৈ কওঁ যেন তেওঁলোকে কোনো উঠি অহা সাহিত্যিকক দলিয়াই নেপেলায়। তেওঁলোকে যেন বাইৰণৰ হৃদয়স্পৰ্শী কবিতা মনত ৰাখে, যেতিয়া তেওঁলোকে কোনো লেখা অগ্ৰাহ্য কৰে আৰু কোনো লেখকৰ লেখা গছকি সমালোচনা কৰে। মোৰ কিতাপখন আগত নাই। মোৰ যিমান মনত আছে কওঁ—"Who killed Keats?" "I" said the Quarterly, so savage and so Tartarly, poet, priest, Milman, so ready to kill man" ইত্যাদি। এনে কথা যেন ভবিষ্যৎ লেখকসকলে আমাৰ কোনো কাকতৰ ফালে কেৰাহিকৈ চাই নেলেখে আৰু তেওঁলোকক যেন লেখিবলৈ সুযোগ দিয়া নহয়।

"বাঁহী"ৰ কথা কি ক'ম? আপোনাসকলে জানে যে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱায়েই প্ৰথমে বাঁহী বজায়, সেই বাঁহীত এতিয়া "অসমীয়া" কাকতৰ গৰাকীসকলেই সুৰ সুন্দৰকৈ লগাই আছে। এই নিমিত্তে এই বাঁহীৰ কৰ্ম্মাধ্যক্ষ সকলো আমাৰ ধন্যবাদৰ পাত্ৰ। এইখিনিতে কওঁ যে বৰ দুখৰ কথা, কিছুমান দিনৰে পৰা আমি "আসাম সাহিত্য সভা পত্ৰিকা"ৰ মুখ দেখা নাই। মানুহে যেনেকৈ "হাৱা বদলাবলৈ" যায় আৰু কিছুদিনৰ পাছত নিজা ঠাইলৈ আকৌ উভতি আহে, তেনেকৈ পত্ৰিকাখনি আকৌ আসামত ওলাই আগৰ দৰে সুন্দৰ, গুণী, জ্ঞানী কথাৰে আমাক শিক্ষা দি আমাৰ সাহিত্য আৰু দেশৰ জ্যোতি বঢ়াই থাকে যেন। এই কাকতখনি আমাক আকৌ লাগে। "হাৱা বদলাই" যেন সোনকালে যোৰহাটলৈ উভতি আহে। বৰ আনন্দৰ কথা যে আমাৰ মহিলাসকলেও আমাৰ সাহিত্যৰ জেউতি বঢ়াইছে। ইংৰাজ সাহিত্যিকৰ প্ৰথম শাৰীত ঠাই পোৱা লেখিকা 'জৰ্জ্জ এলিয়টে" নিজৰ নাম নিদি মুনিহৰ নাম দি ১৮৫৭ খৃষ্টাব্দৰ পৰা ১৮৮০ লৈকে কিতাপ লেখিছিল। তেওঁ ভয় খাইছিল—তেওঁ যে তিৰুতা এই কথা পঢ়োঁতা-ৰাইজে জানিলে তেওঁৰ লেখা বোধ কৰোঁ শ্ৰদ্ধা কৰি নপঢ়িব। "জৰ্জ্জ এলিয়ট"ৰ আগেয়েও যদিও কেগৰাকীমান লেখিকাই নিজৰ নামেৰে লেখিও ইংৰাজী সাহিত্যত ওখ ঠাই পাইছিল, সেই আহি পায়ো "জৰ্জ্জ এলিয়ট"ৰ ভয় হল হয়তো তেওঁক তিৰুতা বুলি জানিলে তেওঁক অশ্ৰদ্ধা কৰিব। কিন্তু বৰ সুখৰ কথা যে আমাৰ অসমীয়া তিৰুতাসকলে যিবিলাক কিতাপ লেখিছে তেওঁলোকৰ নিজৰ নাম দিয়েই

লেখিছে। সেইদেখি মোৰ বৰ আনন্দ হৈছে যে জৰ্জ্জ এলিয়টে ইংৰাজী সাহিত্যৰ তেনে ওখ অৱস্থা দেখিও নিজৰ নাম দি কিতাপ লেখিবলৈ সাহ নকৰিলে—কিন্তু আমাৰ লেখিকাসকলে নিজৰ নাম দি লেখিও আমাৰ সাহিত্যৰ উন্নতি কৰিব লাগিছে। আৰু আমিও তেওঁলোকৰ কিতাপ অতি আগ্ৰহেৰে পঢ়ি আছোঁ। মই এই মহিলাসকলক মোৰ অন্তৰৰ পৰা ধন্যবাদ আৰু অভিবাদন জনাওঁ। আমাক আৰু মহিলা লেখিকা লাগে।

আপোনাসকলে এই উত্তৰ লক্ষীমপুৰতে ৰায়-বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা ডাঙ্গৰীয়াক অভিনন্দন দিয়া কথাফেৰি অতি সুশোভন হৈছে। আমি যেতিয়া নিজৰ দেশৰ মানুহক তেওঁলোকৰ কামৰ নিমিত্তে শ্ৰদ্ধা কৰিবলৈ শিকিছোঁ তেতিয়া মই হাঁফি কওঁ যে আমাৰ ভৱিষ্যৎ উজ্জ্বল। ইংৰাজী বচন "*A prophet is not honoured in his country*" এই কথা আপোনাসকলে মিছা বুলি তললৈ পেলাইছে। বৰ সুখৰ কথা, নিজৰ মানুহে যদি এজন আপোন মানুহৰ মোল নুবুজে কোনে বুজিব? শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াকো এইদৰে অভিনন্দন দিয়াও বৰ শুৱনী হৈছে। সকলো সাহিত্য-চৰ্চ্চাকাৰীকে মই শ্ৰদ্ধাপূৰ্ণ নমস্কাৰ জনাওঁ—যি সকল এতিয়া ইহলোকত আৰু যি সকলে এই দেহ ৰক্ষা কৰি পৰলোকৰ পৰা আমাক আশীৰ্ব্বাদ দি আছে আৰু থাকিবও, তেওঁলোককো। যিসকলে ইপাৰৰ পৰা সি-পাৰলৈ গৈছে সিসকলক মই আন্তৰিক শ্ৰদ্ধা-ভক্তি বিশেষকৈ জনাওঁ।

সকতে কলিকতাত "জন্মভূমি" বুলি এখন কাকত দেখিছিলোঁ। তাত কেবাবাৰো "কালিদাস বড় কি মোক্ষমূলাৰ বড়" এনে শিতান দি থকা প্ৰবন্ধ দেখিছিলোঁ। মাজে মাজে পঢ়িছিলোঁও। তাৰ পাছত ডাঙ্গৰ হোৱাত এবাৰ শুনিলোঁ যে ইংলণ্ডীয় সকলে ভাবিছে তেওঁলোকে ভাৰত এৰিব নে শ্বেক্স-পিয়েৰ এৰিব, আৰু মাজে মাজে শুনিছিলোঁ যে ঢাকাত বুঢ়ী-গঙ্গাত মানুহে পাৰ হওঁতে "ৰূপ বাপু বড় না গণি মিয়া বড়" এই বুলি তৰ্ক কৰি কৰি কেবাবাৰো নাও বুৰাইছিল। এনেকুৱা তৰ্ক মানুহ জাতি থাকে মানে হৈ থাকিব। কিন্তু কোনো মানুহেই এই কথা নকয় যে তেওঁলোকে তেওঁলোকৰ জ্ঞানদাতা সাহিত্যিকসকলক এৰিব মুখেৰে কলেও কামেৰে নেৰে। ক'তা দেখোন শ্বেক্সপিয়েৰ ইংৰাজেই আছে। এই জগত কবিৰ ঘৰ এতিয়াও *Stratford on Avon*, আমেৰিকাৰ কোটি কোটি টকায়োতো সেই ঘৰ লৈ যাব নোৱাৰিলে। কিয় নোৱাৰিলে? কিয়নো ব্ৰিটিশ জাতিয়ে জানে যে সাহিত্য-চৰ্চ্চাই হৈছে জাতিৰ উন্নতিৰ ঘাই কাৰণ। যি জাতিৰ সাহিত্য নাই সি জাতিৰ উন্নতি নাই। আমাৰ সাহিত্য আছে দেখিহে আমি এতিয়ালৈকে এই জগতত আছোঁ; আমাৰ ৰামায়ণ, মহাভাৰত, বেদ আৰু আন আন শাস্ত্ৰাদিৰ কথা নকলেও হব, আছে দেখিহে আমি এতিয়াও ইয়াত। আজিকালি জগতত কিমান নৰ্থ আমেৰিকান ইণ্ডিয়ান (*North American Indian*) আছে আৰু আমি ইণ্ডিয়ান (*Indian*) কিমান আছোঁহক। আমাৰ সাহিত্যই আমাক ৰক্ষা কৰিছে। যি দেশৰ সাহিত্য জীৱিত আৰু সাহিত্য ডাঙ্গৰ সেই দেশ কেতিয়াও নমৰে। সাহিত্যই দেশৰ প্ৰাণ। আমি নমৰোঁ। বৰঞ্চ আমাৰ উন্নতিহে হব যদি আমি আমাৰ উন্নতি সচাসচিকৈয়ে অন্তৰৰ পৰা ইচ্ছা কৰোঁ।

বন্ধুসকল, যদিও আমি আন আন বিষয় লৈ খিয়লাখিয়লি কৰোঁ, কাজিয়া কৰোঁ, মকৰ্দ্দমা কৰোঁ



কিন্তু আমি যেন সাহিত্যৰ নিমিত্তে এক-মন এক-প্ৰাণ হৈ এক হৈ থাকোঁ। যদি কোনো বস্তুৱে আমাক সজীৱ ৰাখিব পাৰে, এই সাহিত্যইহে।

কিতাপ সাহিত্যৰ এটি প্ৰধান অঙ্গ।* কিতাপৰ কথা লেখোঁতে মনত হ'ল অসমীয়া ভাষাৰ এখন নতুন বহুমূলীয়া কিতাপৰ কথা। সেই কিতাপকে উপলক্ষ কৰি আসামৰ এজন স্বনামধন্য পুৰুষে দেশক ভক্তি কৰি বহুত টকা দেশৰ সাহিত্যৰ অৰ্থে দান কৰিছে। সেই মানুহজন স্বনামধন্য ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়া। শ্ৰীযুত ৰাধাকান্ত সন্দিকৈয়ে টকা দিলে—সাহিত্য সভাৰ এটি হল হ'ল। শ্ৰীযুত সন্দিকৈয়ে টকা দিলে, "চন্দ্ৰকান্ত অভিধান" হ'ল। এই অভিধান খনি আমাৰ যাউতিযুগীয়া জাতীয় সম্পত্তি—যেনে ইংলণ্ডীয় ভাষা কোৱা বিলাকৰ *Johnson's Dictionary*, *Murray's Dictionary*, *Webster's Dictionary* আমাৰ ঘৰত যদি কিবা অনুষ্ঠান হয়, বিশেষ বিয়া, তেতিয়া কোন মানুহে ক'ব পাৰে যে সেই বিয়া বিনা আসোঁৱাহে হৈছে? বুকত হাত দি কোনো মানুহে কব পাৰে নে? বিয়া কিয়? এটি সাধাৰণ নিমন্ত্ৰণতে কিমান আসোঁৱাহ ওলায় আহি! এনে কথা কোনেও কব নোৱাৰে যে কোনো ডাঙ্গৰ কাম বিনা আসোঁৱাহেৰে সম্পন্ন হয়। এই "চন্দ্ৰকান্ত অভিধান"ৰ দৰে জাতীয় সম্পত্তি আমাক গ্ৰন্থকাৰসকলে দিয়াত যদি আমি কিবা আসোঁৱাহ দেখোঁ কিম্বা পাওঁ, তেনে আসোঁৱাহক আসোঁৱাহ বুলি ভবাটোৱেই দোষৰ কথা। আমাৰ ঘৰৰ কথা ভাবোঁচোন বাৰু। জাতীয় সম্পত্তিক সকলোৱে নিজৰ বুলি কব লাগে, নিজৰ বুলি ভাবিব লাগে। শ্ৰীযুত সন্দিকৈয়ে ইমান টকা দিছে (মই অৱশ্যে নেজানোঁ আন কোনো দান-বীৰে ইমান টকা সাহিত্যৰ নিমিত্তে দিছে নে নাই) তেওঁ অসমীয়া, আৰু অসমীয়াৰ গৌৰৱ; অভিধান-খন চিৰদিনলৈ থাকিব; এনেবোৰ কথা ভাবি ভাবি দোষ যদি কিবা থাকে মিত্ৰভাৱে উনুকিয়াই দিয়াহে আমাৰ কৰ্ত্তব্য। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ মত পঢ়াৰ আগেয়েও দুখীয়াৰ দুখী অৱস্থাৰে মোৰো সেই মত আছিল। কিন্তু এতিয়া এনে এটি ডাঙ্গৰ "নজিৰ" যেতিয়া পাইছোঁ মোৰ এই বিষয়ে আৰু একো কথা নকলেও হব। আশা কৰোঁ ৰাইজে শ্ৰীযুত বেজবৰুৱা ডাঙ্গৰীয়াৰ মত সমৰ্থন কৰিব। এনে এখন জাতীয় সম্পত্তিক মই মোৰ অন্তৰৰ ভক্তি দিওঁ। সকলো অস-মীয়াই যেন এই জাতীয় সম্পত্তিক মৰম কৰি অনন্তকাললৈকে জীৱন্ত ৰাখে। এইখিনিতে নতুনকৈ ওলোৱা শ্ৰীযুত বুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য ডাঙ্গৰীয়াৰ অভিধানকো আমাৰ জাতীয় সম্পত্তি বুলি কওঁ, যি কোনো অসমীয়ায়ে সাহিত্যৰ উন্নতি কৰে, সেই সাহিত্য অসমীয়া সাহিত্যই হওক, কি আন কোনো সাহিত্যই হওক, সেই মানুহজন আমাৰ সাহিত্যৰ বন্ধু। স্বৰ্গীয় আনন্দৰাম বৰুৱাই অসমীয়া কোনো কিতাপ লেখিছিল নে? যদিহে লেখিছিল মই নেজানো—কিন্তু ভাৰতবৰ্ষৰ বহু ঠাইত স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ কথা শুনো আৰু গৌৰৱান্বিত হওঁ, আমাৰ আনন্দৰাম বৰুৱাই আসামত নিজৰ

*Lord Macaulay ই কিতাপৰ কথা এবাৰ এনেকৈ কৈছিল :—

"If any one would make me the greatest king that ever lived, with palaces and gardens, fine dinners and wines and coaches, beautiful clothes and hundreds of servants on condition that I should not read books, I would not be a king."

টকাৰে সম্পত্তি নিকিনি মুৰ্শ্বিদাবাদত কিনিলে। কিয় কিনিলে, অসমীয়াই জানিব নোখোজেনে? কিন্তু আনন্দৰাম বৰুৱাৰ নাম লৈ আমি গৌৰৱান্বিত নহওঁনে? সেইদেখি কওঁ যে যি অসমীয়াই নিজক আন ঠাইত আন ভাষাতো ডাঙৰ কৰিছে সেই সেই অসমীয়াই আমাৰ কাম কৰিছে বুলি আমি ভাবিব লাগে। অসমীয়া অসমীয়া, সেই অসমীয়াই কামাস্কাটাতেই ভাল কাম কৰক, বা হনলুলুতেই ভাল কাম কৰক। যি ঠাইতে তেনে অসমীয়া মানুহ থাকে তেওঁ আমাৰ ভাই আৰু তেওঁ আমাৰ ককাই। তেনে অসমীয়াক আমি যদি নিজৰ নকওঁ, কাক ক'ম? আমাৰ মনৰ ঠেক ভাব যদি বহল কৰিব পাৰোঁ তেনেহলে আমাৰ সাহিত্যও বহল হ'ব, ডাঙৰ হ'ব। সকলো বস্তুৱেই মানুহৰ মনৰ পৰা উৎপত্তি। মন বাপেক-মাক—যেনে বাপেক-মাক তেনে কাম।

এবাৰ এজন গাৰো পৰ্ব্বতৰ ভদ্ৰলোক গুৱাহাটীলৈ আহিছিল। তেওঁৰ সৈতে মই অসমীয়া কলোঁ। তেওঁ নুবুজিলে। পাছত জানিলোঁ যে তেওঁৰ ফালে অসমীয়া শিকোৱা নহয়, বঙ্গলাহে শিকোৱা হয়। কিন্তু তেওঁ আহিছিল, আমাৰ আসাম উপত্যকাৰ কমিশ্যনৰৰ আদালতলৈ আপীলৰ নিমিত্তে। মই তেওঁক কলোঁ, "আপুনি আমাৰ কমিশ্যনৰৰ ওচৰলৈ আহিছে আপোনাৰ মকৰ্দ্দমাৰ আপীলৰ নিমিত্তে, কিন্তু আপুনি অসমীয়া নেজানে?" তেওঁ উত্তৰ দিলে, "নেজানোঁ।" তেওঁৰ সৈতে সেই অলপ সময়ৰ ভিতৰতে মিত্ৰতা হৈছিল। তেওঁলৈ দুখন কি তিনিখন অসমীয়া কিতাপ পাছদিনা পঠাই দিলোঁ। তেওঁ সেই কিতাপ পঢ়িছিলনে দলিয়াই পেলাইছিল কব নোৱাৰোঁ।

শিলঙত আজিকালিৰ হিন্দু মিশ্যনৰ এজন কৰ্ম্মীৰ নাম মনত পৰিল। স্বৰ্গীয় শ্ৰীযুত দুৰ্গেশ্বৰ গোস্বামী। তেওঁ বহুত কম বয়সতে ইহলোকৰ পৰা অলপতে আঁতৰি গল। তেওঁ এই মিশ্যন কি আন এনে কোনো হিন্দু মিশ্যনৰ বহুতো কাম কৰিছিল। তেওঁৰ আত্মাৰ সদগতিৰ নিমিত্তে এইখিনিতে ঈশ্বৰ খাটোঁ। এনে এটি হিন্দু মিশ্যনৰ এজন কৰ্ম্মী গুৱাহাটীলৈ আহি কাৰো কাৰো পৰা তেওঁলোকৰ পঢ়াশালিৰ নিমিত্তে অলপ দিন আগেয়ে পচা তুলিছিলহি। তেওঁৰে সৈতে কথা হৈ জানিলোঁ যে তেওঁৰ হিন্দু মিশ্যনত বঙ্গলাহে শিক্ষা দিয়া হয়, অসমীয়া নহয়। তেওঁৰে সৈতে মোৰ তাৰ পাছত দুবাৰ এবাৰ দেখা হৈছিল। তেওঁক মই এই কথা কৈছিলোঁ।—"বঙ্গলা শিকাওক—কিন্তু এই মানুহ সকলৰ ওচৰ-চুবুৰীয়া মানুহ অসমীয়া কোৱা মানুহ। তেওঁলোকো আসাম ৰাজ্যৰ অধীন,—অসমীয়াই। এওঁলোকক অসমীয়া শিকাবৰ কিবা এটি আয়োজন নকৰিলে বেয়া হব।" তেওঁৰ উত্তৰত এই আভাস পালোঁ যে তেওঁলোকে যথাসাধ্য চেষ্টা কৰিব। তেওঁলোকৰ সহকৰ্ম্মী এজন মাধোন অসমীয়া। তেওঁৰে সৈতে পৰামৰ্শ কৰি চাব মই কলোঁ—'মোক জনাব দেই।"

মণিপুৰ আমাৰ অতি নিজা। যদিও এই মণিপুৰক আন মানুহে আন ঠাইলৈ লৈ যাব খোজে। আপোনাসকলে জানে যে বহুত মানুহে কয়, অৰ্জ্জুন বভ্ৰুবাহনৰ মণিপুৰ উঁড়িষ্যাৰ ওচৰত। মই এখন বঙ্গলা মহাভাৰতত ভাৰতৰ চিত্ৰত মণিপুৰ সেই ঠাইত অঙ্কিত থকা নিজৰ চকুৰে দেখিছোঁ। আমাৰ অসমীয়া মণিপুৰতো, মই যিমান দূৰ জানিব পাৰিছোঁ, বঙ্গলাহে শিকোৱা হয়, অসমীয়া নহয়। মণিপুৰৰ মানুহসকলে আমাৰ অসমীয়া ভাষা তাত নিশিকালেও, নিশিকিলেও এই কথাফেৰি জগতক ক'ব নোৱাৰোনে যে আমাৰ মণিপুৰেই সেই মণিপুৰ যি মণিপুৰলৈ আহি অৰ্জ্জুনৰ বিভ্ৰাট ঘটিছিল? এই আন্দোলনো ক'তো হোৱা মই শুনা নাই। কিন্তু তেওঁলোকে অসমীয়াই বা নিশিকিব কিয়? অসমীয়া ভাষা শিকাত কি দোষ?

এইখিনিতে মই যদি কওঁ এইফেৰি কথা, যে এইবোৰ ঠাইত অসমীয়া শিক্ষা দিয়াৰ ব্যৱস্থা হোৱা ভাল, আৰু সেই কামফেৰি সাহিত্য-সভাৰে, মই কিবা দোষৰ কাম কৰিম নে? আপোনাসকলে যি বিচাৰ কৰে কৰক। মই মোৰ কৰলগীয়া কথাখিনি কলোঁ। কিন্তু মই কওঁ, এনেবোৰ কথা ততালিকে হাতত নল'লে, পঞ্চম হৈ গ'লে আমাৰ হাতৰ পৰা আসামৰ এই অতি বিতোপন খণ্ডবোৰ একেবাৰেই যাব। এনে সম্পত্তিবোৰ চকুৰ আগতেই যাব দিয়া ভালনে? আপোনাসকলে ভাবক। বিশেষ, মণিপুৰত অসমীয়া কিয় শিকোৱা নহয়?

আমাৰ ঘৰৰ পৰা মণিপুৰ লৈ যায়, বাণৰজাৰ দেশ শোণিতপুৰ লৈ যায়, ভীষ্মক ৰজাৰ দেশ লৈ যায়! (এনেকি বৰ দুখৰ কথা উত্তৰ লক্ষীমপুৰৰ গেজেটীয়াৰ কিতাপতো কোৱা হৈছে যে ৰুক্মিণীৰ দেশ বেৰাৰ হে, যদিও অসমীয়াই সেই দেশ নিজৰ ঘৰত বুলি দাবি কৰে। মই সেই কিতাপখন পঢ়িহে বিপক্ষৰ দাবিৰ কথা জানিলোঁ।) কিন্তু আচৰিত এই যে গেজেটীয়াৰৰ পাতত এই কথা থকা জানিও কোনো অসমীয়াইও এই গেজেটীয়াৰৰ নাম লোৱা শুনা নাই। এজন শ্ৰীযুত সেনে এনে কথা কয়, শুনোঁ, আৰু এজন বঙ্গদেশৰ পণ্ডিতেও এনে কথা কয় শুনোঁ; তেওঁলোকৰ মতক প্ৰতিবাদ কৰা হয় জানো? কিন্তু এই কথা কেতিয়াও মই শুনা নাইও আৰু নাভিলোঁ যে এনে এখন কিতাপত এনে কথা থাকিব যে ভীষ্মক ৰুক্মিণীৰ দেশ বেৰাৰত। আৰু ইও বৰ আচৰিত যে কোনো অসমীয়া কাকতে-পত্ৰে এই গেজেটীয়াৰৰ সম্বন্ধে কোনো কথা মই দেখা নাই আৰু এই কথা কাৰো মুখে শুনাও নাই।

অলপতে শুনিছোঁ যে এজন কোনো মানুহে প্ৰাগজ্যোতিষপুৰক আসামত স্থান নিদি আন কোনো ঠাইলৈ লৈ যায়। বঙ্গলা বচন এটি ব্যৱহাৰ কৰি কওঁ "এ কি মগেৰ মুল্লুক নাকি?"

যিবিলাক মৈমনসিঙ্গীয়া মানুহে ইয়াত বাস কৰিবলৈ আহিছে আৰু মাটি-বাৰী কিনিছেহি তেওঁলোকৰ ভিতৰত অসমীয়া ভাষা প্ৰচাৰ হব লাগে। বিশেষ মৈমনসিঙ্গীয়াবিলাকৰ নিমিত্তে যি স্কুল স্থাপন কৰা হয় সেই স্কুলত যেন অসমীয়া ভাষাই প্ৰধান স্থান অধিকাৰ কৰে। কুকী, ডফলা ইত্যাদি যি পৰ্ব্বতীয়া অসমীয়াসকলে অসমীয়া নেজানে তেওঁলোকৰ ভিতৰতো অসমীয়া প্ৰচাৰ হব লাগে। এই কাম সাহিত্য-সভাৰ প্ৰচাৰ-শাখাই হাতত ল'লে দেশৰ মঙ্গল হয়।

শ্ৰীযুত পূৰ্ণকান্ত বুঢ়াগোহাঁই নামে এজন ভদ্ৰলোকে "অসমীয়া" কাকতত কেবাখনো পত্ৰ লেখি আমাক জনাইছে যে ব্ৰহ্মদেশত বহুতো মানে লৈ যোৱা অসমীয়াৰ সন্তান-সন্ততি আছে। এই নিৰ্ব্বাসন দণ্ড পোৱা আমাৰ নিজা ভাই-ককাই, বাই-ভনী অসমীয়াক আমি আটায়ে মৰমৰ চকুৰে নেচাম নে? উদ্যোগী ডেকা অসমীয়া কৰ্ম্মীৰ কোনো কোনোৱে সেই ফালে গৈ ফুৰি আহিবও পাৰে আৰু লগত অসমীয়া বস্তুও প্ৰবাসীসকললৈ উপহাৰ স্বৰূপে লৈ যাবও পাৰে। অসমীয়া উপহাৰ দেখি তেওঁলোকৰ মনৰ ভাব বিদেশ-বাসী আন আন অসমীয়াই অলপ অনুভৱ কৰিব পাৰিব বোধ কৰোঁ। সাহিত্য সভাক আৰু কিমান কাম দিয়া যাব, কিন্তু সাহিত্য-সভাই যেতিয়া 'ৰাইজৰ সেৱা

কৰিবলৈ আগবাঢ়ি আছেই, এই বাব কেইফেৰিও নিশ্চয় ৰং মনেৰে গ্ৰহণ কৰিব।

মোৰ এনেবোৰ বিষয়ে বহু কথা কবলৈ বেয়া আৰু ভয় লাগে, কিয়নো মোৰ মতবে সৈতে আনৰ মত একে নহব পাৰে। মই ওপৰত কোৱা কথাবোৰ উন্মুকিয়ালোঁহে মাথোন—বহলাই কোৱা নাই। বহলাই ক'লে বহল জগৰ লাগিব।

আপোনাসকলৰ, মোৰ, শঙ্কৰদেৱৰ বিষয়ে আসামৰ বাহিৰৰ মানুহে নেজানে কিয়? শ্ৰীযুত বাণীকান্ত কাকতী প্ৰফেছৰ ডাঙৰীয়াই শঙ্কৰদেৱৰ বিষয়ে এখন কিতাপ লেখিছে। এজন ইংৰাজ বন্ধুক এই কিতাপ দিবলৈ বিচৰাত সেই কিতাপ যে ইয়াত নেপালোঁৱেই, আন ঠাইতো নেপালোঁ। এনে এখন কিতাপ যেনেকৈ আম, লিচু, কৰি ইত্যাদি বাটে বাটে বেচা যায় তেনেকৈ বিক্ৰি হোৱা হেতেন, সি অসমীয়া জাতিৰ গৌৰৱ বঢ়ালেহেতেন আৰু সেই গৌৰৱ অসমীয়া সাহিত্যতো প্ৰতিবিম্বিত হ'লহেতেন। ভাৰতৰ বাহিৰে, নহয়, আজি-কালিৰ ভাৰতৰ উন্নত জাগ্ৰত অৱস্থা চাই এনে অনুমান হয় যে আসামৰ বাহিৰে আন কোনো এখন প্ৰদেশত এনে কিতাপৰ মৰ্য্যাদা ৰক্ষা কৰা মানুহ বহুত ওলালহেতেন। কিন্তু হায়! আসামত সেই উৎসাহ নাই। কি দুখৰ কথা! আসামত ভাল ভাল কিতাপ বিক্ৰি বাটে বাটে হয়নে? কিয় নহয়? আন দেশত হলে হয়।

আমি আন আন দেশৰ সাধুপুৰুষসকলক চিনি পাওঁ। অৱশ্যে এইসকল সাধুপুৰুষ আসামৰো গৌৰৱ। কিন্তু আসামৰ সাধুপুৰুষসকলক আসামৰ বাহিৰে কেইজনে জানে? আমাৰ মহাপুৰুষ সকলৰ কথা আসামৰ বাহিৰে প্ৰচাৰ কৰিলে আসামৰো মঙ্গল হব আৰু আন আন দেশৰো মঙ্গল হ'ব। মই কওঁ এইসকল পুৰুষৰ সৰু সৰু জীৱনী আমাৰ শিক্ষিত মানুহে ইংৰাজী ভাষাত প্ৰকাশ নকৰিলে দেশৰ প্ৰতি অন্যায় আৰু অবিচাৰ কৰা হ'ব। অৱশ্যে কোনো কোনোৱে কব পাৰে যে আমি অসমীয়াত হে লেখিম, বিদেশী ভাষাত নেলেখোঁ। আমাৰ অসমীয়াৰ ভিতৰতে নো কেই-জনে অসমীয়া পঢ়িব পাৰে? অনাসমীয়া কেইজনেনো অসমীয়া পঢ়িব তেনেহলে? জাপানী, চীন, অব্ৰিটিশ য়ুৰোপীয় জাতিসকলেও প্ৰচাৰ কাৰ্য্যৰ নিমিত্তে ইংৰাজী ভাষাৰ আশ্ৰয় লয়। আমাৰ এই মহৎ প্ৰচাৰ কাৰ্য্যৰ অৰ্থে ইংৰাজী ভাষাৰ আশ্ৰয় ল'লে বোধকৰোঁ দোষৰ কথা নহব।

শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াৰ *A Glimpse of Assam*এ আসামৰ কথা বাহিৰা মানুহক জনাইছে। শ্ৰীযুত বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ "*Holy Nam Ghosha*", "*Ear Eater*", শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াৰ *Assamese Nur Jehan*, শ্ৰীযুত ভুবনমোহন সেন ডাঙৰীয়া আৰু শ্ৰীযুত গফিন ডাঙৰীয়াৰ "*Short sketches of Assam*"এ আমাৰ আসামৰ কথা আসামৰ বাহিৰে প্ৰকাশ কৰিছে। এতিয়া লেখি থাকোতে মুঠ এই কেখন কিতাপৰ কথা মনত পৰিছে। আৰু যিসকলে এনে কথা লেখি আমাৰ আসাম আৰু অসমীয়াৰ কীৰ্ত্তি প্ৰকাশ কৰিছে তেওঁলোকক মই ধন্যবাদ জনাওঁ। অসমীয়া নজনা মানুহৰ সৈতে যেতিয়া আমি ইংৰাজীত কথা কওঁ, আমাৰ দেশৰ কথা এনে অসমীয়া নজনা মানুহক ইংৰাজীৰে নজনাই কোন ভাষাৰে জনায়? ইংৰাজী জগতৰ সকলো সভ্য জাতিয়েই জানে। ইংৰাজীৰ সহায় লৈ আমাৰ দেশৰ কথা, সভ্যতাৰ কথা, প্ৰচাৰ কৰা অতি যুগুত।

মোৰ কলেজীয়া ছাত্ৰ এজন বন্ধুৰ পৰা এতিয়াই শুনিলোঁ যে আমাৰ মিনিষ্টাৰ ডাঙৰীয়া ৰায়বাহাদুৰ



শ্ৰীযুত কণকলাল বৰুৱাৰ ইংৰাজীত লেখা কামৰূপৰ নতুন ইতিহাস দক্ষিণাত্যৰ এটি বিশ্ববিদ্যালয়ত পাঠ্যপুথি ৰূপে নিৰ্ব্বাচিত হৈছে। এই কথা শুনিলে কোন অসমীয়াৰ আনন্দ নহয়? ৰায়বাহাদুৰ ডাঙৰীয়াই যদি কিতাপখন ইংৰাজীত নেলেখিলেহেতেন—দাক্ষিণাত্যৰ কোনে আসামৰ কথা জানিলেহেতেন?

এই সুযোগতে কওঁ যে ইংৰাজী, ইউৰুপীয়, এনেকি বঙ্গলা সাহিত্যৰো উন্নতি হৈছে প্ৰকাশকৰ দল থকাৰ নিমিত্তে। ইয়াত প্ৰকাশক ব্যৱসায়ৰ মানুহ অতি তাকৰ। যি সকল আছে সেই সকলো অৰ্থ-বীৰ নহয় দুবলা। যদি তেওঁলোক অৰ্থ-বীৰ হলহেতেন মোৰ মনেৰে বহুত কিতাপ ছপাই অসমীয়া ৰাইজক দিব পাৰিলেহেতেন। ইউৰুপীয় সাহিত্যৰ সৈতে চিনাকি থকাসকলক প্ৰকাশকৰ মাহাত্ম্যৰ কথা নকলেও হব। কোনে নাই দেখা সেই চিত্ৰ, যি চিত্ৰত গোল্ডস্মিথ, জন্সন, আৰু গোল্ডস্মিথৰ গৃহকৰ্ত্ৰী ইত্যাদিক একেলগে ৰাখি চিত্ৰকৰে অমৰ কৰি থৈছে। সেই একেখনি চিত্ৰই ক'ব প্ৰকাশকৰ "মাহাত্ম্যৰ" কথা। আমাৰ প্ৰকাশকসকলেই বা কিমান কিতাপ ছপাইছে আৰু লেখকসকলেই বা নিজৰ মোনাৰ ধন ভাঙি কিমান কিতাপ ছপাইছে এই কথাফেৰি যদি কোনো উদ্যোগী পুৰুষে ৰাইজক কয়, তেওঁ এজন দেশৰ উপকাৰী লোক হব।

*Sadler Commission* অহাৰ আগৰে পৰা, কি তাৰো আগৰে পৰা, আমি আমাক বেলেগ বিশ্ব-বিদ্যালয় লাগে লাগে বুলি কৈ আছোঁ। একুৰি বছৰৰ ভিতৰতে কেইখন নতুন বিশ্ববিদ্যালয় ভাৰতত হ'ল—কিন্তু আমাৰ এতিয়ালৈকে নহল! কিন্তু ভাবি চালে দুখৰ তিমান কথা নাই. আগেয়ে আমাৰ প্ৰাগজ্যোতিষপুৰত বিশ্ববিদ্যালয় আছিল.—আধুনিকভাৱে নহলেও বিদ্যাৰ কেন্দ্ৰ এই প্ৰাগজ্যোতিষপুৰ আছিল। যদিহে বিশ্ব-বিদ্যালয় আসামত হয় ইয়াতে হোৱা ভাল। সি বাৰু যি হওক। আজিকালি আমি যি ব্ৰিটেনৰ আহিৰে আমাৰ শিক্ষাক গঢ় দিছোঁ, সেই ব্ৰিটেনতো দুকুৰি তিনিকুৰি বছৰৰ আগেয়ে আজিকালিৰ দৰে ইমান বিশ্ববিদ্যালয় নাছিল। সেইগুণে দুখৰ কাৰণ নাই। কিন্তু ইচ্ছা লাগে, উৎসাহ লাগে, উদ্যম লাগে। কোনখিনি সময়ত কি কাম হাতত লব লাগে তাক জানিব লাগে। এই পূজাৰ বন্ধতে পশ্চিমৰ পৰা উভতি আহোঁতে গণিতজ্ঞ পণ্ডিত শ্ৰীযুত গণেশপ্ৰসাদ ডাঙৰীয়া মোগলসৰাই ষ্টেশ্যনত মোৰ খোটালীত উঠিছিলহি। তেওঁৰ সৈতে আগেয়ে চিনাকী আছিল। কিন্তু আমি দুইৰো চিন হেৰুৱাইছিলোঁ। পাছত যেতিয়া আমাৰ পুনৰ্চিনাকী হ'ল—বহুত কথা হোৱাৰ পাছত তেওঁ ক'লে যে যদিহে আমাক ইউনিভাৰছিটি লাগে আমি ত্ৰিশলাখ টকা প্ৰথমে খৰচ কৰিব লাগিব। আৰু বছৰে বছৰে দহলাখ টকা খৰচ কৰিব লাগিব। সেইটো তেওঁৰ মত। মই কলোঁ যে "আমি লাহে লাহে সময় চাই চাই আমাৰ ঘৰ বান্ধি ঘৰ বঢ়াম।" কিন্তু সেই ডাঙৰ পণ্ডিতৰ কথা ইয়াতে ৰাইজক জনালোঁ। মই হলে কওঁ লাহে লাহেহে ঘৰ বঢ়োৱা ভাল। যি সকল মানুহে প্ৰথমেই অতি ডাঙৰ অতিকায় ঘৰ কৰে তেওঁলোকে সেই ঘৰ আয়ত্তাধীন কৰিব নোৱাৰে, সেই ঘৰৰ কোনো সুব্যৱস্থা কৰিব নোৱাৰে। সেইদেখি বিশ্ববিদ্যালয়ৰ দৰে এটি কাম সৰুকৈ আৰম্ভ কৰিও লাহে লাহে বঢ়োৱা বেয়া নহয়। উদাহৰণ কটন কলেজ। শ্ৰীযুত নীলমণি ফুকন, ৰায়বাহাদুৰ শ্ৰীযুত সদানন্দ দুৱৰা, শ্ৰীযুত বৃন্দাবন গোস্বামী ডাঙৰীয়াদি এই কলেজৰ প্ৰথম ছাত্ৰ দলৰ। তেওঁলোকে জানে এই

কলেজৰ প্ৰথম কেইবছৰৰ কথা। শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্যই এতিয়া কেবাবাৰো কাকতে-পত্ৰে লেখিছে যে আমাৰ গোঁসাইসকলে এই কামত সহায়তা কৰিব পাৰে। কৰিব পাৰে যে ই কথা কোনে নক'ব? তেখেতসকলে কৰিব নে? তেখেতসকলে কৰোঁ বুলিলে নো কিয় কৰিব নোৱাৰিব? কিন্তু উপদেশ উদ্দেশ দিওঁতা, আঙুলিয়াই দিওঁতা, মানুহ লাগে। আসামৰ বিশ্ববিদ্যালয় যদি নহয়, কি হবৰ আশা নাই, তেনেহলে কলিকতা মাতৃ-বিশ্ববিদ্যালয়লৈ আসামৰ পৰা যোৱা প্ৰতিনিধি বঢ়াই দিবলৈ আমাৰ খটা ভাল। এইখিনিতে কওঁ বিশ্ববিদ্যালয় হলে মোৰ আৰু আপোনালোকৰ ভাষাৰ যে যি অলপ বিশৃঙ্খলতা আছে সি দূৰ হব। আখৰ-জোটনি আৰু উচ্চাৰণ আদিৰ ব্যতিক্ৰম বেমেজালি যি আছে সেইবোৰ আঁতৰ হ'ব। আমাৰ ভাষা আমাৰ নিজৰ। সেই ভাষাক মাতৃৰ দৰে মৰম-ভক্তি কৰিম। কিন্তু সেইবুলি যেন আন ভাষাকো শিকিবলৈ আগ্ৰহ ৰাখি, শিকি, পৃথিবীৰ আন আন মানুহৰ সমকক্ষ হব পাৰোঁ।

হিন্দু-মহম্মদীয়, মহম্মদীয়-হিন্দু এই ভিন ভাব আসামত নাই। আমি আমাৰ ভাৰতৰ আন ঠাইতকৈ এই বিষয়ত ভগৱানৰ ইচ্ছাত বহুত আগত দেই। আমি ইছলাম ধৰ্ম্মৰ কিতাপ পঢ়িব লাগে। ইছলাম ধৰ্ম্মাৱলম্বীসকলে হিন্দু ধৰ্ম্মৰ কিতাপ পঢ়িব লাগে। এই দুয়ো ধৰ্ম্ম উদাৰ ধৰ্ম্ম। এনে কিতাপৰ চলাচল আসামত হলে দুয়ো ধৰ্ম্মাৱলম্বীৰ ভিতৰত মিত্ৰতা আৰু ঘন হব। বাইবেল গ্ৰন্থৰ কথা আমি যিমান জানি আমাৰ জ্ঞান বঢ়াইছোঁ, কোৰাণৰ কথা জানোনে? আৰু মুছলমান ভাইসকলক কওঁ, তেওঁলোকে বাইবেল গ্ৰন্থৰ কথা যিমান জানে হিন্দু শাস্ত্ৰাদিৰ কথা জনে নে? আমাৰ বাইবেলৰ বিষয়ে যেনে জনা দৰকাৰ আন আন ধৰ্ম্মাৱলম্বীসকলৰ গ্ৰন্থৰ বিষয়েও জনা দৰকাৰ। সকলো, যি কোনো ধৰ্ম্মৰেই হওক, ধৰ্ম্মগ্ৰন্থৰ মাজেদিহে আমাৰ সাহিত্য শকত কৰিব পৰা যায়। আমি যেন এই কথা ভাবোঁ যে আমি অসমীয়া ভাষা আৰু সাহিত্যৰ পূজাৰী। আমাৰ যি কোনো ধৰ্ম্মই হওক, আমি "অসমীয়া", এই কথা যেন সকলো সময়তে ভাবোঁ। সকলো সময়তে, সকলো কামতে এই কথা প্ৰকাশ পায় যেন আমি অসমীয়া। আমি ভাৰতীয়। সেই গুণেই কওঁ আমাৰ প্ৰকাশক সজ্ঘ লাগে। যিসকল প্ৰকাশকে জগতৰ ডাঙৰ ডাঙৰ মানুহৰ জীৱনীৰ দৰে ভাল ভাল কিতাপ আৰু আন আন গ্ৰন্থ দিব পাৰে, চমুকৈ কবলৈ গলে জগতৰ জ্ঞানৰ সমষ্টি আমাৰ ঘৰে ঘৰে অতি কম বেচতে যিসকলে বিলাব পাৰে, এনে প্ৰকাশক সজ্ঘ হলেই আমাৰ ভাষা আমাৰ সাহিত্য আধুনিকভাৱে আগ বাঢ়িব। ইংলণ্ডত শ্বিলিং গ্ৰন্থাৱলী আছে, ছয় পেনী গ্ৰন্থাৱলী আছে। কলিকতাৰ শ্ৰীযুত যোগেন সৰকাৰ, গুৰুদাস চাটাৰ্জ্জি এণ্ড ছন্স্, বসুমতী ছাপাখানা ইত্যাদিয়ে অতি সুলভ বেচতে কিতাপ উলিয়াই বঙ্গদেশৰ আৰু ভাষাৰ বিশেষ উপকাৰ সাধিছে।

সাধাৰণভাৱে সাহিত্য বুলিলে মাথোন যাক আমি "পদ্য", 'গদ্য" কওঁ তাক বুজায়। ইতিহাস-সাহিত্য, সঙ্গীত-সাহিত্য, গণিত-সাহিত্য, জীৱনী-সাহিত্য, স্থাপত্যবিদ্যা-সাহিত্য, ফলিতজ্যোতিষ-সাহিত্য, জ্যোতিৰ্ব্বিদ্যা-সাহিত্য, ভাস্কৰবিদ্যা সাহিত্য, বৈদ্য-বিদ্যা-সাহিত্য, ব্যৱহাৰবিদ্যা-সাহিত্য, ব্ৰহ্মবিদ্যা-সাহিত্য, চিত্ৰবিদ্যা-সাহিত্য, বাণিজ্যবিদ্যা-সাহিত্য, কৃষিবিদ্যা-সাহিত্য আৰু কিমান ক'ম? যি বিদ্যাই জ্ঞান বঢ়াই মানুহক এন্ধাৰৰ পৰা পোহৰলৈ লৈ



যায়, সি সকলোৱেই সাহিত্য। ইংৰাজী ভাষাৰ *Literature* শব্দৰ অৰ্থ ইমান বহল যে ব্যৱসায়ী সকলে তেওঁলোকৰ মূল্য-তালিকা ( *catalogue* ) আদিকো সাহিত্য বুলিহে প্ৰচাৰ কৰে। সাহিত্যৰ ইমান বিশ্বজনীন ভাব।

যেতিয়া অসমীয়া ভাষাৰ এইসকল বিদ্যাৰ চৰ্চ্চা বাঢ়িব, আৰু মই নোকোৱা আৰু বহুত আন আন জ্ঞান বঢ়োৱা বিদ্যাৰ চৰ্চ্চা বাঢ়িব, তেতিয়াহে অসমীয়া ভাষা সৰ্ব্বাঙ্গীন সুন্দৰ হব। মই নন লেখক সকলক নত হৈ কওঁ যে সাহিত্যদেৱীক সৰ্ব্বাঙ্গীন সুন্দৰী কৰাৰ বাব তেওঁলোকৰহে।

শ্ৰীযুত দাণ্ডৰাম দত্ত কামৰূপৰ পঢ়াশালীৰ শিক্ষকক সাহিত্য-সভাই চিনে। তেওঁ নগাঁও সভাত গণিতত নিপুণতা দেখুৱাই আমাক তবধ লগোৱা মনত আছে। তেওঁ বহুতৰ প্ৰশংসা পাইছে।

প্ৰাচীন কামৰূপত অঙ্কবিদ্যাৰ ( কাইথেলী অঙ্ক আৰু জ্যোতিষ ) চমৎকাৰ চৰ্চ্চা আছিল। অঙ্কৰ কৌতুক ৰহস্য দেখুৱাই নিজ উদ্ভাৱনা শক্তিৰে বহুত অঙ্ক উলিওৱা শ্ৰীযুত দণ্ডীৰাম দত্তই ( বেলশৰ কামৰূপ ) বহুত শ্ৰম কৰি প্ৰাচীন কাইথেলি পুথি প্ৰকাশ কৰিছে। এই সম্পৰ্কে সাহিত্য-সভাই আসামৰ মন্ত্ৰী দুজন, ডি আই, হেঃ মাষ্টৰ সকলে, স্কুল ইনস্পেক্টৰ আৰু ঢেৰ গণ্যমান্য লোকে, কলেজৰ গণিতজ্ঞ প্ৰফেছাৰসকলেও "দত্তক" "ছাটিফকেট" দিছে। তেওঁ সম্প্ৰতি 'কৌতুক কাইথেলী" অঙ্ক নামেৰে এখন বৃহত পুথি লেখিছে। কটন কলেজৰ আৰু যোৰহাট কলেজৰ প্ৰিন্সিপাল প্ৰভৃতিয়ে এই পুথি ইংৰাজী কৰিবলৈ "দত্তক" উপদেশ দিছে। আসামৰ গৌৰৱ ৰক্ষাৰ্থে সাহিত্যসভাই, আসাম গবৰ্ণমেণ্টে এই পুথি প্ৰকাশ কৰি "দত্তক" উৎসাহ দিলে প্ৰাচীন আসামৰ "অঙ্ক-চৰ্চ্চাৰ' পোহৰ ভাৰতত নিশ্চয় জিলিকিব।

কিছুদিন আগেয়ে ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই "আৱাহন"ত প্ৰস্তাৱ কৰিছিল যে যদি কোনো জনে সামাজিক বুৰঞ্জী লেখিবলৈ হাতত লয় তেওঁক দেশৰ সকলোজনে সহায় কৰিব লাগে। সেই প্ৰস্তাৱ মতে কোনো জনে কাম হাতত লৈছে নে আৰু তেওঁ কিবা সাহায্য পাইছে নে? শ্ৰীযুত সোণাৰাম চৌধুৰী ডাঙৰীয়াই এই কাম হাতত লবৰ যোগ্য বুলি মোৰ মনে ধৰে। তেখেতক এই কাম ল'বলৈ অনুৰোধ কৰিব পাৰোঁ নে?

আখৰ-জোটনিৰ বিষয়ে দুবাৰ এবাৰ কৈছিলোঁ। এইবাৰো একাষাৰ কওঁ। ( তিনিটা ) শ, ষ, স; চ, ছ এই কেইটা শব্দৰ ব্যৱহাৰ সংস্কৃতৰ দৰেই ব্যৱহাৰ কৰা মোৰ মনেৰে ভাল। আৰু আমি যে প্ৰথম চ, দ্বিতীয় ছ, আৰু মূৰ্দ্ধণ্য ট, দন্ত্য ত কওঁ, সেইটো বেয়া। সেইদৰে নকৈ উচ্চাৰণৰ দ্বাৰাই দেখুৱাব লাগে যে আমি সেইবোৰ সেই দৰেই উচ্চাৰণ কৰিছোঁ।

আৰু এটি কথা কওঁ। এই বিষয়ে গ'ল বাৰ কি তাৰ আগৰ বাৰ আলোচনা হৈ গৈছে হবলা। অসমীয়া ভাষাত পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ লেখা সুধীবৃন্দক আসাম সাহিত্য সভাই উপাধি দিয়াটো শোভনীয় হ'ব। আশা কৰোঁ এই বিষয়েও সাহিত্য সভাই গমি চাব। আসাম সাহিত্য সভাই গুণী সাহিত্যিকক বৃত্তি দানৰ কথাও এই কথাৰ লগতে ভাবিব পাৰে। ৰাইজে জানে কেনেকৈ গুণীজনক উপাধি আৰু বৃত্তি দিয়া যায় কি দিওৱা যাব পাৰে, কি বাট অৱলম্বন কৰা ভাল।

বৰ সুখৰ কথা শ্ৰীযুত জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়াৰ পক্ষে এটি অতি নতুন কাম হাতত

লৈছে। সেইটি হৈছে সবাক চিত্র (*Talkie*) কি নিমাতী পটৰ (*Silent picture*) কাৰবাৰৰ যো-জা কৰা। আশা কৰোঁ এই ডেকা উদ্যোগী পুৰুষ ভগৱানৰ ইচ্ছাত কৃতকাৰ্য্য হ'ব। ইও সাহিত্য। এই সবাক সচিত্র কি নিমাতী পট নাটে আমাৰ সাহিত্যৰ পুষ্টি সাধন কৰিব। কিন্তু আশা কৰোঁ বিষয় বাছোঁতে অতি সাৱধানে বছা হ'ব। কিয়নো এনে চিত্রবোৰে যেনে এপিনে শিক্ষা দিয়ে, সভ্যতা বিস্তাৰ কৰে, তেনে আনপিনে কুৰুচিপূৰ্ণ নাটবিলাকে দেশৰ বহুত অমঙ্গল কৰে। আমাৰ ভাৰতীয় পিতৃ-মাতৃয়ে কোনো কোনো চিত্র নিঃসঙ্কোচে লৰা-ছোৱালীৰে সৈতে চাব নোৱাৰে ; আমি জানো। কুৰুচি যেন আসামলৈ নাহে। মই শ্ৰীযুত জ্যোতি-প্ৰসাদক এই কামত কৃতকাৰ্য্য হবৰ নিমিত্তে শুভ ইচ্ছা জনাওঁ।

আৰু এটি সুখৰ কথা, উজনিৰ ফালে চেনিৰ যৌথ কাৰবাৰৰ যো-জা কৰা হৈছে। এনেবোৰ অনুষ্ঠান প্ৰতিষ্ঠান চলি আছে দেখিহে কওঁ যে এলাহ-কুঁৱলী ভেদি অসমীয়াৰ কৰ্ম্মক্ষমতা ওলাব লাগিছে। এনে চিনবোৰে আমাক সুখী কৰিছে।

অলপতে এটি কথা "অসমীয়া" কাকতত পঢ়ি বৰ আনন্দ পালোঁ। আসাম হিতৈষী সাহিত্যসেৱী শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াক বৰোদাৰ মহাৰজাই বৈষ্ণৱ ধৰ্ম্মৰ বিষয়ে বক্তৃতা দিবলৈ অতি আদৰেৰে তেওঁৰ ৰাজ্যলৈ নিমন্ত্ৰণ কৰি লৈ যোৱাৰ বাতৰি পাই ভাবিলোঁ যে বেজবৰুৱা ডাঙ্গৰীয়াক সম্মান দেখুৱাই বৰোদাৰ মহাৰজাই আসামকো সম্মান দেখুৱালে। এই বাতৰি পঢ়ি কোন অসমীয়াৰ হৃদয় উৎফুল্ল নহয়? বেজবৰুৱা ডাঙ্গৰীয়া শঙ্কৰদেৱ-সেৱক। তেওঁৰ বক্তৃতা যে শুনিবলগীয়া, স্মৰণ ৰাখিব লগীয়া হৈছে ই নকলেও হয়। বৰোদাৰ মহাৰজাক আমাৰ সসম্মান অভিবাদন জনাওঁ।

এই উত্তৰ লক্ষীমপুৰৰে এজন ডেকা মহম্মদীয় বন্ধুৱে এখন অসমীয়া কাকত উলিয়াইছিল। দুখৰ বিষয় সেই দেশহিতৈষী বন্ধুও এতিয়া নাই, কাকতো নাই। এই অসমীয়া ডেকাজন আসামৰ প্ৰকৃত বন্ধু আছিল। সেই বন্ধুজনৰ আত্মাৰ সদ্গতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোঁ।

বন্ধুসকল, বহুতো আমনি কৰিলোঁ। ক্ষমা কৰিব। খ্ৰীষ্টিয় বন্ধুসকলে দেওবাৰে পূজা কৰোঁতে একাষাৰ কথা আন আন স্তুতি বাক্যৰ লগত ঈশ্বৰক জনায়। সেই কথা হৈছে—

"We have done those things which we ought not to have done and we have left undone those things which we ought to have done" ইত্যাদি—ময়ো সেইফেৰি কথাকে আপোনাসকলক নিবেদন কৰোঁ। মোৰ এই কাকতত হয়তো বা এনে কথা আছে যি কথা নথকা হলেই ভাল হ'ল হেতেন আৰু যি কথা ইয়াত লেখা উচিত আছিল সেই কথা কিমান যে লেখা নাই! এনেবোৰ ক্ৰুটিৰ নিমিত্তে মই কৰযোৰে ক্ষমাহে মাগিছোঁ। মোক ক্ষমা কৰিব দেই।

বন্ধুসকল, যদি আমি দেশৰ, ভাষাৰ, সাহিত্যৰ, জাতিৰ উপকাৰ কৰিব খোজোঁ, তেনেহলে নিজৰ যিখিনি কাম আছে সেইখিনি কাম কৰি যেন এইসকল কামৰ নিমিত্তেও প্ৰতিদিন অলপ অলপ সময় দিওঁ! নিজেও শান্তি আৰু আনন্দত থাকি আনকো শান্তি আৰু আনন্দত যেন ৰাখোঁ। অশান্তি নিৰানন্দত কোনো কামেই ভাল কৰি নহয়। আমি যেন সকলো সময়তে এই কথা নেপাহৰোঁ বন্ধুসকল, আমি যে অমৃতৰ সন্তান। সেই অমৃতময় পৰমেশ্বৰে আমাক তেওঁৰ শক্তি যে দান কৰিছে এই কথা নেপাহৰোঁ আৰু নেপাহৰোঁ যে ঈশ্বৰৰ কৃপাই আমাক সকলো সময়তে ৰক্ষা কৰি আছে। আমি সকলোৱে ঈশ্বৰৰ ওপৰত ভৰসা কৰি আৰু ৰাখি কাম কৰিলে অসম সাহিত্য-সভাৰ জয় নিশ্চয় নিশ্চয় নিশ্চয়।

অসতোমা সদ্গময়
তমসোমা জ্যোতির্গময়
মৃত্যুৰ্মামৃতঃ গময়
আবিৰাবীৰ্ম্মএধি ৰুদ্ৰ যত্তে
দক্ষিণং মুখং তেন মাং পাহি নিত্যম্।
একমেবাদ্বিতীয়ম্।
ব্ৰহ্মকৃপাহিকেৱলম।

—:•:—



# আসাম-সাহিত্য-সভাৰ পঞ্চদশ বছৰৰ প্ৰধান সম্পাদকৰ কাৰ্য্য-বিৱৰণী

**আৰম্ভণ**—ইতিপূৰ্ব্বে বাৰদিয়েক যথা সময়ত সন্মিলন বহাৰ ব্যতিক্ৰম ঘটিছিল। সেই দেখি, এই পঞ্চদশ সন্মিলনতে আসাম সাহিত্য সভাৰ বয়স ১৭ বছৰ পূৰ হৈছে ; আৰু তাৰ বাবে, সৰ্ব্বনিয়ন্তা ভগৱন্তৰ চৰণাৰবিন্দত কোটি কোটি প্ৰণতি জনাইছোঁ।

**মঙ্গলদৈক শলাগ**—মঙ্গলদৈ মহকুমাৰ নগৰীয়া আৰু মফস্বলীয়া ৰাইজসকল আমাৰ সকলোৱে পৰম শ্ৰদ্ধা আৰু শলাগৰ পাত্ৰ। মাতৃভূমি আৰু মাতৃভাষালৈ অন্তৰত অকৃত্ৰিম প্ৰীতি নথকা হ'লে, এনে নাই-নাটনিৰ দিনতো, মাতৃপূজাৰ অৰ্থে এই হেন মহৎ অনুষ্ঠান তেওঁলোকে মঙ্গলদৈলৈ নিমন্ত্ৰণ কৰি নানিলেহেতেন। এই বুৰঞ্জীপ্ৰসিদ্ধ মঙ্গলদৈত সন্মিলিত হ'বলৈ, আজি ভালে দিনৰে পৰা অনেকৰ হাবিলাষ আছিল। নানা বাধা-বিঘিনিৰ বাবে, আৰু বিশেষকৈ অহা-যোৱাৰ অসুচলৰ কাৰণেই, সেই বাঞ্ছা অত দিন অপূৰ্ণ হৈ থাকিব লগা হৈছিল। আজি মঙ্গলদৈয়া ৰাইজৰ উৎসাহপূৰ্ণ যত্নত সদৌ বাধা-বিঘিনি গুচি, আৰু সকলো আচল-বিচল অতিক্ৰম হৈ, সেই বাঞ্ছা সিদ্ধি হ'ল। তাৰ হৈ মঙ্গলদৈৰ নথৈ শলাগ লৈছোঁ।

**চতুৰ্দ্দশ সন্মিলন**—লখীমপুৰীয়া ৰাইজৰ যত্ন আৰু আগ্ৰহত, ১৯৩৩ চনৰ ডিচেম্বৰৰ ২৭ আৰু ২৮ তাৰিখে, স্বনামধন্য শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা বেৰিষ্টাৰ ডাঙৰীয়াৰ সুযোগ্য নেতৃত্বত, এই সভাৰ চতুৰ্দ্দশ সন্মিলন লখীমপুৰ নগৰত সমাৰোহেৰে আৰু সুকলমে সম্পাদিত হৈ গ'ল। তাতে ৰায় বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াক, তেখেতৰ আজীৱন অক্লান্ত সাহিত্য-সেৱাৰ বাবে, এই সভাই এখনি অভিনন্দন পত্ৰও দিছিল ; আৰু সেই আনন্দৰ অনুষ্ঠানে সন্মিলন উৎসৱৰ শোভা আৰু গাম্ভীৰ্য্য বহুগুণে বৃদ্ধি কৰিছিল।

সেই সন্মিলনতে ন-কৈ কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠন কৰি, শ্ৰীযুত দেবেন্দ্ৰনাথ বেজবৰুৱা আৰু

তুলসীনাৰায়ণ শৰ্ম্মাক সহকাৰী সম্পাদক, শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা চৰ্কাৰী উকিলক ধন-ভঁৰালী, ভূতপূৰ্ব্ব প্ৰধান সম্পাদক শ্ৰীযুত দেৱেশ্বৰ চলিহাক পুথি ভঁৰালী, আৰু আমাক প্ৰধান সম্পাদকৰ বাবত নিযুক্ত কৰা হয়। তেতিয়াৰে পৰা আজি এবছৰৰ কাৰ্য্য-বিৱৰণ এই সম্মিলনত জনাব লাগে। কিন্তু জনাবলৈ প্ৰকৃততে একো নাই বুলিলেও বঢ়াই কোৱা নহব; কাৰণ অৰ্থৰ দাৰুণ আকালত এই বছৰ বিশেষ উল্লেখযোগ্য কোনো কামকে কৰিব পৰা ন'হল। এই বাবে কাঃ নিঃ সমিতিয়ে নিজৰ অতিশয় দুৰ্ভাগ্য মানিছে।

**এই সন্মিলনৰ সভাপতি**—এই পঞ্চদশ সম্মিলনৰ সভাপতি স্বৰূপে, সৌভাগ্যক্ৰমে শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াক পোৱা হৈছে, ই অতি আনন্দৰ কথা। এই আনন্দই যেন সাহিত্য-সভাৰ নিৰানন্দৰ দিনৰ অন্ত পেলাওক, আজিৰ এই আনন্দ-উৎসৱৰ দিনৰ পৰাই যেন সাহিত্য-সভাৰ আকৌ আনন্দৰ যুগ আৰম্ভ হওক। ৰায় বাহাদুৰ ডাঙৰীয়াক আমি আদৰেৰে আন্তৰিক অভিনন্দন জনাইছোঁ; আৰু তেখেতৰ অভিজ্ঞতা, কাৰ্য্যকুশলতা আৰু মাতৃভাষালৈ আশাশুধীয়া ভক্তিৰ গুণত, এই সম্মিলনৰ সকলো কাৰ্য্য সুকলমে সম্পাদিত হ'ব, আৰু সাহিত্য সভাবো ভেটি সুদৃঢ় হ'ব বুলি আমি আশা কৰিছোঁ।

**নিৰানন্দৰ কাৰণ**—সাহিত্য সভাৰ নিৰানন্দৰ দিন বুলিছোঁ এইবাবে যে, প্ৰথমতে এই বছৰৰ ভিতৰতে অসম দেশৰ কেইবা গৰাকীও সুসন্তান হানি পৰাত গোটেই দেশৰ, আৰু বাইকৈ এই সভাৰ অপাৰ ক্ষতি হৈছে; আৰু দ্বিতীয়তে, সভাৰ এই ১৭ বছৰীয়া জীৱনৰ ভিতৰত, এই বছৰৰ দৰে বিষম অৰ্থসঙ্কটৰ বাবে, কোনো বছৰতে সভাৰ কাৰ্য্য এনে দৰে স্থগিত ৰখাব লগা নহৈছিল।

**শোক** চাৰিসত্ৰীয়া গোঁসাইসকল আমাৰ দেশৰ থাই ধৰণী স্বৰূপ। তাৰ ভিতৰৰে দক্ষিণপাট সত্ৰ এই সভাৰ এক প্ৰধান পৃষ্ঠপোষক। সম্প্ৰতি দক্ষিণপাটৰ সুযোগ্য ডেকা অধিকাৰ শ্ৰীশ্ৰীযদুদেৱ গোস্বামীৰ তিৰোভাৱ এই সভাৰ পক্ষে অতিশয় দুৰ্ভাগ্যৰ কথা।

ডিব্ৰুগড়ৰ চিৰউৎসাহী পণ্ডিত শিৱনাথ ভট্টাচাৰ্য আৰু সুযোগ্য পুৰুষ ৰায় চাহাব গুণগোবিন্দ বৰুৱা, যোৰহাটৰ উৎসাহী পুৰুষ টিয়ক নিবাসী হেমচন্দ্ৰ বৰুৱা, এই সভাৰ এগৰাকী প্ৰধান কৰ্ম্মচাৰী খাঁ চাহাব মৌলবী মোহম্মদ আলি, আৰু গুণবান সুযোগ্য শিক্ষক কামিনীকণ্ঠ শৰ্ম্মা, গোলাঘাটৰ কৃতবিদ্য ডেকা মৌলবী আহমদ চা, তেজপুৰৰ উড্ডীয়মান সৰ্ব্বগুণী ডেকা সুসাহিত্যিক লক্ষ্মীধৰ শৰ্ম্মা, কামৰূপৰ খ্যাতনামা পণ্ডিত দুৰ্গানাথ স্মৃতিৰত্ন, বেলসৰৰ উদ্যোগী ডেকা নৰেশ্বৰ মিশ্ৰ ভাগৱতী আৰু সাহিত্যানুৰাগী গঙ্গাধৰ শৰ্ম্মাৰ বিয়োগত আসাম সাহিত্য সভা মৰ্ম্মান্তিকৰূপে সন্তপ্ত আৰু ন'থৈ ক্ষতিগ্ৰস্ত হৈছে।

নগাঁৱৰ অভূতপূৰ্ব্ব ভয়ঙ্কৰ জলপ্লাৱনো এই দেশৰ পক্ষে কম দুৰ্ভাগ্যৰ কথা নহয়।

**পুঁজি**—অনেকে ভাবিব পাৰে বোলে সাহিত্য সভাৰ পুঁজিৰ নাটনি নাই; চন্দ্ৰকান্ত-ইন্দ্ৰবাই ট্ৰষ্ট্ ফণ্ড্ আছে, নবদেৱ আৰু কমলাদেৱী ট্ৰষ্ট্ ফণ্ড আছে; তাৰে সুতৰ পৰাই সভা সুকলমে চলি থাকিব পাৰে। কিন্তু, সেই ধাৰণা তেনেই অমূলক; কাৰণ ট্ৰষ্ট্ ফণ্ডৰ উপাৰ্জ্জন যি কামত ভাঙিব লাগে, তাক দাতাই নিৰ্দ্দিষ্টকৈ বান্ধি দিছে। তাৰ বাহিৰে তাক অন্য কাৰ্য্যত লগাব নোৱাৰি। গতিকে, সাহিত্য-সভাৰ উপাৰ্জ্জনৰ অকল বাট হৈছে— (১) চৰ্কাৰ, ল'কেল্ ব'ৰ্ড্, মিউনিচিপেলিটী আৰু সৰ্ব্বসাধাৰণৰ পৰা পোৱা দান, (২) সভাৰ বৰ্ষটি



আৰু ভৰ্ত্তি-মাচুল, আৰু (৩) স্বীকৃত সভাৰ পৰা পোৱা বৰঙণি। এই তিনিও বিধৰ উপাৰ্জ্জনৰ কথা তলত বিতংৰূপে জনোৱা হৈছে।

**চৰ্কাৰৰ দান**—এই বছৰত চৰ্কাৰৰ ঘৰৰ পৰা, মন্ত্ৰী দুগৰাকীয়ে দিয়া ২০০৲ টকাৰ বাজে, আন কোনো ধন-বিৎ পোৱা নাই। গৱৰ্ণমেণ্টে পোন প্ৰথমতে ১৯২৫।২৬ চনত সভালৈ ১০০০৲ টকা দান দিছিল। তাৰ পাচত ২৬।২৭ চনত ৩০০০, ২৭।২৮ ত ১০০০, ২৮।২৯ ত আকৌ ৩০০০, আৰু ২৯।৩০ চনত ১০০০, টকা দিছিল। ৩০ চনৰে পৰা সেই দান নিদিয়া হোৱাত, তেতিয়াৰে পৰা এই কোমল বয়সতে, সাহিত্য সভা লেৰেলি শুকাই ক্ৰমে ম্লান পৰি আহিছে। দেশৰ যেনে অৱস্থা হ'লে এনে বিধৰ অনুষ্ঠানবোৰ অকল ৰাইজৰ দানেৰেই চলি থাকিব পাৰে, আমাৰ দেশৰ তেনে অৱস্থা এতিয়াও হোৱা নাই। গতিকে, সাহিত্য সভাৰ দৰে উন্নতিমূলক আৰু জাতিসংগঠক অনুষ্ঠানত চৰ্কাৰৰ ঘৰৰ আশাশুধীয়া আৰু মুকলি-মুঠীয়া সাহায্যৰ এতিয়াও ন'থৈ প্ৰয়োজন আছে; নহলে, অসমীয়া জাতিৰ বৰ্ত্তমান অৱস্থাত, ই গা কৰিব পৰাটো দুৰাশত কথা।

আগৰ সম্পাদকে কৰি যোৱাৰ বাজেও, এই বছৰো বিস্তৰ যত্ন কৰা হ'ল। আবেদন-নিবেদন কৰা হ'ল, অনেকলৈ অনেক প্ৰকাৰে লিখা হ'ল, কোনোক মুখেৰেও ধৰোৱা হ'ল, সভালৈ আগৰ দানকে আকৌ মঞ্জুৰ কৰিবলৈ কাউন্সিলত নিৰ্বিবাদে প্ৰস্তাৱ গৃহীত হোৱাও দেখা হ'ল। কাউন্সিলৰ যোৱা বৈঠকতো দুগৰাকী বিশিষ্ট সভ্যই ইয়াৰ বাবে প্ৰশ্ন সুধিছিল; কিন্তু, শিক্ষা মন্ত্ৰীৰ পৰা সন্তোষজনক সমিধান নেপালে। এই দুগৰাকী সভ্য, আৰু বজেট্ বৈঠকত উপস্থিত থকা কাউন্সিলৰ সমস্ত সভ্যই, সাহিত্য-সভালৈ দানৰ কথাত সন্মতি দিয়া বাবে, আমাৰ আন্তৰিক শলাগৰ পাত্ৰ। কিন্তু, শিক্ষামন্ত্ৰী মহোদয়ৰ ওপৰত আমাৰ যথাৰ্থ বেজাৰৰ থল আছে। তেওঁ মন কৰা হ'লে, সাহিত্য-সভালৈ এহেজাৰ মান টকাৰো কোনো প্ৰকাৰে জোৰা মাৰিব নোৱাৰিলেহেতেন, এনে কথা সটকাই পতিয়াবলৈ আমি টান পাইছোঁ।

অনেক সাধ্য সাধনাৰ পাচত, শেহত ১৮।৭।৩৪ তাৰিখে ইমানকে মাত্ৰ আশ্বাস পোৱা হৈছে বোলে "Regarding a grant I am to say that Govt. regret inability to make any grant during the current financial year. The question of providing a grant of Rs. 600/- in the next year's budget (1935-36) for the republication of the Sabha's journal "Assam Sahitya Sabha Patrika" will engage the consideration of the Govt." (No. 1476 E—D/-14-7-34) অৰ্থাৎ, এই বছৰ সাহিত্য-সভালৈ একো ধন-বিৎ দিব পৰা নেযায়; সাহিত্য-সভা পত্ৰিকাখনকে আকৌ উলিয়াবলৈ ৬০০৲ টকা ৰূপ দিবৰ নিমিত্তে অহা বছৰলৈ বিবেচনা কৰা হ'ব।

এতেকে, ইয়াকো এথোন থিৰাংকৈ লেখত ধৰিবৰ হোৱা নাই।

**মিউনিচিপেলিটি আৰু ল'কেল বৰ্ডৰ দান**—এই ব'ৰ্ড্ সমূহৰ পৰা এই বছৰৰ ভিতৰত মুঠতে ৭৫+২৯৫=২৭০৲ টকা পোৱা হৈছে; সেই ধন ১৯৩৩-৩৪ চনৰ বাবে বৰঙণি। ব'ৰ্ডবিলাকৰ এভাগে শুৰিৰে পৰা সদায় সভাক সহায় কৰি আহিছে; এভাগে অৰ্থ-অনাটনত পৰি, আজি কেইবাবছৰো সমূলি সহায় কৰিব পৰা

নাই, নতুবা কমকৈ কৰিছে ; আৰু এভাগে কোনো দিনে, মুঠেই একো সাহায্যকে কৰা নাই। তাৰ্লৈ অনেক বাৰ আবেদন-নিবেদন কৰাও নিষ্ফল হৈছে। আমাৰ ঘৰুৱা মিউনিচিপেলিটীয়েই আমাক দিয়া দানতকৈ আমাৰ ওপৰত লগোৱা কৰৰ পৰিমান সৰহ। কৰ মাফ্ পোৱা দূৰৰ কথা, আমি এই বেমেজালিটোকে গুচোৱাই, দান আৰু কৰ দুইকো সমানলৈ অনাই ল'ব নোৱাৰিলোঁ।

অসম উপত্যকাত টাউন কমিটী এৰিও, ১২ খন মিউনিচিপেল আৰু ১২ খন ল'কেল বৰ্ড্ আছে। তাৰ পৰা এই অনুষ্ঠানলৈ বছৰেকত হেলাৰঙে ২০০০৲ টকা উঠিব পাৰে। এই কথালৈ আপোনা-সকলৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

**সভ্য বৰঙণি, ভৰ্ত্তি মাচুল**—এই বছৰত মুঠতে নতুন সভ্যৰ লেখ ৪৭+২২=৬৯ জন। তাৰ ভিতৰৰে ২ গৰাকীয়ে আজীৱন সভ্য হ'বলৈ আংশিক ৰূপে বৰঙণি দিছে। নতুন সভ্যসকলৰ পৰা ভৰ্ত্তি-মাচুল আৰু এই বছৰৰ বৰঙণিৰ বাবে ১৪২৲ টকা উঠিছে। পুৰণি সভ্যৰ পৰা বৰ্ত্তমান বছৰৰ বৰঙণি মাত্ৰ ১৬৲ টকাহে পোৱা হৈছে। ইয়াৰ কিবা এটা ভাল দিহা নলগালে, বৰঙণি তোলা এক প্ৰকাৰ অসাধ্য হৈ পৰিছেহি। এটকা ৰূপ ডাকত পঠাবলৈ স্বভাৱতে মানুহৰ আওহেলা হয় ; আৰু সেই বাবেই প্ৰায় সকলোৱেই বৰঙণি নপঠায়। একোবাৰ মনত পেলাই দিবলৈকো, ডাক খৰচতে ভালেখিনি ভৰণি হয়, তদুপৰি সেয়ে ঘূৰি নহাৰো সংশয় থাকে। সেই দেখি, এই বাৰ গুৱিতে বাতৰি-কাকতৰ যোগে কেইবা বাৰো খটা হৈছিল, সকলোৱে যেন বৰঙণিৰ ৰূপ টকী নসধাকৈয়ে মনে জানি পঠিয়াই দিয়ে। কিন্তু তাৰ পৰা একো গুণ নধৰিলে।

**স্বীকৃত সভা আৰু তাৰ বৰঙণি**—আমাৰ স্বীকৃত সভাৰ সংখ্যা ৩৭ খন। কিন্তু, তাৰ ভিতৰৰ অনেকৰ একো উম্ঘাম্ পাবলৈ নোহোৱা হৈছে। অনেকলৈ চিঠি লিখি অকল অনৰ্থক পইচা ভঙ্গা গৈছে। অনেকৰ বাৰ্ষিক বৰঙণিও বাকী আছে। স্বীকৃত সভাৰ বৰঙণি ১০৲ টকা। এই বছৰত পোৱা গৈছে মুঠতে ৮০৲ টকা।

গোলাঘাট আৰু দেৰৰগাঁৱৰ সভা দুখন মৃতকল্প হৈ আছিল। সম্প্ৰতি গোলাঘাটত শ্ৰীযুত গোলাপচন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত কৃষ্ণনাথ বেজবৰুৱা দেৱৰ, আৰু দেৰৰগাঁৱত ব্যাকৰণতীৰ্থ শ্ৰীযুত চাৰুচন্দ্ৰদেৱ মুকলিমূৰীয়া গোস্বামীৰ যত্নত এই সভা দুখনে আকৌ ন-কৈ ঠন্ ধৰিবৰ উপক্ৰম কৰিছে। গোলাঘাটৰ পোনৰ খন সভাত শ্ৰীযুত শৰতচন্দ্ৰ গোস্বামী, পূৰ্ণানন্দ পাঠক, তুলসীনাৰায়ণ শৰ্ম্মা আৰু প্ৰধান সম্পাদক উপস্থিত আছিল। পাঠক দেৱৰ বাজে বাকী কেইজন দেৰগাঁৱৰ সভালৈকো গৈছিল।

অলপতে সভাৰ কেৰাণীয়ে তিনিচুকীয়াত এখন স্বীকৃত সভা পতাবৰ যত্ন কৰি আহিছেগৈ ; তাৰ স্থানীয় লোকেও সোনকালে পাতিম বুলি আশা দিছে।

আৰু কেইবা ঠাইতো সভা পতাবলৈ কাৰবাৰ কৰা হৈছে ; আৰু দুই এঠাইত অলপতে পতাবো আশা আছে।

লখীমপুৰৰ সন্মিলনত শ্ৰীযুতা বকুলপ্ৰভা বৰুৱা খোৱানী আয়ে তেখেতৰ বক্তৃতাত কৈছিল যেনে, সাহিত্য সভাত মহিলা সমিতিকো "নগা চাৰি এটা দিব লাগে।" মহিলা সমিতিক সাহিত্য সভাৰ স্বীকৃত কৰাৰ কথাৰে তেখেতলৈ লিখা হৈছিল, কিন্তু তাৰ উত্তৰ পোৱা নহল।



**আয়-ব্যয়**—বৰ্ত্তমান সম্পাদকে কাৰ্য্যভাৰ লওঁতে, সভাৰ জমাৰ মূৰে ভালেখিনি টকাৰ ধাৰ আছিল। সেই ধাৰ এতিয়াও তেনেই আছে, মাত্ৰ এই বছৰত ন-কৈ একো ধাৰ লগা নাই। যোৱা ৩১ মাৰ্চ্চলৈকে কা: নিঃ সমিতিৰ গৃহীত হিচাব এই বিৱৰণীৰ অন্তত দিয়া আছে। সেই মতে, সেই তাৰিখলৈকে উৎপন্ন মুঠ ৬৬৭, ৲২ পাই টকা আৰু ব্যয় ১৩৬৬৷৷/০ টকা আছিল। তাৰ পাচৰ ছোৱাৰ হিচাব ঘূৰি ৩১ মাৰ্চ্চৰ পাচতহে অডিটৰে পৰীক্ষা কৰিব। তথাপি, আপোনালোকে জানিবৰ অৰ্থে ১৯৩৪ চনৰ এপ্ৰেলৰ পৰা নবেম্বৰলৈ এই আঠ মাহৰ এটা অনুমানিক হিচাবৰ আভাস দি থওঁ :—১৯৩৪ চনৰ নবেম্বৰৰ শেহলৈকে, এই ৮ মাহত সাহিত্য-সভাৰ মুঠ আয় ৭৬৩৮৭ টকা আৰু মুঠ ব্যয় ৭৬৩, টকা মান হ'বগৈ। তাৰ ভিতৰতে কেৰাণী আৰু চৌকিদাৰ যোৱা নবেম্বৰ মাহৰ দৰ্ম্মহা দিয়া হোৱা নাই।

আপোনাসকলৰ অৱগতিৰ অৰ্থে এইখিনিতে ইয়াকো জনাই থওঁ যে, এই বছৰৰ মুঠ আয় ৬৬৭৲ ২ পাইৰ ঠাইত, ১৯২৫।২৬ চনত সভাৰ আয় আছিল ৩৫৫৪৮/০ টকা, ২৬।২৭ ত ৪২০৯৷৷৭ টকা, ২৭।২৮ ত ২৪৮৩৮/৭, ২৮।২৯ ত ১৮৮৮৷/৬ টকা, ২৯।৩০ ত ৫৭৮২৷৷৶২ টকা, ৩০।৩১ত ১২১৮/১ টকা, ৩১।৩২ ত ১১২৫৶৫ টকা, আৰু ৩২।৩৩ ত ৭২৪৮৶১ টকা।

**কা, নি, সমিতি**—এই বছৰ কা, নি, সমিতিৰ ৬ খন সভা বহিছিল। তাত সভ্যৰ সংখ্যা সন্তোষজনক আছিল। এই বিষয়ে কেন্দ্ৰস্থলত বাজে আন ঠাইৰ কা, নি, সভ্যসকলৰ ওচৰত এফেৰি গোহাৰি আছে। কা, নি, সমিতিৰ সভা-বোৰত তেখেতসকলৰ অনেকৰ মতামত পোৱা নেযায়। সেইদেখি, সেই সমিতিৰ বাকীখিনি সভ্যই তেখেতসকলৰ অধিক সহযোগ সবিনয়ে আকাঙ্ক্ষা কৰিছে।

**পুথি-ভঁৰাল**—অৰ্থৰ অনাটনত এই বছৰ পুথি-ভঁৰাললৈ ন-কৈ কিতাপ কিনিব পৰা নাই। কিন্তু ৰায় বাহাদুৰ শ্ৰীযুত কণকলাল বৰুৱা ডাঙৰীয়াৰ কামৰূপৰ বুৰঞ্জীকে আদি কৰি কেইখন মান মূল্যবান কিতাপ দান স্বৰূপে পোৱা হৈছে। গৱৰ্ণমেণ্টক খুজি-মেলিও কেইবাখনো লাগতিয়াল্ কিতাপ অনা হ'ল। মহাত্মা গান্ধিৰ লগত অহা বাবা ৰাঘৱদাস ব্ৰহ্মচাৰী নামেৰে সন্ন্যাসী এগৰাকীয়ে, সম্পাদকৰ অনুৰোধত, ভালেখিনি হিন্দী ভাষাৰ কিতাপো এনেয়ে দান স্বৰূপে পঠাই দিছে ; তাৰ বাজেও, "বিশ্বমিত্ৰ" নামেৰে হিন্দী কাকত এখনো তেওঁ বিনা মূল্যে পঠোৱাই আছে। সম্প্ৰতি হাতে লিখা পুথিৰ বাজে সভাৰ ভঁৰালত এতিয়া ১০৬৭ খন ছাপা কৰা কিতাপ আছে।

**ট্ৰষ্ট ফণ্ড**—চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ফণ্ডৰ টকাৰে পূৰ্ব্বতে কোম্পানীৰ কাগজ কিনা আছে ; নবদেৱ ফণ্ডৰ ধন ইম্পেৰিয়েল্ বেঙ্ক, আৰু কমলা দেৱী ফণ্ডৰ ধন যোৰহাট টাউন বেঙ্কত জমা আছে। আগৰ খনৰ হিচাব বেলেগে, আৰু ই দুখনৰ হিচাব সাহিত্য-সভাৰ লগতে থাকে, আৰু অডিটৰে পৰীক্ষা কৰে।

**চ, ই, ফণ্ড**—চন্দ্ৰকান্ত-ইন্দ্ৰকান্ত ফণ্ডৰ এই বছৰৰ মাই কাম হৈছে চন্দ্ৰকান্ত অভিধানৰ সংশোধন কাৰ্য্য। ইয়াৰ বিৱৰণ এই ৰেপৰ্টৰ যথাস্থানত দিয়া হৈছে।

**নবদেৱ ফণ্ড**—বেঙ্কৰ সুতৰ হাৰ কমি যোৱাত, এই বছৰ নবদেৱ ফণ্ডৰ সুত, আগৰ ১৭৫৲ টকাৰ ঠাইত মাত্ৰ ১০০৲ টকাহে পোৱা হৈছে। এই ফণ্ডৰ পৰা প্ৰকাশ কৰা আগৰ তিনিখন কিতাপৰে কাটন হোৱা নাই ;

শেহত কিছুমান আধামূলীয়াকৈও বেচিবলৈ দিয়া হৈছে। চন্দ্ৰকান্ত অভিধান আৰু এই কিতাপ কেইখনো প্ৰাইজ্ আৰু লাইব্ৰেৰীলৈ বুলি মঞ্জুৰ কৰিবৰ নিমিত্তে অলপতে শিক্ষা বিভাগলৈ লিখা হৈছে। এই চলতে মনত পৰোঁতেই ইয়াকো জনাই থওঁ, যে নবদের ফণ্ডৰ কিতাপবোৰ বেচাৰ কথাত, সম্ভৱতঃ আমাৰ স্বীকৃত সভাখিনিয়েও অলপ যত্ন কৰি চাব পাৰে। এইবোৰ কিতাপ পৰি থকাৰ বাহিৰেও, আৰু-বেলি উলিওৱা "ব্ৰহ্ম-বৈৱৰ্ত্ত পুৰাণ"তে ভালেখিনি ধন খৰচ হৈ আছে, আৰু তাৰ লেঠাই এই বছৰতহে মৰিছে। তথাপি ন-কৈ ছপাবৰ অৰ্থে পুথি বাছিবলৈ দিয়া হৈছে।

**কমলা দেৱী ফণ্ড**—এই ফণ্ডৰ "ৰাজস্থানৰ গল্প" বুলিবৰ শিশু-পাঠাৰ উপযোগী কিতাপ এখন আগেয়েই ছপাবলৈ দিয়া আছে। লিখকে তাক সময়মতে ছপা কৰাই দিব পৰা নাই। ছাপা কাৰ্য্য চলি আছে, লিখকক খটিয়াই থকাও হৈছে। সেয়ে ওলালেই, ন-কৈ আৰু এখন কিতাপৰ বাবে জাননী দিয়া হ'ব।

**চন্দ্ৰকান্ত অভিধান**—সাহিত্য-সভাৰ এই বছৰৰ ঘাই কাম হৈছে চন্দ্ৰকান্ত অভিধান সংশোধন কৰা। দুৰ্ভাগ্যক্ৰমে কিতাপখনত অনেক ভুল থাকি গৈছিল। সেইদেখি, লখীমপুৰৰ সম্মিলনত সন্দিকৈ ডাঙৰীয়াই ইয়াৰ সংশোধনী এখন উলিওৱাৰ প্ৰতিশ্ৰুতি দিছিল। সেইমতেই ট্ৰষ্ট্ ব'ৰ্ডে ৮ জন লোকেৰে এখন সংশোধনী সমিতি নিযুক্ত কৰি দিছে। এই কাৰ্য্য ব'ৰ্ডে ছমাহৰ ভিতৰতে সমাধা হ'ব বুলি আশা কৰিছিল; কিন্তু এতিয়া ছমাহ অতীত হ'ল। এই নিয়মেই চলিলে আৰু অনেক কাল লাগিব যেন দেখা গৈছে। গতিকে সম্প্ৰতি কাম কিছু সংক্ষেপকৈ ধৰিবৰ প্ৰয়োজন হৈছে।

এই সংশোধন সমিতিৰ সভাপতি যোৰহাট কলেজৰ অধ্যক্ষ শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, আৰু সভ্য পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ ব্যাকৰণতীৰ্থ বিদ্যাবিনোদ, অধ্যাপক শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা, মৌঃ জেহিৰুদ্দিন আহমদ বি, এ, বি, টি, শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা বি, এ, বি, টি, শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি, এ, বি, এচ্, চি, শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা আৰু সাহিত্য-সভাৰ প্ৰধান সম্পাদক। সম্প্ৰতি সভাপতিৰ দিহামতে, এই সমিতিয়ে সংশোধন কাৰ্য্য কৰি আছে। মিশ্ৰদেৱে স্বৰ্বৰ্ণ খটম কৰি এতিয়া ব্যঞ্জনবৰ্ণৰ 'খ' আখৰ পাইছেগৈ। অতি জটিল আৰু টান গুণে, এই কাম তত তৈয়াকৈ কৰিব নোৱাৰি। কিন্তু সংশোধনীখন ওলোৱাত কেইবাবছৰো পলম হোৱাও বাঞ্ছনীয় নহয়। গতিকে পৰিবৰ্দ্ধন কাৰ্য্য দ্বিতীয় সংস্কৰণলৈ এৰি, এই সমিতিয়ে মাথোন গ্ৰন্থত থকা অশুদ্ধখিনি শুদ্ধ কৰিবলৈহে লক্ষ্য ৰাখিছে। অভিধান সংশোধনৰ বিষয়ে যি বিলাক চিঠি-পত্ৰ পোৱা হৈছে, তাত লিখা সকলোখিনি কথাকে সংশোধন সমিতিয়ে সাৱধানে আলোচনা কৰিব।

এই কামলৈ পণ্ডিত উমাকান্ত মিশ্ৰ দেৱৰ দৰে এগৰাকী সুযোগ্য লোকক পোৱাটো সৌভাগ্যৰ কথা হৈছে। তেওঁ অতি সাৱধানে আৰু মনোযোগেৰে কাম কৰিছে। সমিতিৰ অন্যান্য সভ্য সকলেও আশাশুধীয়াকৈ খাটি মিশ্ৰ দেৱক যথাসাধ্যৰূপে সাহায্য কৰিছে। তাৰ বাবে চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰষ্ট্ ব'ৰ্ডে মৰমৰ গুণ লৈ সিবিলাকলৈ আন্তৰিক শলাগ জনাইছে।

এই অভিধান উলিয়াবলৈ ট্ৰষ্ট্ ফণ্ডৰ সুতে নোজোৰাত, সন্দিকৈ ডাঙৰীয়াই ১১০০৲ টকা ধাৰে দিছিল। অভিধান বেচাৰ উৎপন্নৰ পৰা এই বছৰত তাৰে ১৪০০৲ টকাৰ ধাৰ শুজা হৈছে।



**সৰল বিজ্ঞান**—সৰল বিজ্ঞান নামে এখন কিতাপলৈ বঁটা দিয়া আছিল। গ্ৰন্থকাৰৰ গহৰি দেখি, টানকৈ চিঠি-পত্ৰ লিখি, ইয়াৰ কাম আগ বঢ়োৱা হৈছে; কিতাপ অলপতে ওলাব বুলি আশা কৰিব পাৰি।

**যোৰা সম্মিলনৰ প্ৰস্তাৱ**—চতুৰ্দ্দশ সম্মিলনত সৰমুলি ২৩টা সিদ্ধান্ত কৰা হৈছিল। তাৰ বিষয়ে লাগতিয়াল সকলোখিনি লিখা-লিখি কাৰ্য্য কৰা হৈছে।

স্বৰ্গীয় লক্ষ্মীধৰ শৰ্ম্মাৰ চিকিৎসালৈ সাহায্য পঠোৱাৰ প্ৰস্তাৱৰ আদেশ যথাৰীতিৰে পালন কৰা হ'ল।

চন্দ্ৰকান্ত অভিধান সংশোধনৰ বাবে যি প্ৰস্তাৱ আছিল, তাৰ কথা ওপৰতে কৈ অহা হৈছে।

এটা প্ৰস্তাৱ আছিল ঠায়ে ঠায়ে স্বীকৃত সভা আৰু পুথি-ভঁৰাল পাতিবলৈ উপযুক্ত কৰ্ম্মী "নিযুক্ত" কৰা। স্বীকৃত সভা বঢ়াবলৈ যি যত্ন কৰা হৈছে তাৰো ওপৰতে উল্লেখ আছে। কিন্তু ধন দি কৰ্ম্মী নিযুক্ত কৰাটো সম্প্ৰতি সম্ভৱ নহয়।

পত্ৰিকা প্ৰকাশৰ, সাঁথৰ পটন্তৰ সংগ্ৰহ কৰি ছাপা কৰোৱাৰ, আৰু অসমীয়া পঞ্জিকা উলিওৱাৰ—এই তিনটি প্ৰস্তাৱৰ কাৰ্য্য কাঃ নিঃ সমিতিয়ে ধনৰ অভাৱত স্থগিত ৰাখিবলৈ বাধ্য হৈছে। অহা বছৰলৈ পত্ৰিকাৰ নিমিত্তে ৬০০৲ টকাৰ কথা চৰ্কাৰে যি লিখিছে তাক ওপৰতে জনাই অহা হৈছে। তাকে পোৱা গ'লে, সৰুকৈ কথমপি চাৰি সংখ্যা কাকত ওলাব; কিন্তু, সেই ধনেৰে কাকতৰ উন্নতি কৰিবলৈ নোজোৰে। গতিকে, পত্ৰিকা আকৌ ওলালে, তাৰ উন্নতি, বহুল প্ৰচাৰ, আৰু স্থায়ীত্বৰ অৰ্থে সকলো শিক্ষিত লোকৰ সহানুভূতি আৰু সহযোগৰ প্ৰয়োজন হ'ব। সাঁথৰ আৰু পটন্তৰৰ বিষয়ে, সাহিত্যৰ হিচাবে সাঁথৰতকৈও পটন্তৰ, অৰ্থাৎ যোজোনা, আৰু ফকৰা আদি বচনবোৰৰহে মূল্য সৰহ। সেই বচনবোৰৰ, আৰু তাৰ লগতে খণ্ডবাক্যবোৰৰো অসমীয়া আৰু ইংৰাজীৰে অৰ্থ লিখি, আৰু উদাহৰণ আদি দি প্ৰকাশ কৰিবলৈ হ'লে, কমেও ৮০০ বা ৯০০ পিঠীয়া এখন শকত ডাঙৰ অভিধান হ'ব; আৰু তাক সংগ্ৰহ কৰি হাতে লিখি প্ৰস্তুত কৰিবলৈ অনেক ধন আৰু সময় লাগিব। তথাপি, যোজোনা-ফকৰাৰ সৰু-সুৰা কিতাপতকৈ, সম্প্ৰতি আমাৰ তেনে এখন বিস্তাৰিত আৰু শুখ খাপৰ গ্ৰন্থৰহে বিশেষৰূপে প্ৰয়োজন হৈছে। তেনে বিধৰ যুগুত হৈ থকা হাতে-লিখা পুথিও পোৱা যায়; কিন্তু, তাক প্ৰকাশ কৰিবলৈ বা প্ৰকাশ কৰাত সাহায্য কৰিবলৈকো সাহিত্য-সভাৰ সম্প্ৰতি সঙ্গতি নাই।

শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক সাহিত্য পেন্সন দিবৰ নিমিত্তে চৰ্কাৰলৈ এটা প্ৰস্তাৱ আছিল। তাৰ উত্তৰত, চৰ্কাৰে তেখেতৰ যোগ্যতা সন্মানৰ উপযুক্ত বুলি স্বীকাৰ কৰিছে; কিন্তু দেশৰ বৰ্ত্তমান অৰ্থসঙ্কটত পেন্সন দিবলৈ অপাৰগ বুলি দুখ কৰিছে। ( No. 11561-625 ; D/-17-8-34 ) এই বিষয়ে একেষাৰ কথা ক'ব লগীয়া আছে। আজি বহুদিনৰ পূৰ্ব্বেই, কটন কলেজত অসমীয়া সাহিত্যৰ বাবে chair এখন দিব লাগে বুলি সাহিত্য-সভাৰ পৰা চৰ্কাৰলৈ লিখা হৈছিল। ই এটা অতি প্ৰয়োজনীয় কাম; আৰু ইয়াৰ প্ৰয়োজন দিনেপতি বাঢ়ি লাগিছে। সম্প্ৰতি তাকে কৰিবলৈ আমি চৰ্কাৰক ধৰাটো যুগুত হ'ব: কাৰণ এই কাম এতিয়ালৈকে নকৰাটোহে অযুগুত হৈছে। চাকৰি, বেহা-বেপাৰ, কৃষি-শিল্পৰ দৰেই কেউফালৰ বিষম হেঁচাত নিজৰ সাহিত্য ক্ষেত্ৰতো লেৰেলা চেপেটা এমুঠি অসমীয়া টিস্তিব পৰাটো

টানত পৰিছে। এনে সঙ্কটৰ সময়ত, দেশৰ সাহিত্যৰ হকে, আন কিবা কামকে পাচলৈ থৈ হ'লেও চৰ্কাৰে ইয়াক কৰা উচিত। সেয়ে হ'লে, পাচলৈ সেই ঠাইতো বেজবৰুৱা ডাঙৰীয়াকে ল'ব পাৰিব। আৰু তাকে কৰিলে, এহাতে আমাৰ সৰ্ব্বপ্ৰধান শিক্ষালয়ত অসমীয়া শিক্ষাৰ যুগুত বিধান কৰাৰ লগে লগে, আন হাতে যোগ্য জনৰ যোগ্যতাৰো যোগ্যৰূপে সম্মান কৰা হ'ব।

এই উপত্যকাৰ সকলো মহকুমাত, বৰোদা ৰাজ্যৰ দৰে, চলন্তা পুথি-ভঁৰাল পতাৰ প্ৰস্তাৱৰ বিষয়ে চৰ্কাৰে আৰু কোনো কোনো ল'কেল্‌ব'ৰ্ডেও ধনৰ অভাৱত এই কাৰ্য্য কৰিব নোৱাৰোঁ বুলি লিখিছে। ( No. 599 E ; D—15-3-34 )

টেক্‌ষ্ট্‌ বুক্ কমিটীলৈ তিনিজন সভ্য বাছি দিবলৈ অধিকাৰ বিচাৰিও এটা প্ৰস্তাৱ দিয়া হৈছিল। তাৰ উত্তৰত ডিৰেক্টৰ চাহাবে লিখিছে বোলে, কমিটীত সম্প্ৰতি সাহিত্য-সভাৰ মানুহ আছে : আৰু আগলৈ কমিটী ন-কৈ গঠন কৰিব লগা হ'লে, বা কমিটীত ন-কৈ সভ্য ল'ব লগা হ'লে, সাহিত্য-সভাক উপযুক্ত লোকৰ নাম প্ৰস্তাৱ কৰি পঠাবলৈ কৈছে। ( No 4374 D—5-3-34 ) এই চিঠি দিয়াৰ পাচত, কমিটীত এজন সভ্যৰ ঠাই উদং হওঁতে, সেই ঠাইলৈ কৰ্ত্তৃপক্ষই আমাৰ কা, নি, সমিতিৰ সভ্য শ্ৰীযুত মহীচন্দ্ৰ বৰা দেৱক মনোনীত কৰিছে। সম্প্ৰতি টেক্‌ষ্ট্‌ বুক্ কমিটীত সাহিত্য-সভাৰ ৪ জন সভ্য আছে। কিন্তু সভ্য মনোনীত কৰিবৰ অধিকাৰ সভাই এতিয়াও পোৱা নাই।

এটা প্ৰস্তাৱ আছিল গোটেই উপত্যকাত সচলনিকৈ প্ৰাথমিক শিক্ষা বাধ্যতামূলকৰূপে চলাবৰ অৰ্থে। চৰ্কাৰে উত্তৰ দিছে বোলে, এই কামত ল'কেল্‌ব'ৰ্ডেহে ধৰিব লাগে ; পাচে হেনো কোনো কোনো ব'ৰ্ডে, পূৰ্ব্বে ইয়াৰ সকলো দিহা-যুগুতিৰ আঁচনি পাতি লৈও, এতিয়া দুৰ্বৎসৰত এই কাম স্থগিত ৰাখিবলৈহে অনুৰোধ কৰি পঠাইছে। ( No 5370-71-D—16-3-34 )

অসমত পোৱা শিলালিপিবোৰৰ সংস্কৃতৰ আদি এম্‌-এ, পৰীক্ষাৰ পাঠ্যভুক্ত কৰা হওক, এই মৰ্ম্মেও এটা প্ৰস্তাৱ আছিল। কলিকতা বিশ্ব-বিদ্যালয়লৈ পঠোৱা হৈছিল, উত্তৰ নাহিল। কিন্তু, শুনা গৈছে বোলে, "কামৰূপ শাসনাৱলী" বোলা কিতাপখন সম্প্ৰতি এম্‌-এ পৰীক্ষাৰ Archalogy বিভাগত পাঠ্যৰূপে নিৰ্দ্ধাৰিত হৈছে।

ৰক্ষাদিনীয়া স্থপতি শিল্প আৰু স্মৃতিৰ চিনবোৰ সংৰক্ষণ কৰাৰ বিষয়েও এটা প্ৰস্তাৱ আছিল। এই সম্পৰ্কে চৰ্কাৰে এতিয়ালৈকে যি যি কাম কৰিছে, তাৰ উপৰি আৰু ক'ত কি কৰিব লাগে, এই কথা শ্বিলঙৰ পৰা সুধি পঠাইছে। কথাটো বৰ লাগতিয়াল্ ; এই বস্তুবোৰৰ ঐতিহাসিক মূল্য অতি অধিক। ৰক্ষা কৰিব লগীয়া নিদৰ্শনবিলাকৰ কোনোবাই কিবা সমাচাৰ দিলে, কা, নি, সভাই উপকাৰ মানিব।

"অসম", "আসাম", "অসমীয়া" আদি শব্দবোৰৰ বানান আৰু উচ্চাৰণৰ বেমেজালি ভাঙিবৰ অৰ্থে কি কৰা উচিত তাক স্থিৰ কৰিবলৈ যোৱা সন্মিলনে এখন সমিতি নিযুক্ত কৰি দিছিল, আৰু তাৰ সভাসকলৰ মত সংগ্ৰহ কৰি এই সন্মিলনত জনাবলৈ সম্পাদকক আদেশ দিছিল। এই বিষয়ে যি চিঠি-পত্ৰ পোৱা হৈছে তাক বিষয়-বাছনি সভাত জনোৱা হ'ব।

গুৱালপাৰ আদি ঠাইৰ যিবোৰ স্কুলত এতিয়ালৈকে অসমীয়া ভাষাৰে শিক্ষা দিয়াৰ নিয়ম চলা নাই, তাত সেই নিয়ম চলাব লাগে। এই প্ৰস্তাৱৰ চৰ্কাৰৰ পৰা উত্তৰ পোৱা হৈছে বোলে গুৱালপাৰ জমীদাৰসকলৰ নিজাবোৰ হাইস্কুলত ইয়াক চলাবলৈ শিক্ষা বিভাগৰ হাত নাই। ( In regard to the teaching of Assamese in all the schools in the Assam Valley, specially in the district of Goalpara, I am to say that Govt. regret that they can do nothing in regard to the teaching of Assamese in the proprietory High Schools in the district of Goalpara— No. 1002 E. D/- 8-5-34 )



এটা প্ৰস্তাৱত চৰ্কাৰী ফাৰাম আৰু পট্টা আদিত "সম্বত"ৰ সলনি "শকাব্দা" প্ৰচলন কৰিবলৈ গৱৰ্ণমেণ্টক ধৰা হৈছিল। উত্তৰ পোৱা হ'ল বোলে, এই কথাত কোনো সাল-সলনিৰ প্ৰয়োজন হোৱা নাই, কিয়নো, এতিয়াও "সম্বত" ব্যৱহাৰ কৰা নহয়, খৃষ্টাব্দৰহে প্ৰচলন আছে। (In reply I am to say that the English year and not the Sambat or Bengalee year is used in Govt. forms, such as Pottahs. No change is needed. No 1985 A. P.—D/- 2-3-34 )

অসমীয়াত কৃতবিদ্য লোকক উপাধি আৰু চনদ্ দিয়াৰ প্ৰস্তাৱ কি ৰূপেৰে কাৰ্য্যত পৰিণত কৰিব পাৰি, তাৰ উপায় স্থিৰ কৰিবলৈ কাঃ নিঃ সমিতিক ভাৰ দিয়া হৈছিল। সমিতিয়ে ইয়াৰ বাবে ৫ জন সভ্যেৰে এখন কমিটি নিযুক্ত কৰিছিল ; আৰু তেওঁলোকৰ ৰেপৰ্ট আলোচনা কৰি, এই কথাত যি স্থিৰ কৰিছে, তাক অথনিকৈ বিষয়-বাছনি সভাত জনোৱা হ'ব।

প্ৰত্নতত্ত্ব বিভাগত মিউজিয়ম সাজিবলৈ পুঁজি সৃষ্টি কৰিবৰ নিমিত্তে গবৰ্ণমেণ্টৰ বজেটত বছৰি যথাসম্ভৱ ধন আছুতীয়াকৈ ৰাখি যাব লাগে। এই মৰ্ম্মৰ যিটো প্ৰস্তাৱ আছিল, তাত চৰ্কাৰ মান্তি নহ'ল। ( I am to say that Govt. regret that they are unable to accept the proposal for creation of a fund in this manner ) সি যি হওক, মিউজিয়ম্ ঘৰ ৰাইজৰ পৰা ধন তুলি সাজিব পাৰিলে, চৰ্কাৰে তাক পাচলৈ চলাই থাকিবলৈ গাত লৈছে ; আৰু ধন তুলিবলৈ মাননীয় মন্ত্ৰী ৰায় বাহাদুৰ শ্ৰীযুত কণকলাল বৰুৱা ডাঙৰীয়াক সভাপতি পাতি সম্প্ৰতি এখন কমিটী নিযুক্ত কৰিছে।

যোৱা চতুৰ্দ্দশ সন্মিলনৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণখনি পুস্তিকাৰ আকাৰেৰে ছপা কৰি জন সাধাৰণৰ মাজত বিলাই দিবলৈ এটি প্ৰস্তাৱ গৃহীত হৈছিল। কিন্তু সভাৰ এই অৰ্থসঙ্কটৰ দিনত এই কাৰ্য্য বৰ্ত্তমান স্থগিত ৰখা হয়।

**বিবিধ**—১ (ক) নগাঁৱৰ উকিল শ্ৰীযুত উমাকান্ত গোঁহাইদেৱৰ সুযোগ্যা ভাৰ্য্যা, আৰু শ্ৰদ্ধাস্পদ শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াৰ কন্যা শ্ৰীযুতা হিৰণ্ময়ী গাভৰুদেৱে "সমাজত তিৰুতাৰ কৰ্ত্তব্য, এই বিষয়টোত সৰ্ব্বোৎকৃষ্ট ৰচনাৰ বাবে এটি সোণৰ পদক আগ কৰিছিল ; আৰু তেওঁৰ মাতৃৰ নামে, "খেটেকেশ্বৰী পদক" তাৰ নামকৰণ কৰিছিল। পৰীক্ষকৰ পৰীক্ষাত "পখিলাৰ" সম্পাদক শ্ৰীযুত হৰেন্দ্ৰনাথ শৰ্ম্মা দেৱেই সেই পদকৰ যোগ্য পাত্ৰ বুলি নিৰ্দ্ধাৰিত হোৱাত, এই সন্মিলনতে সেই প্ৰীতিকৰ কাৰ্য্যও সম্পন্ন কৰিবৰ দিহা কৰা হৈছে।

১ (খ) যোৱা চতুৰ্দ্দশ সন্মিলনত ৺ৰোহিনী কান্ত হাতীবৰুৱাৰ ভাৰ্য্যা শ্ৰীযুতা শান্তিপ্ৰভা হাতীবৰুৱানীয়ে ঘোষণা কৰা "কানিৰ অপকাৰিতা" বিষয়ক ৰচনাৰ এই বছৰ কেৱল মাত্ৰ দুখনহে পোৱাত আৰু ৰচনা পাবৰ আশাৰে সময় বঢ়াই

দিয়া হয়। গতিকে এই বছৰ এই পুৰস্কাৰ দিব পৰা নহল।

(২) সাহিত্য সভাৰ ঘৰত মহাত্মা গান্ধিজিৰ অৱস্থান এই বছৰৰ এটি প্ৰধান উল্লেখযোগ্য ঘটনা। যোৱা এপ্ৰিল মাহত, হৰিজন আন্দোলনৰ কামত যোৰহাটলৈ আহোঁতে, তেখেতে সদলবলে চন্দ্ৰকান্ত মন্দিৰত তিনি ৰাতি বাস কৰি গৈছে, আৰু পৰিদৰ্শন বহিত নিজ হাতে তাৰ নিদৰ্শনো থৈ গৈছে।

(৩) লখীমপুৰৰ সম্মিলনৰ পৰা উভতি যাওঁতে, যোৱা ১লা জানুৱাৰী তাৰিখে, সম্মিলনৰ সভাপতি শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা, আৰু সেই সম্মিলনতে অভিনন্দিত ৰায়বাহাদুৰ গোঁহাই বৰুৱাক চন্দ্ৰকান্ত মন্দিৰত, প্ৰীতি সম্ভাষণ জনাবলৈ পাই কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে অতিশয় সন্তোষ পাইছিল।

(৪) কটন কলেজৰ অধ্যাপক মিঃ ৰবাৰ্টচ্ চাহাবে, শিক্ষা-ডিৰেক্টৰ স্বৰূপে যোৰহাটলৈ আহোঁতে, সম্পাদকৰ আহ্বানত, ৯ জানুৱাৰী তাৰিখে, সভাৰ পুথি-ভঁৰাল আদি চাই-চিতি আৰু কাঃ নিঃ সমিতিৰ সভ্যসকলক দেখা-সাক্ষাৎ কৰি গৈছে।

(৫) যোৱা ৩ ডিচেম্বৰ তাৰিখে আমাৰ স্থায়ী ডিৰেক্টৰ মিঃ স্মল চাহাবো সভাৰ অফিচলৈ আহিছিল। কাঃ নিঃ সভ্যসকলে তেওঁক সমাদৰ কৰি, ঘৰবাৰী পুথি-ভঁৰাল আদি দেখুৱাই, সভাৰ বিষয়ে যি পাৰে কৈ পঠাইছে।

(৬) এই বছৰ চন্দ্ৰকান্ত মন্দিৰত কেইবাটাও সাৰগৰ্ভ বক্তৃতা দিওৱা হৈছিল। তাৰ বিষয় আছিল (ক) কালিদাস, (খ) অসমত বিশ্ববিত্থালয়ৰ আৱশ্যকতা, (গ) জলাকৰ্ষণ, (ঘ) মান দেশৰ কথা, (ঙ) Breeding of crop planst, (চ) জীৱ,

পণ্ডিত শ্ৰীযুত দেৱেন্দ্ৰনাথ ভট্টাচাৰ্য্য সাংখ্যতীৰ্থ, ডাক্টৰ মইডুল ইচ্‌লাম বৰা, শ্ৰীযুত ইন্দ্ৰেশ্বৰ শৰ্ম্মা, ব্ৰহ্মদেশ নিবাসী শ্ৰীযুত পূৰ্ণকান্ত বুঢ়াগোহাঁই, ডাক্টৰ স্বৰ্ণকুমাৰ মিত্ৰ, আৰু শ্ৰীযুত জীৱেশ্বৰ শৰ্ম্মা এম, এ, বেদান্ততীৰ্থ। বক্তৃতাবিলাক উপাদেয় হৈছিল, আৰু কেউদিন শুনোতাও অনেক গোট খাইছিল।

(৭) চন্দ্ৰকান্ত মন্দিৰত সৰুভাৱে এটি পাঠাগাৰ খোলা হৈছে। তাত ১৪ খন কাকত আৰু লাগিলে পুথি-ভঁৰালৰ কিতাপো বিনা মূল্যে পঢ়িবলৈ পোৱা যায়। এই পাঠাগাৰ দিনৰ ১১ বজাৰ পৰা ৩ বজালৈ, আৰু গধূলি ৬ বজাৰ পৰা ৯ বজালৈকে খোলা থাকে। সভাৰ সভ্যৰ বাহিৰে আন লোকেও ইয়াত পঢ়িবলৈ পায়।

(৮) এইবাৰ সভাৰ কেৰাণীক ডিব্ৰুগড় অঞ্চললৈ অলপ দিনৰ নিমিত্তে ধন তুলিবলৈ বুলি পঠোৱা হৈছিল। তাৰ পৰা ইয়াকে মাত্ৰ বুজা গ'ল যে ঠায়ে ঠায়ে গা-লাগি ধৰোঁতা মানুহ পঠাব পাৰিলে দান বৰঙণি আদি অলপ গোটাব পৰা হয়। কিন্তু সভাৰ কেৰাণীক সদায় এই কামত ঘূৰাব পৰাটো সম্ভৱ নহয়।

**সাহিত্য সম্বাদ**:—এই বছৰ, দেশৰ সাহিত্যৰ অৰ্থে হোৱা দুই এটা উল্লেখৰ যোগ্য বিষয় আছে:—

(১) ৰায় বাহাদুৰ কণকলাল বৰুৱাৰ কামৰূপৰ বুৰঞ্জী। ই এখন অমূল্য আৰু জাকত জিলিকা ওখ থাপৰ গ্ৰন্থ। এই গ্ৰন্থই এই পুৰাণ-প্ৰসিদ্ধ প্ৰাচীন দেশৰ, ঘটকাসুৰৰ দিনৰ পৰা ঐতিহাসিক যুগৰ আৰম্ভলৈকে, এই আন্ধাৰ কাল ছোৱাত পোহৰ পেলাই তাৰ বিবৰণবোৰ লানি লগাই খান্দ খুৱাই সজাই



ন'হলে, ইয়াত থকা অনুসন্ধানৰ মূল্যবান তথ্যবোৰ আশানুৰূপে বহলাই প্ৰচাৰ কৰিব নোৱাৰি।

(২) শ্ৰীযুত ডিম্বেশ্বৰ নেওগে যুগুত কৰা "কাব্য-প্ৰতিভা" নামে পত্ম-গ্ৰন্থ অসপতে ওলাব। ইও এক লাগতিয়াল আৰু লেখৰ গ্ৰন্থ হ'ব। ইয়াত ১৮৩০ চনৰ পৰা ১৯৩০ চনলৈকে এই এশ বছৰৰ সকলো লিখাকৰ অসমীয়া পত্মৰ চানেকি আছে। শিক্ষাবিভাগে এই গ্ৰন্থলৈ বিজ্ঞাপন দি, আৰু ইয়াক ছপোৱাত অৰ্থ সাহায্য কৰি যুগুত কাৰ্য্য কৰিছে। শিক্ষা বিভাগৰ পৰাই সেই এশ বছৰৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী এখনলৈকো বিজ্ঞাপন ওলাইছিল। শ্ৰীযুত নেওগে তাকো লিখিছে বুলি শুনা গৈছে। সিও এখন ভাল গ্ৰন্থ হ'ব লাগে।

(৩) শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ দানত স্থাপিত হোৱা "প্ৰতিভা দেৱী ট্ৰষ্ট ফণ্ডো" এটি উল্লেখযোগ্য বিষয়। এই পুঁজিৰে কটন কলেজ, মুৰাৰীচান্দ কলেজ, আৰু আসাম-সাহিত্য-সভা, এই তিনি ঠাইত পৰ্য্যায়ক্ৰমে অসমীয়া জাতিৰ সজ্ঞান আৰু সভ্যতাৰ বিষয়ে বক্তৃতা দিওৱা হ'ব। অসমত বিশ্ববিত্থালয় নবহে মানে এই কাম চৰ্কাৰে কৰাব, আৰু তাৰ পাচত ই বিশ্ব-বিত্থালয়ৰ হাতলৈ যাব।

(৪) ঐতিহাসিক অনুসন্ধান আদিৰ নিমিত্তে গুৱাহাটীত "নাৰায়ণী সন্দিকৈ ইন্‌ষ্টিটিউট্" সাজিবলৈ শ্ৰীযুত সন্দিকৈ ডাঙৰীয়াই গবৰ্ণমেণ্টৰ হাতত ১০,০০০৲ টকা দান দিছে; আৰু গবৰ্ণমেণ্টও তাৰ লগতে ভালেখিনি ধন দি উপযুক্ত ঘৰ-দুৱাৰ সজাবলৈ ওলাইছে। এই অনুষ্ঠান এদিন অকল অসম দেশৰ নেলাগে সমস্ত ভাৰতবৰ্ষৰে এটি মূল্যবান আৰু যুগমীয়া সম্পদ হ'বগৈ বুলি আশা কৰিব পাৰি। ইয়াৰ বাবে গবৰ্ণমেণ্ট

আৰু সন্দিকৈ দুয়ো আমাৰ শলাগৰ পাত্ৰ। দেশৰ হকে ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈৰ ইও এটা ডাঙৰ দান। ই তেওঁৰ অপাৰ সাহিত্য-প্ৰেমৰ আৰু এটা বিপুল নিদৰ্শন।

এই সম্পৰ্কে একেষাৰ কথা আছে। আৰু-বেলিৰ সম্মিলনত এজন কৃতবিত্থ অসমীয়া ডেকা ভাস্কৰে, বাণীপূজাত বাণীসেৱকৰ অঞ্জলি স্বৰূপে চন্দ্ৰকান্ত মন্দিৰত থ'বলৈ, যেই সেই এজন স্মৰণীয় পুৰুষৰ এটি প্ৰস্তৰ মূৰ্ত্তি বিনা বানচে সাজি দিবলৈ উপযাচি গাত লৈছিল। সেইবাবে তেওঁৰ শলাগ লৈ, সেই বিৰাট সভা মণ্ডপৰ সকলো লোকে এক বাক্যে শ্ৰীযুত সন্দিকৈ ডাঙৰীয়াৰ প্ৰতিমূৰ্ত্তিকে প্ৰস্তুত কৰাবলৈ আদেশ দিছিল। পাচে তাৰ নিমিত্তে লাগতিয়াল সমল আদি কিনিবলৈ তিনিশ মান ৰূপৰ প্ৰয়োজন হ'ল; আৰু সেই ধনৰ অভাৱতে, এই প্ৰয়োজনীয় কাৰ্য্যটো আজিলৈকে পৰি থাকিল। লোকৰ পৰা সমূলি সাহায্য নেপালেও, সাহিত্য-সভাই সন্দিকৈলৈ শ্ৰদ্ধা আৰু শলাগৰ কিবা অলপ চিন ৰখোৱাটো অকল বাঞ্ছনীয় আৰু সুশোভন কাৰ্য্যই নহয়, ই এটা নিতান্ত কৰ্ত্তব্য কাৰ্য্য। এনে স্থলত, লোকে সাহায্য কৰিবলৈ ওলোৱাতো, আমি অসম দেশৰ সমূহ শিক্ষিত লোকে তিনিশ ৰূপৰ জোৰা মাৰি এই কাৰ্য্যফেৰা কৰিব নোৱাৰাটো অতি আক্ষেপৰ কথা হৈছে। আজিৰ এই সভাত সম্মিলিত হোৱা গুণগ্ৰাহীসকলৰ কাণ চুৱালে, কিবা গুণ ধৰে বুলি এই কথাও সবিনয়ে জনাই থ'লোঁ।

**কাকত আদি**—সাহিত্য-সভালৈ আসাম গেজেট্‌খন সদায় বিনামূল্যে পাই থকা হৈছে। তাৰ বাহিৰে, বন্তি, বাতৰি, Times of Assam, জেউতি, অৰুণ, প্ৰভাত, Leader, অসমীয়া, ভাৰত, বিশ্বামিত্ৰ, কল্যাণ, আৰু The Journal

of the Assam Research Society, এই ১২ খন কাকত আছে। ইয়াৰ এখনৰো হৈ ধন দিব নেলাগে।

**খৰচ-পত্ৰ**—সভাৰ খৰচত সকলো ফালে হাতধৰি চলা হৈছে। ইয়াত আকৌ ঘূৰি খৰচ কমাবৰ স্থল নাই। সম্প্ৰতি যি খৰচ হৈছে, ইয়াৰ কমে এনে এখন অনুষ্ঠান চলাব নোৱাৰি। এজন কেৰাণী আৰু এটা চৌকিদাৰ নহ'লে, কোনো অফিচেই দিহা লাগি নচলে।

**সভাসভ্য**—শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, পূৰ্ণানন্দ পাঠক, তুলসীনাৰায়ণ শৰ্ম্মা, উমাকান্ত মিশ্ৰ, জেহিৰুদ্দিন আহমদ, লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা, ডিম্বেশ্বৰ নেওগ, আৰু হৰিনাৰায়ণ দত্ত বৰুৱা, এই সকল ভদ্ৰলোকৰ নাম, সভাৰ কাৰ্য্যত সহায়তা কৰাৰ হে, বিশেষৰূপে উল্লেখৰ যোগ্য। সভাৰ কেৰাণী শ্ৰীযুত নন্দীনাথ গোস্বামীয়ে সভাৰ কাৰ্য্য ভালৰূপে নিৰ্ব্বাহ কৰি আছে।

**সামৰণি**—সাহিত্য সভাৰ সকলো কথা যথাসম্ভৱ সংক্ষেপৰূপে আপোনাসকলক জনালোঁ। সভাৰ যি আয় আছে, তাৰে আন কিবা কাম হওক ছাৰি সভাখন সজীৱকৈ ৰখাই দুৰূহ কাম হৈ পৰিছে। ইয়াৰ উপৰি কমেও আৰু এহেজাৰ বা ডেৰহাজাৰ টকাৰ উৎপন্নৰ স্থল ন'হলে সভাই কোনো লাগতিয়াল কামতে হাত দিব নোৱাৰে। গতিকে এই কথালৈ সকলো সভা আৰু শিক্ষিত অসমীয়াৰ দৃষ্টি বিশেষৰূপে আকাঙ্ক্ষা কৰিলোঁ।

এটা জাতি বা এখন দেশ উন্নত হ'বলৈ অনেক সমলৰ প্ৰয়োজন, আৰু তাৰ ভিতৰৰে সাহিত্য এটা সৰ্ব্বপ্ৰধান সমল; সেই কথা এনে সুধী সমাজত বিস্তাৰিতকৈ বিবৰিবৰ প্ৰয়োজন নাই। এই ভীষণ জীৱনযুদ্ধৰ যুগত, সাহিত্য-সভাৰ আগত বিশাল কাৰ্য্যক্ষেত্ৰ পৰি আছে। সভাৰ যিবিলাক উদ্দেশ্য, তাৰ প্ৰত্যেকটোলৈকে ধনৰ প্ৰয়োজন। পুৰণিসাহিত্য উদ্ধাৰ, প্ৰাচীন তথ্য আৱিষ্কাৰ, উচ্চ সাহিত্য প্ৰণয়ণ, শিক্ষা বিস্তাৰ, প্ৰচাৰ কাৰ্য্য এই সকলোবোৰ কামলৈ অনেক ধন লাগে। কিন্তু সাহিত্য-সভাৰ ভৰাল অকল উদঙেই নহয়, তাৰ উপৰিও সভা ঋণগ্ৰস্ত। সাহিত্য-সভালৈ ধন লাগে, কৰ্ম্মী লাগে, ৰজা-প্ৰজা সকলোৰে পূৰা সহানুভূতি আৰু সহযোগ লাগে।

এই সভা অসমীয়াৰ এক গৌৰৱময় জাতীয় সম্পদ। ইয়াৰ দৰে লাগতিয়াল আৰু শৃঙ্খলিত আন কোনো জাতীয় অনুষ্ঠান এই দেশত নাই বুলিলেও বঢ়াই কোৱা নহয়। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে দেশৰ প্ৰায় সকলোখিনি চৰকাৰী আৰু বে চৰকাৰী শিক্ষিত লোক ইয়াৰ সভ্য। এই সভাৰ হাতত পঞ্চাশ হাজাৰ টকাৰো অধিক মূল্যৰ বাচনুৱা সম্পত্তিৰ ভাৰ আছে। ইয়াৰ দুৰৱস্থাৰ কথা আমাৰ ভূতপূৰ্ব্ব সম্পাদকেও আপোনাসকলক একাধিকবাৰ জনোৱা আছে। অসমৰ সমূহ শিক্ষিত লোকে আগ্ৰহেৰে লাগিলে, এই অনুষ্ঠানক আশানুৰূপে জাগৃত, পৰিবৰ্দ্ধিত, সমৃদ্ধিশালী আৰু সফল কৰি তুলিব নোৱাৰাৰ কোনো কাৰণ নাই। ই নষ্ট হ'বলৈ পালে, অকল লাজ, অপমান, আৰু ঘৃণাৰ কথাই নহ'ব, তাৰ পৰা জাতীয় গৌৰৱৰ হানি হ'ব, আৰু অসমীয়া জাতিৰ কাৰ্য্যকুশলতাৰ অভাৱ প্ৰমাণিত হ'ব, আৰু উন্নতিৰ পথত অন্তৰায় ঘটি, দেশ দুৰন্তৰূপে ক্ষতিগ্ৰস্ত আৰু অৱনত হ'ব লাগিব।

যোগ্যৰ স্থিতি আৰু অযোগ্যৰ পতন—ই জগতৰ চিৰন্তনীয় স্বাভাৱিক নিয়ম। যোগ্য নহ'লে কোনো জাতিয়েই মানুহ বোলাই থাব নোৱাৰে। সম্প্ৰতি সকলো ক্ষেত্ৰতে আমাৰ এনে তীব্ৰ প্ৰতিযোগীতাৰ দিন পৰিছে যে, এমুঠি মাত্ৰ



অসমীয়াই কেউফালৰ প্ৰতিকূল হেঁচাত, আন নেলাগে নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰাটোৱেই দূৰাঙ্গত কথা হৈছে। এই স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈ হ'ল, পোন-প্ৰথমতে নিজৰ মাতৃভাষাক ৰক্ষা কৰি ল'ব লাগিব।

গতিকে দেশৰ সকলো সম্প্ৰদায়ৰে শিক্ষিত অসমীয়াক আৰু আমাৰ হিতাকাঙ্ক্ষীক কাৰ্য্য নিৰ্ব্বাহক সমিতিয়ে বিনীতভাৱে গোহাৰি কৰিছে তেখেতসকলে যেন অগোপুৰুষাৰ্থেৰে এই হিতকৰ অনুষ্ঠান ৰক্ষা কৰি, ইয়াক চিৰস্থায়ী, কাৰ্য্যকৰী আৰু শক্তিশালী কৰি লয়। শিক্ষিত যুৱক সম্প্ৰদায়কো সাদৰেৰে আহ্বান কৰা হৈছে। তেওঁলোকৰো যেন আগ্ৰহপূৰ্ণ সহযোগত এই শুভ অনুষ্ঠানৰ সৰ্ব্বাঙ্গীন কুশল আৰু অপাৰ উন্নতি সাধন হয়।

গোটেই কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হে, মোৰ সহযোগী কৰ্ম্মচাৰীসকলৰ হে, আৰু মোৰ নিজৰ হৈও, এই বছৰৰ সকলো দাই-দোষ-ত্ৰুটিৰ বাবে, আপোনাসকলৰ ওচৰত কৰযোৰে আৰু নতশিৰে মৰিষণ মাগিছোঁ। আমি আমাৰ সামৰ্থ্য অনুসাৰে প্ৰতিকূল অৱস্থাতো আশাশুধীয়া ভাৱেৰে কৰ্ত্তব্য পালন কৰিবলৈ জ্ঞানবিশ্বাসমতে হেলা কৰা নাছিলোঁ। তথাপি তাত যে অজ্ঞানকৃতৰূপেও অনেক আঁৰ, আসোঁৱাহ আৰু অপাৰ্গতালিৰ চিন ৰৈ গৈছে, তাত সংশয় নাই। তাৰ বাবেও ভাৱন্তিৰে মাতিছোঁ, আপোনাসকলে যেন নিজগুণে আমাক ক্ষমা কৰিব।

শেহত সৰ্ব্বকল্যাণময় বিশ্ববিধাতাৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ, এই আসাম সাহিত্য সভাই যেন সৰ্ব্বতোভাৱে কৃতিত্ব লাভ কৰি অসম আৰু অসমীয়াৰ প্ৰভূত উন্নতি সাধিবলৈ সমৰ্থবান হয়।

মঙ্গলদৈ, বৃহস্পতিবাৰ
১১ পুহ, ১৮৫৬ শক
ইং ২৭।১২।৩৪

শ্ৰীচন্দ্ৰধৰ বৰুৱা

প্ৰধান সম্পাদক,
অসাম সাহিত্য সভা, যোৰহাট।
শ্ৰীদেবেন্দ্ৰনাথ বেজবৰুৱা
সঃ সম্পাদক।
ইং ২৭।১২।৩৪

গৃহীত হ'ল।

শ্ৰীআনন্দচন্দ্ৰ আগৰৱালা
সভাপতি।
২৭।১২।৩৪

—:•:—

## অসম সাহিত্য সভাৰ ১৯৩৩—৩৪ চনৰ আয়-ব্যয়ৰ হিচাপ

| আয় | | | ব্যয় | |
|---|---|---|---|---|
| ১। পূৰ্ব্বৰ বাকী জমা | | নাই | ১। কৰ্ম্মচাৰীৰ দৰ্ম্মহা | ৮৩৩৷৴০ |
| ২। ভৰ্ত্তি মাচুল | | ৪৭৲ | ২। প্ৰভিডেণ্ট ফণ্ড | ৩৮৵৩ |
| ৩। বৰঙণি | | ২৭৩৲ | ৩। মিউনিচিপেল টেক্স | ৭৮৲ |
| মিউনিচিপেল বোৰ্ড | ৫০৲ | | ৪। খাজনা | ২১৮৴০ |
| লোকেল বোৰ্ড | ২৫৲ | | ৫। ইলেকৃট্ৰি চিটি | ৪৪৷৩ |
| সভ্যৰ | ১১৮৲ | | ৬। বাজে খৰচ (Contingency) | ১৫২৲ ৩ |
| স্বীকৃত সভা | ৮০৲ | | ৭। ছাপাকাৰ্য্য | ১৯৲ |
| | ২৭৩৲ | | ৮। পুথিভঁৰাল | ১৩৷৴০ |
| ৪। এককালিন দান | | ৩২৭৲ | ৯। সম্মিলন আৰু অভিনন্দনৰ খৰচ (গোঁহাই বৰুৱা) | ১৪১৲ |
| অসম গবৰ্ণৰ | ২০০৲ | | ১০। ৺লক্ষ্মীধৰ শৰ্ম্মালৈ (বেমাৰৰ কাৰণে) | ২৫৷০ |
| শিক্ষা মন্ত্ৰী | ১০০৲ | | মুঠ খৰচ | ১৩৬৬৷৴০অনা |
| মিঃ জে, বৰুৱা | ২৫৲ | | | |
| মিঃ ৰজনীকুমাৰ পদ্মপতি | ২৲ | | | |
| | ৩২৭৲ | | | |
| ৫। অন্য উপাৰ্জ্জন | | ৷৴০ | | |
| ৬। জমা টকাৰ সুত | | ১৯৷/২ | | |
| মোট জমা | | ৬৬৭৲ ২ পাই | | |
| ১৯৩৩-৩৪ চনত ট্ৰাষ্ট, ফণ্ড ছুটাৰ পৰা (নৰদেৱ আৰু কমলাদেৱী) সভাই ধাৰে লয় | | ৬৯৯৷৷১০ পাই | | |
| মোট | | ১৩৬৬৷৴০ | | |

সভাই ট্ৰাষ্ট ফণ্ড ছুটাক দিবলগা মুঠ ধাৰৰ হিচাপ :—

১৯৩২-৩৩ চনত ১৯৪৵১ পাই
১৯৩৩-৩৪ চনত ৬৯৯৷৷১০ পাই
মুঠ ধাৰ ৮৯৩৷৵১১ পাই

নৰদেৱ ট্ৰাষ্ট ফণ্ড ১৯৬৮৵৫ পাই
কমলাদেৱী ট্ৰষ্ট ফণ্ড ৬৯৬৷৵৬ পাই
মোট ৮৯৩৷৵১১ পাই

( স্বাঃ ) নজমল হুচেন
হিচাপ পৰীক্ষক
আসাম-সাহিত্য সভা, যোৰহাট
১।১২।৩৪



## ৺নৰদেৱ ট্ৰাষ্টফণ্ড
## ১৯৩৩—৩৪

| | |
|---|---|
| নৰদেৱ ট্ৰাষ্টফণ্ড প্ৰতিষ্ঠাতা শ্ৰীশ্ৰীদক্ষিণপটীয়া সত্ৰাধিকাৰ গোস্বামীৰ দান ৫০০০৲ | ডিব্ৰুগড় ইম্পিৰিয়েল বেঙ্কত শতকৰা বছৰি ৩॥ হিঃ সুতত জমা ৫০০০৲ |
| **আয়** | **ব্যয়** |
| ১। যোৱা বছৰৰ বাকী জমা ৪৭৪৵৩ পাই | ১। ইম্পিৰিয়েল বেঙ্কৰ পৰা সুতৰ টকা পঠোৱা খৰচ ৷৴০ |
| ২। জমা টকাৰ সুত পোৱা হয় ১৭৫৲ | মুঠ ৷৴০ |
| মুঠ জমা—৬৪৯৵৩ পাই | বাকী হাতত জমা ৪৫১৷৷১০ পাই |
| | সাহিত্য সভাক ধাৰে দিয়া হয় ১৯৬৮৵৫ পাই |
| | মুঠ ৬৪৯৵৩ পাই |

## ৺কমলাদেৱী ট্ৰাষ্টফণ্ড
## ১৯৩৩-৩৪

| | |
|---|---|
| কমলাদেৱী ট্ৰাষ্টফণ্ড প্ৰতিষ্ঠাতা শ্ৰীযুত ৰাধানাথ গোস্বামীৰ দান ২০০০৲ | যোৰহাট টাউন বেঙ্কত শতকৰা বছৰি ৭॥ টকা সুতত জমা ২,০০০৲ |
| ১। যোৱা বছৰৰ বাকী জমা ১৬১৷৵৬ পাই | খৰচ নাই |
| ২। টাউন বেঙ্কৰ পৰা বাকী থকা সুত পোৱা হয় ৫৩৫, | সাহিত্য সভাক ধাৰে দিয়া হয় ৬৯৬৷৵৬ পাই |
| মুঠ জমা ৬৯৬৷৵৬ পাই | হাতত বাকী জমা নাই |

( স্ব ) নজমল হুচেন
হিচাপ পৰীক্ষক
আসাম সাহিত্য সভা, যোৰহাট
১।১২।৩৪

# মাতৃ পূজা

( অসম সাহিত্য সভাৰ মঙ্গলদৈ সন্মিলনত পঠিত )

মাতৃ-মন্দিৰত আজি মহা-পূজা সাজু হোৱাঁ পুৰোহিত,
মন্ত্ৰৰ ধ্বনিত গগন-পৱন কৰাঁ তুমি মুখৰিত।
আগত তোমাৰ সহস্ৰ পূজাৰী সাধক-সেৱক যাত্ৰী,
সকলোৱে আজি পূজিব আহিছে সোণৰ অসম মাতৃ।
আজিৰ পূজাত নাই ভেদাভেদ জাতি-অজাতিৰ চিন,
স্পৃশ্য-অস্পৃশ্যৰ সম অধিকাৰ, নাই ভিন ধনী-দীন।
সম্মিলিত কণ্ঠে সুললিত ছন্দে একেটি বন্দনা-গীত
সুমেৰু-কুমেৰু গিৰি-গুহা ভেদি হব আজি উচ্ছ্বসিত।
আজিৰ অৰুণে পুৱাতে ওলাই তৰুণ সাজেৰে সাজি
গাভৰু উষাৰ দিলে কপালত সেন্দূৰীতিলক ৰাজি।
মন্দ মলয়াৰে গন্ধ মালতীয়ে পাতিছে মোহন খেলা,
সুবাসিতা হই আই প্ৰকৃতিয়ে গাঁথিছে বৰণ-মালা।
তোৰণ-দ্বাৰত ইন্দ্ৰমালতীয়ে প্ৰণমিছে শাৰী হই।
ফুলৰ কুৱঁৰী আয়তীসকলে পুষ্পপাত্ৰ আছে লই।
হেমন্তই পিন্ধি হিমৰ মুকুট তৰিছে কুৱঁলী-জাল,
বিহঙ্গে বজাই মৃদঙ্গ মঞ্জিৰা, ধৰিছে গীতৰ তাল।
উপচি পৰিছে সোণালি পথাৰ আই লখিমীৰ দানে
দেশৰ লখিমী আছে ক'ত আজি বিচাৰি আনিব কোনে?
পূজাৰ দিনৰ অপূৰ্ব্ব সুযোগ হাতৰ মুঠিতে পাই
স্থিৰ কৰি লোৱাঁ ভৱিষ্যৎ আজি ভালদৰে ভাবি চাই।
মিলন-সভাৰ ৰভাৰ তলত কৰিলে নহব শোভা,
ভাবিব লাগিব কিনো দৰে মাতৃ হব পুনু হেমপ্ৰভা।
প্ৰাগ্‌জ্যোতিষৰ নাম মাথোঁ আছে নাই গৌৰৱৰ লেশ,
আজি অসমত শোণিতপুৰৰ ধ্বংস মাথোঁ অৱশেষ।
কুণ কুল কৰি কুণ্ডিলে বিনায় কত আজি সেই দিন—
নৰক ভীষ্মক বাণ ভগদত্ত ক'ত আজি হল লীন?
শঙ্কল আদীৰ ভাস্কৰবৰ্ম্মাই লাজতে ঢাকিছে মুখ,
ক্ষুদ্ৰ কামৰূপে দিছে সকলোকে মনত বিষম দুখ!

কৰতোয়া আজি কাষ চাপি আছে ধুবুৰীতে সীমা ৰ'ল,
মণিপুৰ আৰু বেহাৰে আমাক চিনিব নোৱাৰা হ'ল!
আজি ইন্দ্ৰবংশী আহোম ৰজাৰ হেংদান উফৰি গ'ল
মহগড়তেই সমূলি লুকাল ছশ বছৰৰ বল।
শৰাইঘাটৰ নাই বীৰ-তেজ জেৰেঙা যে মৰিশালি,
আছে ব্ৰহ্মপুত্ৰ অতীতৰ সূত্ৰ গাইছে হৃদয় ফালি।
পচিমত সউ মেঘে ওন্দোলায় নামিছে প্ৰলয়-বাণ,
কৌৰৱ-সভাত দ্ৰৌপদীৰ আজি পৈশাচিক অপমান!
অনাথিনা সেই দ্ৰৌপদীৰ দৰে আমাৰ অসমী আই
অসমত আজি অসমীয়া নাই, শুনি বুকু ফাটি যায়!
মাতৃ-মন্দিৰৰ দুৱাৰমুখত বিজয় হুঙ্কাৰ মাৰি
জাতীয় জীৱন গ্ৰাসিছে আমাৰ দানৱে বজাই ভেৰী।
ইমানতো আমি শুই থাকিবৰ সময় নহয় আজি—
জীৱন যজ্ঞৰ মহা পয়োভৰ শিঙা-শঙ্খ উঠে বাজি
এশ বছৰতে বীৰ অসমীয়া চোৱাঁ অধঃপাতে গল,
সেয়ে পুনু আজি নতুন উছাহে আগবাঢ়িবৰ হল।
কাম ৰত্ন স্বৰ্ণ সোমাৰপীঠৰ লুকুৱা মহিমা ৰাশি
আনিব লাগিব উদ্ধাৰি পুনৰ কলঙ্ক-কালিমা নাশি।
সেই হেতু আজি দেৱ-মণ্ডপত অভিনৱ আয়োজন,
হে সাধক বীৰ, কৰা দৃঢ়চিত্তে জীৱন মৰণ পণ।
পূজাৰ লগন চাপিছে ওচৰ সকলোৱে সাজু হোৱাঁ,
হিয়াৰ তেজেৰে হোমানল জ্বালি দেৱতা-আশীষ লোৱাঁ
মাভৈঃ মাভৈঃ মন্ত্ৰে কৰা পুৰোহিত দশোদিশ নিনাদিত,
সহস্ৰ শত্ৰুক বিপুল উদ্যমে কৰা সৱে পৰাজিত।
স্বৰ্গতো অধিক জনমভূমিৰ জিলিকিছে উচ্চ শিৰ,
উজ্বলি উঠিছে ইাহোঁ ইাহোঁ মুখ নিৰুপমা জননীৰ।
বিশ্ব ৰাণী হই জেউতি বিলাব, সিদিন দূৰত নাই
শঙ্কৰ মাধৱে দিছে শুভ-বৰ আজি যে আমাক চাই।
অনন্ত শয্যাৰ নাৰায়ণ উঠি হল সউ জ্যোতিৰ্ম্মান,
শঙ্খ চক্ৰ ধৰি ৰাখিব আমাক হোৱাঁ সৱে আগুৱান।
আজি মহানন্দে দেৱ উমানন্দে সপ্তাৰে সৱাতে প্ৰাণ,
কামাখ্যা দেৱীয়ে দিছে মহাশক্তি আজি যে আমাক দান!
মাতৃ-মন্দিৰৰ সোণৰ কলচি নৱভাৱে দীপ্তিমান।
জয় জয় বুলি সোণৰ অসম নাচি নাচি গোৱাঁ গান।
সহস্ৰ বিধিনি আঁতৰি পলায় নাই যে সমূলি ভয়,
মাতৃৰ মন্ত্ৰত দীক্ষিত সন্তানে জগত কৰিব জয়।

# কৃপাবৰ বৰুৱাৰ ভাবৰ বুৰ্বৰণি

## বুৰঞ্জীৰ দৌৰাত্ম্য

আজি মোৰ ভাবৰ বুৰ্বুৰণিৰ নাম বুৰঞ্জীৰ দৌৰাত্ম্যৰ বুৰ্বুৰণি। বুৰঞ্জীৰ বুৰ্বৰণিৰ ওপৰত উঠি ভৱনদী পাৰ হবলৈ যোৱা বুৰঞ্জীবিদ্ পিতৃপিতৃ সকলে আশা কৰোঁ, মোৰ দোষা দোষ মৰিষণ কৰিব।

বহু কাল ধৰি মোৰ মনত খেলাই আহিছে যে ভাৰতবৰ্ষৰ ঋষি মুনি পণ্ডিতসকলে, আজিকালি যাক আমি বুৰঞ্জী বোলোহঁক, তেনে বুৰঞ্জী বা ইতিহাস ৰচনা কৰা নাছিল কিয়? তেওঁলোকে বেদ, বেদান্ত, ষড়দৰ্শন জ্যোতিৰ্ব্বিদ্যা, আয়ুৰ্ব্বেদ, ৰসায়ণ আদি জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ আৰু আধ্যাত্মিক বিদ্যাৰ গ্ৰন্থ লিখি মূধা ফুটাই গল; ন্যায় নীতি পুৰাণ সংহিতাৰ গ্ৰন্থৰ তেওঁলোকৰ হাতত উজান উঠিল, অথচ প্ৰচলিত ৰীতিমতে বুৰঞ্জী ৰচনা কৰি থবলৈহে তেওঁলোকৰ বিদ্যাৰ নাটনি পৰিল? ধনুৰ্ব্বিদ্যা, নৃত্য-গীত প্ৰভৃতি চৌষষ্টি কলাত পকা পকা পুথি তেওঁলোকে দকচি লেখিলে, আৰু সেইবোৰৰ শিক্ষা ছাত্ৰক উৰাই-ঘূৰাই দিলে, যোগীজনসুলভ যোগ-দৃষ্টিৰে তেওঁলোকে ভূত ভবিষ্যত বৰ্ত্তমান সকলোবোৰ দেখিলে. ভবিষ্য-পুৰাণ পৰ্য্যন্ত খনে খনে লেখিলে, কিন্তু কাশীনাথ ফুকনৰ আৰু হৰকান্ত সদৰামিনৰ বুৰঞ্জীৰ নিচিনা নাইবা ইংৰাজ ফ্ৰেঞ্চ জৰ্ম্মান হিষ্টৰি প্ৰণেতাসকলৰ নিচিনাকৈ ইতিহাসৰ কিতাপ খন-দেক লেখিবৰ বেলিকাহে তেওঁলোকৰ কেনা লাগিল! বাপুহে, অন্ততঃ চকুৰ বেমাৰত চকুত বাটি দিবলৈকে থোৱা বৰঞ্জী এখন লেখি থৈ যা! তাকো নকৰিলে! ব্যাপাৰটো "গুকচন" নহয় নে? কিয় তেওঁলোক এই বিষয়ত নিবোকা-চামোন হৈছিল? "মচুলুকা নোলোৱাকৈ" কথাষাৰ এৰি দিবকে নোৱাৰি; সি এনে "ল আৰু অৰ্জ" সম্বলিত ব্যাপাৰ।

অভাৰতীয় বিদেশীয়ে কথন-মথন কৰে, যে ভাৰতীয় সকলৰ Historical sense অৰ্থাৎ বুৰঞ্জী জ্ঞানৰ অভাৱ। কথাষাৰ সঁচা নে? আমাৰ ৰত্নাই, বগাই, ৰাতিয়া, কাতিয়া নামৰ বুৰঞ্জীবিদ্ ককাইহঁতে কি কয়? আমাৰ ইংৰাজীত পঁড়িত ঐতিহাসিক সকলৰেই বা কি অভিমত?

মোৰ প্ৰশ্নটোৰ ভিতৰত, মই হেলাৰাঙেই হওক বা "সহজে ৰাম তুমি কৰুণা সাগৰ" বুলি ভাবিয়েই হওক, জীৱন-চৰিত, ধৰ্ম্ম আৰু সম্প্ৰদায়ৰ বৃত্তান্ত, সমাজৰ বিবৰণ, ধৰ্ম্মগুৰু আৰু কৰ্ম্মগুৰু সকলৰ চৰিত্ৰ পুথিকো সুমাই লৈ এই দলিটো মাৰিলোঁ; পঁড়িতাগ্ৰগন্য সকলৰপৰা উত্তৰলৈ হাত পাতি ৰলোঁ।

মোৰ মৃগনেত্ৰ-সদৃশ জীৱনত, আমাৰ পঁড়িত সকলৰ হিচাপমতে "ক" বুলিব পাৰিলোঁ বা নোৱাৰিলোঁ, কিন্তু পুৰাণ, ভাৰত আৰু বুৰঞ্জী ইতিহাসৰ ৰত্নাৱলী অনেক পঢ়িছিলোঁ। এই পঠনৰ শেহফল কি পালোঁ, তোমাক মোৰ হৃদয়ৰ কথা ভাঙি কব লাগিলে কওঁ, যে পুৰাণবোৰ ভঙুৱাৰ গল্প, কানীয়াৰ কীৰ্ত্তন, নাইবা মতলীয়াৰ অপলাপ বা প্ৰলাপ যেন মোৰ নালাগিল আৰু ভবিষ্যতত লাগিবৰো আগন্তুক নাই। বৰং থাকি থাকি মোৰ মনত বিশ্বাসৰ কথাহে উঠিব



বান্ধিছে যে পুৰাণবোৰ আধ্যাত্মিক জীৱনৰ অমূল্য ইতিহাস আৰু অক্ষয় অব্যয় সেই বাঞ্ছিত জীৱনৰ বুৰঞ্জী। অৱশ্যে বজাৰত চলা ঐতিহাসিক পঁড়িতসকলে মোৰ কথাষাৰ টিলিকি মাৰি উৰালেও মোৰ "আপ্‌শোচ" নাই, কাৰণ ইতিহাস, বুৰঞ্জী আৰু হিষ্টৰিৰ নৱকলেৱৰ তেওঁলোকৰ তেজ-মঙহেৰে সৈতে মিহলি হৈ গৈছে। তেওঁলোকে লাংপুং ৰচিত বুৰঞ্জী, ৰবিন্সন প্ৰণীত হিষ্টৰি, মুক্তুপভনিত "একচন্দ্ৰ স্তামোহস্তি" বুৰঞ্জীকহে বুৰ্বনঞ্জী বোলে, তাত মোৰ খুকুৰি নাই। যাওক। ৰবৰুৱা কৃপাবৰে কৃষিকাৰ্য্য কৰিবলৈ মনস্থ কৰি আঠুমূৰীয়া চুৰিয়া পিন্ধি, হাতত হালোৱাৰ এচাৰি লৈ হাল বোৱাৰে পৰা আৰম্ভ কৰি জবকাৰে জাবৰ টানি, বোকাত ভূঁই ৰুই খেতি কৰি পালে এবিধ আনন্দৰ শইচ, যাৰ বৰ্ণনা মহাপুৰুষে ঘোষাত দিছে:—

"কৃষ" তেন শব্দ ইটো পৃথিৱী বাচক ভৈল,
"ন" আনন্দত প্ৰবৰ্ত্তয়।
দুইৰো এক পদ ভৈলে পৰমব্ৰহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়॥

সেইদেখি পুৰাণ পাঠ কৰি এই কিবিষ কৰোতা হালোৱাই হেলাতে মানপী কটালে বুলি বেজাৰ নকৰে। তেওঁ পালে গছীধান, গুটিধান, আৰু সেইবোৰৰ মেটমৰা ভাৰ বান্ধি আনি তেওঁ ভঁৰালত সুমালে; হিষ্টৰি আৰু বুৰঞ্জীৰ পাখি-লগা ফচছু ধান তেওঁৰ কপালত নুঠিল। সেইবাবে তেওঁৰ একো হোৱা নাই যদি নাই,—আৰু শোচনাও নাই।

মুঠতে কওঁ, আগৰ কলীয়া জ্ঞানীসকলে আমাক যিহকে লাগে তাকে দি গৈছিল। সেই শইচ আমি দাই চপাই ডাঙৰি বান্ধি কঢ়িয়াই [illegible] পাৰিলেহে বৰ্ত্তিলোঁহঁক। পুৰাণক তুমি কল্পতৰু বুলিব খুজিলে সি কল্পতৰুৱেই; নুবুলিলে পতান আৰু নৰা হৈয়েই তোমাৰ মানত ৰল। তাৰ আগত তুমি হাত পাতিব জানিলেই যিহকে মাগা তাকে পাবা; নোপোৱা মাথোন গাৰো, ভোট, যৱন, ব্ৰাহ্মণ আৰু চাহ-বাগিছাৰ ছত্ৰিশ জাতৰ কুলীকো একেলগ কৰি সামৰি সুতৰি লৈ কৰা শতকৰা ৪২ জন বঙ্গালীৰ লেখটো। আৰু নোপোৱা চৰ্কাৰৰ ঘৰত কেইজন অসমীয়া আৰু কেইজন বঙ্গালীয়ে বিষয় খাইছে তাৰ লেখটো; আৰু পাবৰ উপায় নাই—যি দেশত যতে সৰহ নালাগে তিনটি বঙ্গালী ভদ্ৰলোক থাকে তেওঁলোকৰ ভিতৰতে দুটা দল হৈ পৰস্পৰ খিয়লাখিয়লি কৰি নিজৰ ভৰিতে বাগী কুঠাৰ মৰাৰ বৃত্তান্ত; ওপৰঞ্চি পোৱা নাযায় নিজক তুলসী-পত্ৰ যেনকৈ পৱিত্ৰ আৰু দাপোণখন যেন নিৰ্ম্মলকৈ দেখুৱাই আনৰ গাত মহীসনা ব্যাপাৰৰ বিবৰণ। ইত্যাদি কাৰণত লোকে পুৰাণক কল্পতৰু নুবুলি কেলেপ্‌তৰু বুলিলেও মই আপত্তি নকৰোঁ; কিয়নো, চৰ্কাৰৰ ঘৰৰ কাছাৰীতো কেলেপ্‌তৰু (কলেক্‌টৰি) হাকিম আৰু চিৰস্তাদাৰলৈকো একোখন চকি ৰখা গৈছে। এতেকে হে ভদ্ৰলোক মহোদয় আৰু মহোদয়াসকল! ভাবুক আপোনালোকে যিহকে মন যায় ভাবক, মোৰ এই গেদ্ধেলা মুখৰ পৰা ওলোৱা গেদ্ধেলা কথা এষাৰ নাপাহৰিব যে, পুৰাণ is a mine of wealth, অৰ্থাৎ পুৰাণ ৰত্নৰ ভাণ্ডাৰ। অৱশ্যে ৰত্ন চিনি নোপোৱা হনুমন্তৰ নিমিত্তে সি অকিঞ্চিৎকৰ পাথৰ। তেনেজনে তাক দাঁতেৰে বা পটাগুটিৰে যি ব্যৱস্থাকে কৰক, আমাৰ সেই কাৰ্য্যত ৰাম-বিষ্ণু বা আল্লা-খোদা বুলিবলৈ একোকে নাই।

সাধাৰণতঃ পুৰাণৰ লক্ষণ পাঁচোটা। শ্ৰীমদ্ভাগৱত পুৰাণৰ লক্ষণ দহোটা। আজিৰ হিচাপ মতে

পুৰাণ বুৰঞ্জী নহয় সঁচা, কিন্তু সকলোবোৰ লাগতিয়াল সংবাদৰ সি বহঘৰা। সেই সংবাদ আহোমে, বঙালক অমুক ৰণত অমুক শকত মাৰিলে, এনে বিধৰ নহয়; সেই সংবাদ ধৰ্ম্ম আৰু ধৰ্ম্মসম্পৰ্কীয় কৰ্ম্ম, আধ্যাত্মিক উন্নতি, পৰকালৰ মহা বিত্ত লভি সংসাৰৰ কৰ্ম্ম-বন্ধনৰ পৰা মুক্তি পাই বিষ্ণুৰ পৰম পদ লভিবৰ সংবাদ; —যি পদ

"তদ্বিষ্ণোঃ পৰমং পদং সদা পশ্যন্তি সুৰয়ঃ দিবীৱ চক্ষুৰাততং।"

আকৌ কওঁ,—পুৰাণ Secular Purpose অৰ্থাৎ পাৰ্থিৱ সম্পৰ্কক মুখ্য উদ্দেশ্য কৰি লিখিত নহয়; পৰম পদ লভিবৰ নিমিত্তে উদাহৰণ, আহি, উপাখ্যান, ৰূপক, নীতি আৰু সৎ উপদেশ প্ৰভৃতি যি যি বস্তুৰ আৱশ্যক তাৰ উজু বৰ্ণনা আৰু সেই সম্পৰ্কতে ইতিহাস, ভূগোল, বংশাৱলী ইত্যাদিৰ উত্থাপন, আৰু পুণ্যশ্লোক ভগৱন্তৰ গুণানুকীৰ্ত্তনৰ অৰ্থে ঈশ্বৰপৰায়ণ সাধুসকলৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপৰ বিৱৰণ।

ঈশ্বৰৰ গুণ-চৰিত্ৰৰে সৈতে সম্পৰ্কবিৰহিত অকল মানুহৰ কাৰ্য্যকলাপ, যুদ্ধ-বিগ্ৰহ, তাৰ বাৰ তাৰিখ, কোনো লোকৰ জীৱন-চৰিত, ইত্যাদি পদাৰ্থ পুৰণি ঋষি মুনিসকলে লিপিবদ্ধ নকৰিছিল কিয়? কাৰণ, তেওঁলোকৰ হিচাপত সেইবোৰ অপদাৰ্থ আৰু অসাৰ্থক, আৰু ঘাইকৈ পক্ষপাত দোষত ঘোৰ দোষী হবৰ সম্ভৱ দেখি। এপক্ষৰ যুদ্ধৰ কাহিনী বিপক্ষৰ লেখকে লেখিলেই তাত পোন্ধৰ অনা তিনি পইচা অসত্য সোমায়; এপক্ষৰ বীৰৰ বীৰ্য্যৰ বুৰঞ্জী আন পক্ষৰ লেখকৰ কলমৰ খোচত বিপৰ্য্যয়গ্ৰস্ত হৈ ওলোটা আকাৰত পৰিণত হয়। উদাহৰণ স্বৰূপে, ইংৰাজ লেখকে লেখা মহাবীৰ নেপোলিয়ান বোনাপাৰ্টৰ জীৱন চৰিত। আগলৈ আগবাঢ়ি নগৈ সিদিনাৰ মহাযুদ্ধলৈকে চকু দিয়া। তাৰ বিৱৰণ ইংৰাজ লেখকেও লেখিছে আৰু জৰ্ম্মাণ লেখকেও লেখিছে। কিন্তু দুইকলীয়া বিৱৰণ দুটা মিলাই চোৱাঁ,—দেখিবা এটি অশ্ব, সিটি মহিষ; এটি চেটপেল, সিটি ৰবিনহুদ; এটি সূৰ্পনখা, সিটি ভাগ্য লক্ষ্মণ; এটি কৈঁচাকল আৰু সিটি এদা। নিজৰ পোটো অঘাইটং হলেও মাকৰ চকুত সি সোণামুৱা; আৰু পৰৰ পোহে লাঠুৱা, জহনীত যোৱা। ধৰ্ম্মসংস্থাপক আৰু ধৰ্ম্মগুৰু সকলৰ চৰিত্ৰ আৰু তেওঁলোকৰ প্ৰচাৰিত ধৰ্ম্মৰ বৃত্তান্তলৈকে, তোমাৰ মন যায় যদি মন কৰাঁ। পাবাঁ এই কথা যে—মোৰ গুৰুজনা বৈকুণ্ঠৰ পৰা সোঁশৰীৰেৰে সোণৰ জখলাইদি নামি আহিছে, আৰু তোমাৰ জনা বাহ-তলৰ খালত থকা এদোঙা পানীৰ পৰা পূৰ্ব্বকায় পৰিত্যাগ কৰি জপিয়াই পাৰত উঠা ভেকুলীৰ পোৱালি। মোৰ গুৰুজনাহে ধৰ্ম্মৰ পথপ্ৰদৰ্শক, তোমাৰজন তেওঁৰ পিছে পিছে কমলি ধৰি যোৱা লেমটৌ। মোৰ অৱলম্বিত ধৰ্ম্ম সত্যৰ দানাবন্ধা মিচিৰি, তোমাৰ ধৰ্ম্ম নাক জুনজুনাই যোৱা পানীকাঁহুদী। এনে কথা, এনে বতৰা। এই পচা পৃথিৱীত এনেবোৰ প্ৰয়াস কৰিবলৈ কোনেও নেৰে, আৰু ভবিষ্যততো এৰিবৰ আশা নাই; কাৰণ মানুহৰ স্বভাৱেই এনে; নতুবা এই পৃথিৱীখনেই স্বৰ্গ-ৰাজ্যত পৰিণত হ'লহেঁতেন। নোহোৱালৈকে গলিয়াগলি চুলিয়াচুলি এই পৃথিৱীৰ পৰা নাযায়। সেইদেখি আমাৰ পৰম জ্ঞানী ঋষিমুনিসকলে তেনে অসাৰ্থক আৰু অনৰ্থৰ মূল বুৰঞ্জী আৰু ইতিহাসত হাত নিদি সেইবোৰ কটাছিঙ্গাকৈ এৰি থৈছে। তেওঁলোকৰ বিদ্যা-বুদ্ধি জ্ঞানে সেই বুদ্ধিটো ঢুকি নোপোৱাটো বা তেনে গ্ৰন্থ প্ৰণয়ন কৰিবলৈ তেওঁলোকৰ মনত নোখোৱা-



ৱাটো অলীক সপোন মাথোন। বংশাৱলী লেখোতাই নিজৰ বংশটোক কাকিনী তামোলৰ আগত তুলি থয়; গুৰুলীলা বা গুৰু চৰিত্ৰ লেখোতাই তেওঁৰ গুৰুক কৃষ্ণৰ অৱতাৰ পাতে, লোকৰ জনক সেইজনৰ লগুৱা পাতে। এইবোৰ বিকৃচিনা লগা কথা নহয় নে? নিজক সাধু-মহন্ত বোলাওঁতা সকলে মুখেৰে গীতা-ভাগৱত মাতি সত্যৰ গুৰিধৰোতা হৈ, কাৰ্য্যত সেইবোৰ "সোপায়ঃ নমঃ" কৰি মিছাৰ বক্ষিত আহুতি দিয়ে। দিনৌ তেওঁলোক "গালে নাম, গল উৰি, তাৰ কি আছে আগগুৰি" হয়। আত্মজীৱনী-লেখকে নিজক কলিকতাৰ পথাৰৰ মাজত থকা "অকটৰলনি মনিউমেণ্ট"টো কৰি, ওচৰচুৰীয়া গৃহ আৰু গৃহবাসীক পকৱা আৰু উই-হাফলু যেনকৈ দেখে। এনে বুৰঞ্জী এনে আত্ম-জীৱনী কি পদাৰ্থ আৰু তাৰ বেচ কি, এই কথা মোক কোনেও বুজাই নিদিলেও মোৰ বুজাত ব্যাঘাত নঘটে। এতেকে এনে জাতৰ বস্তুৰ ওপৰত পুৰণি জ্ঞানীসকলৰ বিৰাগ থকাটো আশ্চৰ্য্য কি?

অসমীয়া বুৰঞ্জী নিশ্চয় আহোমসকলৰ দান। তেওঁলোকৰ তেনে অভ্যাস বা বুৰঞ্জী- Sense বংশ আৰু জন্মগত। অনা আহোমসকলৰ তেওঁলোক শিক্ষা-গুৰু। যদিও আগৰ কালত অসমত ছপাখানা নাছিল, ছপাকৰি কিতাপ বা পুথিখন গপগপীয়া কৰি থবৰ জ্ঞান অসমীয়াৰ নাছিল, তথাপি আহোমৰ হওক বা আনৰে হওক, অসমত নাম-জ্বলা বংশ বা ফৈদ এনে এটা নাছিল, যাৰ ভিতৰৰ মুখিয়ালসকলে নিজৰ বংশৰ বা ফৈদৰ বুৰঞ্জী একোখন লেখি নিজৰ ঘৰত নথৈছিল। ফলত "A lion is painting himself" হৈ অসমক বুৰঞ্জীৰ কাঠফুলাৰে ঢাকি পেলোৱা যেন হৈ পৰিছিল। সেই বুৰঞ্জীবোৰৰ হাৰ-হেমেজু হৈছিল, মুঠতে মুখ্য মুখ্য কিছুমান সৰ্ব্ববাদী সম্মত কথাৰ বাহিৰে স্ববংশ আৰু স্বজনৰ জয়জয়কাৰ আৰাও, আৰু যাক ভালপোৱা নাযায় তাৰ কলঙ্ক আৰু অধঃপাতনৰ ঠেলা। সেই দেখিয়েই অন্তত আহোমৰ ভিতৰৰ বিচক্ষণ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই, অৰ্জ্জুনে খান্দৱদাহ কৰাদি সেইবোৰ দহি পেলাইছিল। জুয়ে কেচা-পকা দুইবিধ পোৱাৰ দৰে, অৱশ্যে সেই জুইত দুখন-দহখন ভাল বুৰঞ্জীও যে ছাই হৈছিল তাত ভুল নাই; কিন্তু সেইটো এৰাব-নোৱাৰা উপসৰ্গ। কোনো বিষম ৰোগত অস্ত্ৰ কৰিবলৈ হলে গেলাৰ লগত কেঁচা মঙহ আৰু পুঁজৰ লগতে কেঁচা তেজো যায়; সেই বুলি অস্ত্ৰ নকৰি থাকিলে ৰোগীৰ অনিৰ্ব্বাৰ্য্য মৃত্যু।

অনেকে বুৰঞ্জী লেখিবলৈ গৈ অজ্ঞাতসাৰেও অসত্য কথাকো লিপিবদ্ধ কৰে; কাৰণ তেওঁৰ angle of vision অৰ্থাৎ চকুত যি পৰে বা আনৰ পৰা যি শুনে, তাকে তেওঁ লেখে। তেওঁ মিছলীয়া নহলেও সৰ্ব্বজ্ঞান নহয়। কণাই হাতী দেখা সাধুটোৰ উৎপত্তিও এই বাবেই।

বিদেশী ভাৰত-বুৰঞ্জী-লেখকৰ চকুৰে চাই হিন্দুৱে কোনো কোনো মুছলমান নবাব বাদ্‌স্যাহৰ বিষয়ে এনে বিভীষণ ধাৰণা কৰি থৈছে, যে দেখিলে দুখ লাগে। উদাহৰণস্বৰূপে বঙ্গৰ নবাব চিৰাজউদ্দৌলা, আৰু দিল্লীৰ সম্ৰাট ঔৰংজেব। আজিকালি অনেকৰ আচল সত্যৰ ফালে চকু মুকলি হৈছে যদিও আৰু অনেক বাকী।

"ধৰ্ম্মস্য তত্ত্বং নিহিতং গুহায়াং" এই সত্য কথাষাৰ অমূল্য। বুৰঞ্জীৰ প্ৰকৃত সত্য কথাৰ তত্ত্বও সাত হাত পানীৰ তলত। পানীৰ ওপৰত ফৰ্ফৰায়তে কৰি ফুৰা শফৰী ধৰিবলৈ বিচাৰি ফুৰোঁতাসকলে অগাধ-জল সঞ্চাৰী ৰোহিতক

ধৰিব নোৱাৰে; সিফালে তেওঁ যিমানকে বৰ্ব্বৰ-নজ্ৰী বিদ্ হৈ পিতপিতাই ফুৰক। ছপা কৰা শকৰী বুৰঞ্জীৰ পাত দুটা মেলি পঢ়িয়েই অনেকে অনেক বিচক্ষণ জ্ঞানীলোকৰ মাজত ধাৰাবাহিক-ৰূপে প্ৰচলিত আৰু আদৃত কথাকে অপলাপ বুলি ঢোল-খোল-মৃদং বজাই নচাটো ফেকুন্দা কাৰ্য্য।

পাহৰিলে নচলিব যে বুৰঞ্জীবিহীন প্ৰাচীন আৰ্য্য হিন্দুজাতি আজিলৈকে জীয়াই আছে, লেলায়েই হওক বা ধেন্দায়েই হওক; কিন্তু বুৰঞ্জীৰ বোজাৰে কঁকাল-মেচা অনেক প্ৰাচ্য আৰু পাশ্চাত্য জাতিয়ে পৃথিবীৰ মানচিত্ৰ এৰি স্বৰ্গাৰোহণ কৰিলে। আজিৰ ভাৰতীয়ই পশ্চিমৰ সকলো কথা সকলো বিষয়কে বাছ-বিচাৰ নকৰি অনুকৰণ কৰাৰ ফল, নিজৰ ভিতৰত ছুলস্থূল। অনুকৰণৰ বঢ়াবঢ়ি হলে পশ্চিমতকৈয়ে আগেয়ে আমাৰ নিপাত। পশ্চিমত নিৰ্ব্বান নামৰ অৰ্দ্ধোদয়-যোগ থাকিলেও পশ্চিমীয়াৰ গাত ইমান প্ৰাণ, মূৰত ইমান বুদ্ধিৰ বল আছে যে, তেওঁলোক বাগৰি গৈয়ো থাকিব পাৰতে খুটি পুটি ৰব পৰা শকতি তেওঁলোকৰ গাত আছে। আমাৰ আছে মাথোন মুখত ইংৰাজী মাত, মূৰত হেট, গাত কোট আৰু হাতত বেত; সিফালে আছে গাত ছাল-বাকলি।

কৃপাবৰ

—:০:—

# পঞ্চদশ সাহিত্য সন্মিলনত গৃহীত প্ৰস্তাৱসমূহ আৰু পুৰস্কাৰ-ঘোষণা

## প্ৰস্তাৱ-সমূহ।

১। আমাৰ বিষ্ণোৎ সাহী সম্ৰাটৰ ৰূপালী জুবিলী উৎসৱ পতা স্থিৰ কৰাত এই সন্মিলনে আনন্দ প্ৰকাশ কৰি সম্ৰাট আৰু সম্ৰাজ্ঞীৰ দীৰ্ঘজীৱন কামনা কৰে।

সভাপতি

২। আমাৰ দয়ালু গৱৰ্ণৰ মান্যবৰ ছাৰ মাইকেল কীন বাহাদুৰে অসম-সাহিত্য সভাৰ প্ৰতি সহানুভূতি দেখুৱা বাবে আৰু গুৱাহাটী নগৰত এটি মিউজিয়ম ঘৰ স্থাপনৰ প্ৰস্তাৱ গ্ৰহণ কৰাত এই সন্মিলনে তেখেতৰ প্ৰতি কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছে; আৰু তেখেতক উক্ত সভাৰ পৃষ্ঠপোষক ( Patron ) হবলৈ এই সন্মিলনে বিনীতভাৱে অনুৰোধ কৰিছে।

সভাপতি

৩। চাৰিসত্ৰীয়া গোসাঁইসকলৰ অন্যতম ধৰণী স্বৰূপ এই সভাৰ প্ৰধান পৃষ্ঠপোষক দক্ষিণপাট সত্ৰৰ সুযোগ্য ডেকা অধিকাৰ শ্ৰীশ্ৰীযদুদেৱ গোস্বামী প্ৰভুৰ বৈকুণ্ঠ প্ৰয়াণত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰে।

৪। অসমীয়া পুথি প্ৰকাশক আৰু সাহিত্যিক, স্বদেশহিতৈষী ৺শিৱনাথ ভট্টাচাৰ্য্য; অসম ৰত্ন প্ৰতিভাশালী সাহিত্যিক, একনিষ্ঠ দেশ-সেৱক বাগ্মী



ডেকা উকীল ৺লক্ষ্মীধৰ শৰ্ম্মা, এম-এ, বি-এল; কৰ্ম্মীপুৰুষ ৰায়চাহাব ৺গুণগোবিন্দ বৰুৱা; যোৰহাটৰ উৎসাহী পুৰুষ টীয়ক নিবাসী ৺হেমচন্দ্ৰ বৰুৱা; সাহিত্য সভাৰ উদ্যোগী প্ৰধান কৰ্ম্মচাৰী খাঁ চাহাব ৺মহম্মদ আলি; গুণবান সুযোগ্য শিক্ষক ৺কামিনীকণ্ঠ শৰ্ম্মা; কৃতবিদ্য ডেকা ৺আহমদ চাহ; খ্যাতনামা পণ্ডিত ৺দুৰ্গানাথ স্মৃতিৰত্ন; বেলসৰৰ উদ্যোগী ডেকা ৺নবেশ্বৰ মিশ্ৰ ভাগৱতী; সাহিত্যানুৰাগী ৺গঙ্গাধৰ শৰ্ম্মা; গোৱালপাৰাৰ সঙ্গীতজ্ঞ ৺ভূপেন্দ্ৰনাথ দাস; কামৰূপৰ সাহিত্যসেৱী ৺ৰতিৰাম দত্ত; বেলতলা ৰাজপৰিয়ালৰ ডেকা উকীল ৺কুমাৰ ৰাজেন্দ্ৰনাৰায়ণ দেৱ; তেজপুৰৰ ডেকা চিত্ৰশিল্পী ৺জগৎসিং কছাৰী; নগাঁৱৰ শিক্ষক ৺লম্বোদৰ বৰুৱাৰ বিয়োগত এই সন্মিলনে গভীৰ শোক প্ৰকাশ কৰে আৰু তেখেতসকলৰ আত্মাৰ সদগতিৰ অৰ্থে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনায়।

সভাপতি

৫। ১৯৩০ চনৰে পৰা অসম সাহিত্য সভালৈ চৰ্কাৰৰ অৰ্থ সাহায্য নোপোৱাত; আৰু অসম কাউঞ্চিলৰ সমূহ সভ্যই একবাক্যে সমৰ্থন কৰা স্বত্বেও এই বছৰতো চৰ্কাৰে একমাত্ৰ জাতীয় সাহিত্য সভাক সাহায্য কৰিব নোৱাৰাত, এই সন্মিলনে মহামান্য গবৰ্ণৰ বাহাদুৰলৈ আৰু মাননীয় অৰ্থসচীব: আৰু শিক্ষা মন্ত্ৰীৰ ওচৰত দুখ প্ৰকাশ কৰিছে; আৰু ১৯৩৫ চনতে আৰম্ভ কৰি আগলৈ বছৰি অন্ততঃ ৩,০০০৲ তিনিহাজাৰ টকা সহাযা মঞ্জুৰ কৰি এই হিতকৰ অনুষ্ঠানক ৰক্ষা কৰিবৰ অৰ্থে টানি অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত নীলমণি ফুকন, বি-এ,  
সমৰ্থক— „ তপেশ্বৰ শৰ্ম্মা, বি, এল

৬। কলিকতা বিশ্ববিদ্যালয়ে অসমীয়া ভাষাত এখন আসন ( Chair ) অতি সোনকালে স্থাপন কৰিবলৈ এই সন্মিলনতে আসাম গবৰ্ণমেণ্টক বিশেষভাৱে অনুৰোধ কৰে।

প্ৰস্তাৱক—ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা  
সমৰ্থক—শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

৭। গুৱাহাটীত নাৰায়ণী সন্দিকৈ ইন্‌ষ্টিটিউট্ স্থাপন কৰিবলৈ ৰায়বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ ১০,০০০, দহ হাজাৰ টকা দান; বিষ্ণুৰাম লাইব্ৰেৰী স্থাপন কৰিবলৈ ৰায়বাহাদুৰ শ্ৰীযুত শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াৰ ৫,০০০৲ পাঁচ হাজাৰ টকা দান; আৰু "প্ৰতিভা দেৱী ট্ৰাষ্ট ফণ্ড স্থাপন কৰিবৰ কাৰণে দিয়া দানৰ বাবে শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱক এই সন্মিলনে আন্তৰিক ধন্যবাদ জনাইছে।

সভাপতি

৮। ( ক ) যোৱা চতুৰ্দ্দশ অধিবেশনত উপাধি, চনদ আদি দিয়াৰ সম্বন্ধে গৃহীত হোৱা প্ৰস্তাৱ অনুসৰি ১৩।১২।৩৪ তাৰিখে অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সিদ্ধান্তমতে উপাধি আৰু চনদ বিতৰণ সম্প্ৰতি সভাৰ কোনো বিশিষ্ট-হিতৈষী আৰু যোগ্যতম লোকক কোনো উচ্চতম উপাধিৰে সন্মান কৰিব পৰা ব্যৱস্থা হ'ব লাগে।

(খ) এই প্ৰস্তাৱ মতে কাম কৰিবৰ সময়ত কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে তলত লিখা যোগ্য সাহিত্যিকসকলৰ নাম বিবেচনা কৰিব।

( ১ ) শ্ৰীযুত সোনাৰাম চৌধুৰী,  
( ২ ) শ্ৰীযুত ৰঘুনাথ চৌধুৰী,  
( ৩ ) শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য.  
( ৪ ) শ্ৰীযুত ৰজনীকান্ত বৰদলৈ,

( ৫ ) শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী
( ৬ ) শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা,
( ৭ ) শ্ৰীযুত বেণুধৰ ৰাজখোৱা,

প্ৰস্তাবক—শ্ৰীযুত মহাদেৱ শৰ্ম্মা
সমৰ্থক— „ সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

৯। যোৱা সন্মিলনৰ ৫ম প্ৰস্তাব অনুসৰি আজিৰ সন্মিলনে সিদ্ধান্ত কৰে যে আমাৰ ভাষাত আমাৰ দেশৰ নামত "আসাম" শব্দৰ ঠাইত "অসম" গ্ৰহণ কৰা হওক আৰু সেই অনুসাৰে "অসম" আৰু "অসমীয়া" শব্দ আৰু উচ্চাৰণ শুদ্ধ বুলি গ্ৰহণ কৰা হ'ল।

প্ৰস্তাবক—ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোঁহাই বৰুৱা
সমৰ্থক—শ্ৰীযুত নীলমণি ফুকন, বি, এ,

১০। অসম সাহিত্য সভা স্থাপনৰ পৰা এতিয়ালৈকে সভাৰ ইতিবৃত্ত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হতুৱাই বা অন্য প্ৰকাৰে প্ৰকাশ কৰাৰ দিহা কৰা হওক।

প্ৰস্তাৱক- শ্ৰীযুত ৰঘুনাথ চৌধুৰী
সমৰ্থক— „ কুমুদচন্দ্ৰ বৰদলৈ

১১। অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত ভৱনত অসমীয়া ভাষাৰ স্বৰ্গগত খ্যাতনামা সাহিত্যিক সকলৰ প্ৰতিমূৰ্ত্তি শিলৰ হওক বা চিত্ৰাদিৰে হওক যেই সেই প্ৰকাৰে পাৰিলে যোগাৰ কৰি এটি চিত্ৰালয় যুগুত কৰিবলৈ দিহা কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত দণ্ডিনাথ কলিতা
সমৰ্থক —শ্ৰীযুত ৰামচন্দ্ৰ গোস্বামী।

১২। অসমৰ বানপানীত দুৰ্দ্দশাগ্ৰস্ত নৰনাৰী-সকলক সহায়তা কৰাত এই সন্মিলনে বম্বেৰ মহাপ্ৰাণা মহিলা শ্ৰীযুক্তা অমৃত কৌৰৰ প্ৰতি অশেষ ধন্যবাদ জ্ঞাপন কৰিছে আৰু তেওঁৰ দীৰ্ঘ জীৱন কামনা কৰিছে।

প্ৰস্তাৱক— শ্ৰীযুত মহীচন্দ্ৰ বৰা, বি, এল,
সমৰ্থক— শ্ৰীযুত মহাদেৱ শৰ্ম্মা।

১৩। অসমৰ মহৎ লোকসকলৰ এলানী শিশু-পাঠ্য চৰিতাৱলী লিখাই কম মূল্যত প্ৰকাশ কৰিবৰ কাৰণে যুগুত ব্যৱস্থা কৰিবলৈ "কমলাদেৱী ট্ৰাষ্ট বোৰ্ডক" এই সন্মিলনে বিশেষ অনুৰোধ কৰে।

প্ৰস্তাৱক—শ্ৰীযুত চন্দ্ৰনাথ শৰ্ম্মা, বি, এল,
সমৰ্থক -- শ্ৰীযুত অতুলচন্দ্ৰ হাজৰিকা, বি, এ,

১৪। অসম উপত্যকা কলিকতা বিশ্ববিদ্যালয়ৰ অধীন গুণে এই সন্মিলনে সিদ্ধান্ত কৰে যে, এই দেশৰ অভাৱ-অভিযোগলৈ বিশ্ববিদ্যালয়ৰ দৃষ্টি আৰু অধিকৰূপে আকৰ্ষণ কৰিবৰ অৰ্থে আৰু অসমীয়া সাহিত্যৰ উচ্চাঙ্গীন উন্নতিৰ পথ সুগম কৰিবৰ অৰ্থে চিণ্ডিকেট আৰু চিনেটতো এই উপত্যকাৰ উপযুক্ত সংখ্যক সভ্য লবলৈ কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষক আবেদন কৰা হওক।

প্ৰস্তাৱক—শ্ৰীযুত পদ্মধৰ চলিহা এম্ এ বি-এল,
সমৰ্থক—শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী

১৫। অসম উপত্যকাৰ ভিতৰত আদালত, ডাকঘৰ আদি চৰকাৰী, বে-চৰকাৰী ফৰ্মবিলাকত আৰু জাহাজঘাট, ৰেল-ষ্টেচনৰ জাননী আৰু ফলি বিলাকত অসমীয়া 'বানান' আৰু উচ্চাৰণ মতে লিখিবলৈ এই সন্মিলনে কৰ্ত্তৃপক্ষসকলক টানি অনুৰোধ কৰে।



প্ৰস্তাৱক -শ্ৰীযুত নীলমণি ফুকন, বি, এ,
সমৰ্থক—শ্ৰীযুত দৈৱচন্দ্ৰ তালুকদাৰ
অনুমোদক „ মুক্তানাথ বৰুৱা, বি, এ.

১৬। অসম সাহিত্য সভাৰ পুঁজি টনকিয়াল কৰিবৰ অৰ্থে তলত নাম দিয়া ভদ্ৰলোক কেইজনক অসমৰ ঠায়ে ঠায়ে এই বিষয়ে বুজাই অৰ্থ সংগ্ৰহ কৰিবলৈ আজিৰ সন্মিলনে অনুৰোধ কৰে।

(১) ৰায়বাহাদুৰ শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা (২) ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা (৩) শ্ৰীযুত নীলমণি ফুকন (৪) শ্ৰীযুত পদ্মধৰ চলিহা (৫) অসম সাহিত্য সভাৰ সম্পাদক।

প্ৰস্তাৱক—শ্ৰীযুত মহীচন্দ্ৰ বৰা বি, এল,
সমৰ্থক— „ ৰাধানাথ হাজৰিকা বি, এল,

১৭। যোৱা সন্মিলনত তলত লিখা প্ৰস্তাৱটি গৃহীত হয় :—

"অসমৰ দাঁতি-কাষৰীয়া পৰ্ব্বতীয়া জাতিবিলাক অসমত নিগাজিকৈ থিতাপি হোৱা মৈমনছিঙ্গীয়া, ছিলটীয়া আৰু চাহ-বাগিচাৰ পৰা ওলাই আহি স্থায়ীৰূপে বসতি কৰা বাগিচাৰ বনুৱা আদি অনা-অসমীয়া লোকসকলৰ মাজত অসমীয়া ভাষা প্ৰচলনৰ উদ্দেশ্যে তলতলিখা সভ্যসকলৰে এখন স্থায়ী সমিতি গঠিত হওক আৰু উক্ত উদ্দেশ্য সাধনৰ কাৰণে লাগতিয়াল যাবতীয় কাৰ্য্য কৰিবলৈ হাতত লোৱাৰ আগেয়ে কাৰ্য্য-পদ্ধতিৰ নিৰূপণৰ অৰ্থে উপযুক্ত অনুসন্ধানকাৰী নিযুক্ত কৰিবলৈ আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক ভাৰ দিয়া হওক।

সভ্য—(১) শ্ৰীযুত নগেন্দ্ৰনাৰায়ণ চৌধুৰী
(২) " শৰৎচন্দ্ৰ গোস্বামী
(৩) " পূৰ্ণানন্দ শৰ্ম্মা
(৪) " কীৰ্ত্তিনাথ বৰদলৈ
(৫) " কুলধৰ চলিহা
(৬) " চন্দ্ৰধৰ বৰুৱা
(৭) " প্ৰধান সম্পাদক

গৃহীত হল।
( স্বাঃ ) শ্ৰীআনন্দচন্দ্ৰ আগৰৱালা
সভাপতি।
২৮।১২।৩৪

আজিৰ সন্মিলনে কাৰ্য্য নিৰ্ব্বাহক সমিতিক এই বিষয়ে কাৰ্য্যকৰী পদ্ধতি দিবলৈ পুনৰ অনুৰোধ কৰে।

প্ৰস্তাৱক —শ্ৰীযুত যুৱেলা প্ৰসাদ আগৰৱালা
সমৰ্থক — " দীননাথ শৰ্ম্মা

( ১৮ ) যোৱা সন্মিলনে অসম সাহিত্য সভাৰ নিয়মাৱলী সংশোধনৰ নিমিত্তে যি প্ৰস্তাৱ গ্ৰহণ কৰিছিল, বিষয়ৰ গুৰুত্ব চাই আৰু সময়ৰ অভাৱত আকৌ পৰৱৰ্ত্তী সন্মিলনলৈ স্থগিত ৰখা হওক।

সভাপতি

প্ৰধান সম্পাদক,
অসম সাহিত্য সভা, যোৰহাট

## পুৰস্কাৰ ঘোষণা

(১) ১৯৩৫ চনৰ ভিতৰত যিবিলাক ভিতৰত সৰ্ব্বোৎকৃষ্ট গ্ৰন্থ লেখকক মঙ্গলদৈ টাউন [illegible]

সাহিত্য সভাৰ ষোড়শ সম্মিলনীত এটি সোণৰ পদক উপহাৰ দিব। এই প্ৰতিযোগিতাত যোগ দিব খোজা সকলে তেখেতসকলে প্ৰকাশ কৰা একোখনি কিতাপ অহা ৩০।১১।৩৫ তাৰিখে বা তাৰ পূৰ্ব্বে নিম্নস্বাক্ষৰ কাৰীলৈ পঠাব লাগিব। কিন্তু অন্য পুৰস্কাৰ প্ৰতিযোগিতালৈ পঠোৱা কিতাপ এই পুৰস্কাৰ প্ৰতিযোগিতালৈ পঠালে গ্ৰহণ কৰা নহব।

(২) "অসমীয়া সাহিত্যত ইছ্লাম আৰু অসমীয়া মুছলমানৰ ভাই ক'ত"—এই বিষয়ৰ সৰ্ব্বোৎকৃষ্ট ৰচনা লেখকক মৌঃ মহিবুল্লা বি, এ, ই, এ, চি ডাঙৰীয়াই এটি সোণৰ পদক উপহাৰ দিব। এই বিষয়ৰ ৰচনা অহা ৩০।৯।৩৫ তাৰিখে বা তাৰ পূৰ্ব্বে প্ৰধান সম্পাদকৰ হাতত পৰাকৈ পঠাব লাগিব।

(৩) যোৱা চতুৰ্দ্দশ সম্মিলনত ঘোষণা কৰা "কানৰ অপকাৰিতা"ৰ বিষয়ে সৰ্ব্বোৎকৃষ্ট ৰচনা লেখকক ৺ৰোহিনীকান্ত হাতীবৰুৱাৰ ভাৰ্য্যা শ্ৰীযুতা শান্তিপ্ৰভা হাতিবৰুৱানীয়ে এটি ৰূপৰ পদক দিবলৈ যি পুৰস্কাৰ ঘোষণা কৰিছিল; সেই পুৰস্কাৰ প্ৰতিযোগিতাত কেৱল মাত্ৰ দুখনি ৰচনা পোৱাত,—আৰু ৰচনা পাবৰ আশাৰে পুনৰ ৩০।৯।৩৫ তাৰিখলৈকে সময় বঢ়াই দিয়া হ'ল। এই পুৰস্কাৰ প্ৰতিযোগিতাত যোগ দিব খোজা সকলে তেখেতসকলৰ ৰচনা অহা ৩০।৯।৩৫ তাৰিখ বা তাৰ পূৰ্ব্বে পোৱাকৈ নিম্ন স্বাক্ষৰকাৰীলৈ পঠাব। এই বিষয়ে আৰু ৰচনা পোৱা নহলে পূৰ্ব্বৰ দুখনকে পৰীক্ষা কৰোৱাই পুৰস্কাৰ দিয়া হ'ব।

(৪) আমাৰ দেশৰ "পটন্তৰ" আৰু "ফকৰা" যি লোকে সৰহকৈ গোটাই অসম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিক দিব পাৰিব, তেখেতক ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা ডাঙৰীয়াই ২৫৲ টকা মূল্যৰ এটি পুৰস্কাৰ দিব। এই পুৰস্কাৰ প্ৰতিযোগীতাত যোগ দিব খোজা সকলে তেখেতসকলৰ সংগৃহীত "পটন্তৰ" আৰু "ফকৰা" অহা ১৫।১০।৩৫ তাৰিখে বা তাৰ আগতে প্ৰধান সম্পাদকে পোৱাকৈ পঠাব লাগিব।

(৫) মঙ্গলদৈৰ মৌলবী আব্দুৰ ৰহমান, বি, এ. চব্‌ডেপুটী কলেক্টৰ ডাঙৰীয়াই তলত লিখা বিষয়ৰ সৰ্ব্বোৎকৃষ্ট ৰচনা লিখকক ২৫৲ টকা মূল্যৰ এটি পদক পুৰস্কাৰ দিব। ৰচনা ১৯৩৫ চনৰ ১৫ অক্টোবৰ তাৰিখে বা তাৰ পূৰ্ব্বে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ হাতত পৰাকৈ পঠাব লাগিব।

বিষয় :—"সাহিত্যত সাম্প্ৰদায়িকতা"
(Communalism in Literature)

শ্ৰীচন্দ্ৰধৰ বৰুৱা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা, যোৰহাট।

অসম সাহিত্য-সভা-পত্ৰিকা ঃ—



সম্ৰাট অষ্টম এডৱাৰ্ড।

[ "বাতৰি"ৰ সম্পাদকৰ সৌজন্যত ]